K.C. DAS COMMERCE COLLEGE

Chatribari, Guwahati-781008

ANNUAL MAGAZINE

2018-19



EDITORIAL BOARD



Sitting from left Mr. Sankarjyoti Choudhury, Dr. Swapna Smriti Mahanta, Dr. Hrishikesh Baruah (Principal)
Dr. Shrabani Bhadra, Standing from left Pritom Roy, Hriday Kashyap, Chandrani Goswami, Shivnath Das

প্রীতি আৰু শুভেচ্ছাৰে.....

প্রতি,_____

_____

সম্পাদক
সম্পাদনা সমিতি

কে চি দাস কমার্চ কলেজ আলোচনী



K. C. Das Commerce College Magazine

23rd Issue : 2018-2019

Prof.-in-charge
Dr. Shrabani Bhadra

Editor
Hriday Kashyap

K. C. Das Commerce College Magazine

23rd Issue : 2018-2019

Editorial Board

Chairman	:	Dr. Hrishikesh Baruah
Prof.-In-Charge	:	Dr. Shrabani Bhadra
Editor	:	Hriday Kashyap
Member	:	Dr. Swapna Smriti Mahanta
		Mr. Sankarjoyti Choudhury
		Shivnath Das
		Chandrani Goswami
		Pritom Roy

Publisher	:	K.C. Das Commerce College Students' Union, Chatribari Guwahati - 781008
DTP	:	D. K. Graphics
Cover Designer	:	Violeena Arun Borgohain
Printed at.	:	R. R. Graphics Rajgarh Road, Bye Lane-3 House No. - 15 Guwahati - 781003

DR. HIMANTA BISWA SARMA, Ph.D., LLB
Minister, Assam

सत्यमेव जयते

Finance, Transformation & Development,
Education, Health & Family Welfare and
Public Works Department.



Message

It gives me immense pleasure to learn that K. C. Das Commerce College, Guwahati is going to publish the 23rd edition of its annual college magazine for the session 2018-19.

Writing is one of the four language skills besides reading, listening and speaking. At the same time, it is one of the most difficult yet productive skills too. Endeavour like publishing a college magazine encourages students to develop and cultivate literary test and study habits. Moreover, such activity teaches the students the value of co-operation and provides opportunity for self-expression.

I appreciate the endeavour of publishing the magazine and hope that the august publication will be richly endowed with contributions from both the students and teaching community and will make interesting reading.

(HIMANTA BISWA SARMA)

स्वच्छ भारत
एक कदम स्वच्छता की ओर

E-Block, 3rd Floor, Janata Bhawan, Dispur, Guwahati-781 006, Assam
Tel No.: 0361-2237315, Fax.: 0361-2237012
e-mail: himantab@hotmail.com/ himantabsarmaoffice@gmail.com

Bhaskarjyoti Mahanta, IPS

सत्यमेव जयते

DIRECTOR GENERAL OF POLICE
Assam
Ulubari, Guwhati-781007



MESSAGE

It is indeed a matter of pleasure that K.C. Das Commerce College is going to publish its 23rd edition College magazine for the session 2018-19.

The College magazine mirrors the different faces of development of the students in academic as well as co-curricular activities and thus it will be a very rewarding experience for the students. The publication of magazine has assumed additional significance in terms of the new initiatives and concerns of education system. I am also sure that this magazine will provide a platform to display latent literary talents of the students and staff of the college.

I convey my best wishes to the Principal, students and staff of K.C. Das Commerce College and hope that the magazine will stimulate and encourage the students to take part in future literary endeavors.

29/12/2020

(Bhaskar Jyoti Mahanta)

অৰ্পণ



কে. চি. দাস কমাৰ্চ কলেজৰ সৈতে
জড়িত প্ৰতিগৰাকী হিতৈষীৰ হাতত...

শ্রদ্ধাঞ্জলি

ন জায়তে ম্রিয়তে বা কদাচিন্
নায়ং ভূত্বা ভবিতা বা ন ভূয়ঃ।
অজো নিত্যঃ শাশ্বোতঃহয়ং পুৰানো
ন হন্যতে হন্যমানে শৰীৰে।



জন্ম ঃ
০১-০২-১৯৬৪

মৃত্যু ঃ
২৪-১১-২০১৮

Late Dr. Prabhat Chandra Kakoti

Former Head of Department, Deptt. of Accountancy
K.C. Das Commerce College



Words from the Principal

I am delighted to pen down a few thoughts of mine on coming to know that our College magazine for the academic year 2018-2019 would be released very soon. Academic results of this particular session once again proved the growing stature of K. C. Das Commerce College in the field of higher education. The highlight of the academic year 2018-2019 was definitely the results of 'Higher Secondary' where 6 students secured state ranks and 'B.Com. examination' where 355 students secured first class.

Our students excelled on other fronts too be it sports, debate, quiz etc. as participants or as a referee both at the state and national level. Our cricket team became state champion and participated in the national level Red Bulls cricket tournament at Kolkata. These facts substantiate the efforts of K. C. Das Commerce College where, apart from training students in their core sector of education, they are also exposed to various learning opportunities as well as events to showcase their talents.

A College magazine is another big window for students to showcase their interests in literary works. The role of teachers is very crucial in bringing out a good magazine. Not only do they inspire students to move ahead and test their literary skills, interested teachers also contribute articles for publication in the magazine.

A College magazine provides many facts, data and stories which can serve as supplements to the core components of their subjects. For an institution which largely deals with Commerce, Management and I.T., student articles in those sectors are expected. This issue however features many write ups on culture and tradition. Articles on Assamese culture, Ali-Ai Lrigang, Betel-Nuts (Tamul-Paan), Assamese proverbs reflect the deep bonding of writers with their own culture and tradition. An article on *'Mamather Gaaut Suror Bilae'* is quite outstanding. Highlighting environmental issues, ecology and human rights signals a progressive thought. Some articles on LGBT, feminism and transgender are thought provoking. Further, it is wonderful to see so many poets amidst the future business leaders of our society.

I do really appreciate everyone involved in bringing out this magazine.

Happy reading...

Dr. Hrishikesh Baruah

FROM THE DESK OF EDITOR



At the very beginning of our piece of writing, I convey heartiest Congratulations to all well-wishers and readers of this preface. The annual magazine has really became a beautiful mirror. I feel very proud and honoured to be the Editor of 23rd, issue of Annual Magazine of K.C Das Commerce College.

A College Magazine is itself an intitution which prepares its Contributours to actively participate in whatever is going an around them, which afftects their lives. They learn to experess themselves confidently as their experession is given rightful exposure.


I Sincerely extend my heartfelt thanks to honourable Principal, Dr.Hrishikesh Baruah, My prof. in-charge Dr. Shrabani Bhadra (HoD. Deptt of Bengali) and to my Editorial Board without whose Support and guidance it would not have been possible for me to complete this difficult task.

I would like to say that editing this magazine has been an exciting experience. I would like to say that I have given my best, I do hope you enjoy reading this magazine, which manifests the gorgeous whithin us.

I also Extend my heartfelt thanks and Congratulations to all writers of K.C. Das Commerce College have contributed their Creative talents to beautify this preface and making it a grand success.

Happy Reading!
With Regards


Hriday Kashyap
Editor



অসমীয়া শিতান

।। সূচীপত্র ।।

✍ লোক-বিশ্বাসত অসমীয়া সমাজৰ ব্রতাচাৰণ	ড° দীপক বৰ্মন	5
✍ অসমীয়া জাতীয় সংগীত	শিৱনাথ দাস	9
✍ ইংৰাজী শিক্ষাৰ প্রয়োজনীয়তা	সুমিত চৌধুৰী	11
✍ অসমীয়া সংস্কৃতিত তামোল-পাণৰ ভূমিকা	ৰিংকী বৰুৱা	12
✍ সৰ্বশিক্ষা অভিযান	ধৰিত্রী বৈশ্য	13
✍ অসমৰ ভ্রাম্যমাণ থিয়েটাৰ	সুভম বনিক	15
✍ অসমীয়া প্রবচন আৰু ফকৰা-যোজনা	চন্দ্রানী গোস্বামী	17
✍ জি এছ টি দ্রব্য আৰু সেৱা কৰ ব্যৱস্থা	মহিম মণ্ডল	19
✍ ভাৰতৰ মিছাইল মেন	ৰুচিকা পোদ্দাৰ	20
✍ উত্তৰ-পূর্বাঞ্চলৰ বসন্ত উৎসৱ	ডোনা ৰয়	21
✍ আলি আই লৃগাং	বিমান মেধি	24
✍ নাৰী মুক্তি আন্দোলন	দীপশিখা দাস	26
✍ ভাৰতীয় বেংক-ব্যৱস্থা	কাকোলি গোস্বামী	28
✍ মা, মাতৃভূমি আৰু মাতৃভাষা	ভাস্কৰ বৰুৱা	30
✍ বিস্ফোৰণৰ প্রয়োজনীয়তা	বাপন অধিকাৰী	31
✍ হোমি জাহাংগীৰ ভাবা	চন্দ্রানী গোস্বামী	34
✍ এশ এবিধ শাক	মৃত্যুঞ্জয় দুর্গ	35
✍ মামাথেৰ গাঁৱত চোৰৰ বিলে	ধৃতিমান জ্যোতি কলিতা	36
✍ আয়োজন	নিকিতা কলিতা	37
✍ দেউতাৰ বয়স হৈছে	ৰঞ্জিত পাটগিৰি	40
✍ অভিমানী সাগৰ	ৰিত্তিক দাস	40
✍ হেঁপাহ	নিয়ৰ জ্যোতি দাস	41
✍ পৃষ্ঠা	কংকনা দেৰী	41
✍ মোৰ বুকুৰ পদুলিত পৰিছেহি তোমাৰ নামত এজাক বৰষুণ	দিবাকৰ জ্যোতি গগৈ	42
✍ মা	ইব্রাহিম আহমেদ	42
✍ জীৱন এটি সংগ্রাম	স্বৰাঞ্জলী দত্ত	43
✍ বৰষুণ	শিৱনাথ দাস	43
✍ নৱদিনৰ প্রাক-মুহূর্তত	শৰণ সিং	44
✍ একপক্ষীয় প্রেম	মাধুৰিমা বৰুৱা	44



লোক-বিশ্বাসত অসমীয়া সমাজৰ ব্ৰতাচাৰণ

ড° দীপক বৰ্মন
সহযোগী অধ্যাপক আৰু মুৰব্বী,
অসমীয়া বিভাগ

প্ৰকৃতিৰ ৰূপ-ৰস গোন্ধে ভৰা অসমৰ লোক-জীৱনলৈ লক্ষ্য কৰিলে সৰল-সহজ অসমীয়া সমাজখন লোক-বিশ্বাসেৰে পৰিপূৰ্ণ হৈ থকা দেখা যায়। বিশেষকৈ অসমীয়া নাৰী সমাজত বিভিন্ন ব্ৰতাচাৰণৰ নিয়ম আদিয়ে সৰল অসমীয়া নাৰীৰ পৰিচয় দিয়ে। ব্ৰত পালনৰ পৰা নাৰী সমাজৰ প্ৰচলিত বিশ্বাস, দেৱ-দেৱীৰ প্ৰতিকাগ্ৰ ভক্তি, নিজৰ লগতে পৰিয়ালৰ আৰু সমাজৰ অপায়-অমঙ্গল দূৰ কৰাৰ বাসনা, আশা-আকাংখা, নাৰী মনৰ পৱিত্ৰতা ৰক্ষা কৰা আদিক সূচায়...

ধৰ্মীয় লোক-বিশ্বাসেৰে ভৰা অসমীয়া সমাজৰ লিখিব পঢ়িব জনা মানুহবিলাকৰ বহুতেই ভাৱে যে কিতাপত পঢ়া কবিতা, গল্প, নাটক, উপন্যাস আদিহে সাহিত্য, কিন্তু এই ধৰণৰ লিখিত সাহিত্যৰাজি থিয় হোৱা, চহা গাঁৱলীয়া মানুহৰ প্ৰতিভাৰ স্বাক্ষৰ স্বৰূপ আৰু আজি পৰ্যন্ত গাঁও অঞ্চলত মুখে মুখে চলি থকা গীত, মালিতা, সাধুকথা, ফকৰা, সাথৰ আদি লোক-সাহিত্যিক সাহিত্য বুলি বহুতেই নাভাৱে। এই ভাৱধাৰাওঁ কুসংস্কাৰৰ দৰেই। জন-সাহিত্য হেৰোৱাৰ অৰ্থ আমি নিজৰে ভৰিৰ তলৰ মাটি হেৰোৱা। জন-সাহিত্যই আমাৰ লিখিত সাহিত্যিক আগবঢ়াই নিয়াৰ থল, শক্তি, সাহস আৰু প্ৰেৰণা বহন কৰে। অসমীয়া জন-সাহিত্য আৰু লিখিত সাহিত্যৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য-লিখিত সাহিত্যৰ জন্মনীড় হ'ল জন-সাহিত্য। সেয়ে হ'লেও ইয়াতে আমি লোক-সাহিত্যৰ এটা অঙ্গ সাধুকথাৰ বিষয়েহে অলপ কথা ক'বলৈ ওলাইছো।

সাধুকথাবোৰৰ উৎপত্তিৰ থল আদিম সমাজখন যেন লাগে। জঙ্গল-বনে চিকাৰ কৰি ফুৰোঁতে বিভিন্ন সমস্যাৰ মুখামুখী হোৱা, বিপদ-বিঘিনি অতিক্ৰম কৰা আৰু কেতিয়াবা আমোদ-প্ৰমোদৰ ঘটনাক নানা অঙ্গী-

ভঙ্গীৰে এটা দলৰ মাজত ব্যাখ্যা কৰোঁতেই সাধুকথাৰ জন্ম হোৱা বুলি অনুমান কৰিব পাৰি। এনে প্ৰভাৱতে হয়তো আজিও বহুজন সাধুকথাৰ কথাকে কাহিনী বুজাবৰ বাবে অঙ্গী-ভঙ্গীৰ সহায় লয়। সাধুকথাৰ পোনপটীয়া অৰ্থতকৈ প্ৰতীকাত্মক অৰ্থৰ প্ৰাধান্যহে অধিক। এইবিধ লোক সাহিত্যই চহা মনৰ চিন্তা-ভাৱনা, আশা-আকাংক্ষা, হা-হুমুনিয়াহ, স্বাৰ্থপৰতা, সংস্কাৰ-কুসংস্কাৰ, অন্যায়-অবিচাৰ, প্ৰেম-ভালপোৱা আৰু বিভিন্ন ভাৱ-অনুভূতি আদি প্ৰকাশ কৰে।

প্ৰাচ্য আৰু পাশ্চাত্যৰ বহু পণ্ডিতে সাধুকথাৰ বিষয়ে গুৰুত্বপূৰ্ণ আলোচনা আগবঢ়াইছে। এই আলোচনাবোৰলৈ দৃষ্টি নিক্ষেপ কৰিলে সাধুকথাবোৰক বিভিন্ন ভাগত বিভক্ত কৰিব পাৰি। ইয়াত সাধুকথাবোৰৰ আন আন ভাগবোৰৰ অপ্ৰয়োজনীয় উল্লেখ নকৰি মাত্ৰ পূজা-পাৰ্বণ বা দেৱ-দেৱী সম্বন্ধীয় অলৌকিক কাহিনীসমূহ জড়িত হ'লেই ইংৰাজীত মিথ (Myth) বোলা পু�ৰাণ সাধুকথা বা ধৰ্ম সম্বন্ধীয় সাধুকথাৰ ভাগটোহে উল্লেখ কৰিলোঁ।এনে সাধুকথাৰ কাহিনীত অলৌকিকতাক প্ৰশ্ৰয় দি কৰা পূজা-পাতলৰ ব্যাখ্যা বা দেৱ-দেৱীৰ কাহিনীৰ বিৱৰণ, পাপ-পূণ্যৰ বিচাৰ আদি বৰ্ণিত হয় আৰু সেইমতে যেন মানৱে সুখ-দুখ ভোগ কৰে। অসমীয়া লোক-সমাজত প্ৰচলিত সুবচনীৰ সাধুকথা কেইটাও পু�ৰাণ বা ধৰ্ম সম্বন্ধীয় সাধুকথাৰ ভিতৰুৱা।

সুবচনীৰ পূজাত মুঠ চাৰিটা সাধুকথা কোৱা নিয়ম আছে। মনত গভীৰ প্ৰভাব বিস্তাৰ কৰিব পৰা এই সাধুকথা চাৰিটাই দেৱ-দেৱীৰ প্ৰতি ভক্তি ভাৱৰ উদ্ৰেক কৰি ভক্তপ্ৰাণা নাৰী-সমাজত সুদূৰ প্ৰসাৰী ভূমিকা গ্ৰহণ কৰি আহিছে। ইয়াৰ প্ৰথমটো সাধুকথাত চণ্ডীৰ জন্ম আৰু চণ্ডীৰ দুই পুত্ৰ (আক্লে-শুক্লে)ৰ জন্ম বৃত্তান্তৰ লগতে আদিত্যই চণ্ডী আৰু আক্লে-শুক্লেক দেখা দি চণ্ডীৰ দুই পুত্ৰক উপদেশ দি অন্তৰ্ধান হোৱাৰ কথা আছে।

দ্বিতীয় সাধুকথাটো চণ্ডীৰ মাহাত্ম্য প্ৰকাশক। মৰ্ত্যত চণ্ডীৰ পূজাৰ প্ৰচলন, চণ্ডী পূজাৰ দ্বাৰা অসাধ্য সাধন, কাটি দুছোৱা কৰা মানুহেও চণ্ডীৰ কৃপাত জীৱন পোৱা ইত্যাদি বৰ্ণনা পোৱা যায়।

তৃতীয় সাধুকথাটোত আক্লে-শুক্লে নামৰ চৰিত্ৰ দুটিৰ মাহাত্ম্য প্ৰকাশ কৰা হৈছে। আক্লে-শুক্লেৰ আশীৰ্বাদত বুঢ়া-বুঢ়ী এহালৰ মাজলৈ নামি আহিছে সুখ-স্বাচ্ছন্দ্য।

চতুৰ্থ সাধুকথাটোৰ নাম ধনপতি আৰু লাখপতি। এই সাধুকথাটোৰ আক্লে আৰু শুক্লেৰ চৰিত্ৰ দুটিৰ মাহাত্ম্য প্ৰকাশ আৰু নৰবলি সহিত পূজা খোৱাৰ বাবে আগবঢ়া, চণ্ডী বা সুবচনীয়ে আক্লে-শুক্লেৰ এনে পূজা মৰ্ত্যত চিৰকালৰ বাবে বন্ধ কৰি দিয়াৰ বিৱৰণ পোৱা যায়।

প্ৰকৃতিৰ ৰূপ-ৰস গোন্ধে ভৰা অসমৰ লোক-জীৱনলৈ লক্ষ্য কৰিলে সৰল-সহজ অসমীয়া সমাজখন লোক-বিশ্বাসেৰে পৰিপূৰ্ণ হৈ থকা দেখা যায়। বিশেষকৈ অসমীয়া নাৰী সমাজত বিভিন্ন ব্ৰতাচাৰণৰ নিয়ম আদিয়ে সৰল অসমীয়া নাৰীৰ পৰিচয় দিয়ে। ব্ৰত পালনৰ পৰা নাৰী সমাজৰ প্ৰচলিত বিশ্বাস, দেৱ-দেৱীৰ

অসমীয়া নাৰী সমাজত ব্ৰতৰ প্ৰচলন আছে যদিও বঙালী নাৰী সমাজত প্ৰচলিত ব্ৰতৰ সংখ্যাতকৈ কম, তথাপিও অসমীয়া মহিলাসকলে লক্ষ্মীপূজাৰ ব্ৰত, যাথ-ব্ৰত, সুবচনী ব্ৰত, সত্যনাৰায়ণ ব্ৰত, গণেশ পূজাৰ ব্ৰত, সাবিত্ৰী-ব্ৰত, জন্মাষ্টমী ব্ৰত, শিৱৰাত্ৰি ব্ৰত, একাদশী ব্ৰত, পূৰ্ণিমা ব্ৰত, অমাৱস্যা-ব্ৰত, শিৱ-ব্ৰত, দুৰ্গাপূজাৰ ব্ৰত, কালি পূজাৰ ব্ৰত, মনসাৰ-ব্ৰত, সৰস্বতীৰ-ব্ৰত, সোমবাৰৰ ব্ৰত, মঙ্গলবাৰৰ ব্ৰত, বৃহস্পতিবাৰৰ ব্ৰত, শনিবাৰৰ ব্ৰত, চৰাই-ব্ৰত, গৰখীয়া সেৱা ব্ৰত আদি পালন কৰে...

প্রতির্কাগ্র ভক্তি, নিজৰ লগতে পৰিয়ালৰ আৰু সমাজৰ অপায়-অমঙ্গল দূৰ কৰাৰ বাসনা, আশা-আকাংখা, নাৰী মনৰ পৱিত্রতা ৰক্ষা কৰা আদিক সূচায়। অসমীয়া নাৰীৰ তুলনাত বঙালী নাৰী ব্রতৰ সংখ্যা অধিক। আশুতোষ মজুমদাৰৰ 'মেয়েদেৰ ব্রত কথা'ত লক্ষ্মী, ষষ্ঠী, চণ্ডী, কুমাৰী-ব্রত, সাধৱা-ব্রত, জিতাষ্ঠমী, মনসা-ব্রত প্রভৃতি বহুবিধ প্রয়োজনীয় ব্রতৰ উল্লেখ কৱিছে। মজুমদাৰে পুথিখনত ওপৰোক্ত ব্রতবোৰক বহু ভাগত বিভক্ত কৰি দেখুৱাইছে, সেই ভাগবোৰ এনেধৰণৰ, লক্ষ্মীৰ ব্রত, ভাদ্র মাসেৰ লক্ষ্মী পূজাৰ কথা, কোজাগৰী লক্ষ্মী, পূজাৰ কথা, কার্ত্তিক মাসেৰ লক্ষ্মী, ক্ষেত্র-ব্রতেৰ কথা, পৌষ মাসেৰ লক্ষ্মী পূজাৰ কথা, চৈত্র্য মাসেৰ লক্ষ্মী পূজাৰ কথা। ষষ্ঠী-অৰণ্য ষষ্ঠী, লোটন ষষ্ঠী, চাপড়া ষষ্ঠী, দুর্গা ষষ্ঠী, মূল ষষ্ঠী, পাটাই ষষ্ঠী, শীতল ষষ্ঠী, অশোক ষষ্ঠী, নীল ষষ্ঠী। চণ্ডী-বাৰমাসে মঙ্গল চণ্ডী, হৱিমঙ্গল চণ্ডী, জয় মঙ্গল চণ্ডী, কুলুই মঙ্গল চণ্ডী। সংকট মঙ্গলবাৰেৰ কথা, সংকট মণ্ডল চণ্ডী, মঙ্গল সংক্রান্তি, সুয়ো দুয়োৰ ব্রত, নাটাই চণ্ডী। কুমাৰী ব্রত, শিৱ ব্রত, পুণ্যি পুকুৰ, দশ পুত্তল, হৱিৰ চৰণ, অশ্বত্থ পাতা, গোকুল ব্রত, পৃথিৱী ব্রত, সমপুকুৰ ব্রত, ঐব্রত কথা, সেজুতি ব্রত, তুষ-তুষলীব্রত। সধবা ব্রত-এয়ো সংক্রান্তি, ফল গছানো, গুপ্তধন, মধু সংক্রান্তি, নিত্য-সিঁদুৰ, নিৎ-সিঁদুৰ, সন্ধ্যামণি, কলা ছড়া, ষোল কলা, আদা-হলুদ, ৰূপ হলুদ, অক্ষয় ঘট, অক্ষয় কুমাৰী, অক্ষয় সিদুঁৰ, অক্ষয় ফল, আদৰ সিংহাসন, সৌভাগ্য চতুর্থী ইয়াৰ উপৰিও বিবিধ খণ্ডত থকা ব্রতবোৰ এনেকুৱা ৰালি দুর্গা, মৌনী অমাৱশ্য, জিতাষ্টমী, বাৰমাসে অমাৱশ্যা, মনসাৰ ব্রত, ইতুৰ ব্রত, শিৱৰাত্রি ব্রত, বিপত্তাৰিণী ব্রত।

অসমীয়া নাৰী সমাজত ব্রতৰ প্রচলন আছে যদিও বঙালী নাৰী সমাজত প্রচলিত ব্রতৰ সংখ্যাতকৈ কম, তথাপিও অসমীয়া মহিলাসকলে লক্ষ্মীপূজাৰ ব্রত, যাথ-ব্রত, সুবচনী ব্রত, সত্যনাৰায়ণ ব্রত, গণেশ পূজাৰ ব্রত, সাবিত্রী-ব্রত, জন্মাষ্টমী ব্রত, শিৱৰাত্রি ব্রত, একাদশী ব্রত, পূর্ণিমা ব্রত, অমাৱস্যা-ব্রত, শিৱ-ব্রত, দুর্গাপূজাৰ ব্রত, কালি পূজাৰ ব্রত, মনসাৰ-ব্রত, সৰস্বতীৰ-ব্রত, সোমবাৰৰ ব্রত, মঙ্গলবাৰৰ ব্রত, বৃহস্পতিবাৰৰ ব্রত, শনিবাৰৰ ব্রত, চৰাই-ব্রত, গৰখীয়া সেৱা ব্রত আদি পালন কৰে।

লোক বিশ্বাসত মন প্রাণ ঢালি দি অসমীয়া নাৰীয়ে পালন কৰা এনে এবিধ ব্রত হ'ল সুবচনী ব্রত। সুবচনী ব্রতটোক বিভিন্ন নামেৰে জনা যায়— সুভাসিনী ব্রত, শুভচণ্ডী বা শুভাচণ্ডী ব্রত, বিপত্তাৰিণী ব্রত আদি। এইবিধ ব্রত পালন কৰিলে মানুহৰ বিপদৰ উপশম ঘটে, বিভিন্ন সমস্যা মষিমূৰ হয়, নানা দুখ-যাতনাৰ পৰা নিস্তাৰ পায় আৰু সেই বাবে এই পূজাৰ আন নাম নিস্তাৰিনী ব্রত। এই ব্রতত পূজা এভাগৰো প্রচলন আছে বাবে এই ব্রত সুবচনী পূজা বুলিও বহুতে কয়।

ব্রত শব্দটোৰ অভিধানিক অর্থ হ'ল পুণ্যৰ কাৰণে উপাসনা, ভোজন, পান, স্ত্রী সঙ্গ আৰু তামোল আদি এৰি উপাসনা, কোনো কার্য কৰিবলৈ বা কোনো অৱস্থাত থাকিবলৈ কৰা দৃঢ় সঙ্কল্প। পূজা শব্দৰ অর্থ হ'ল সন্মান, অর্চনা, উপাসনা। গতিকে দেখা যায় কোনো দেৱ-দেৱীক পূজা কৰা নিমিত্তে পূজাৰ বহু সময় (কেতিয়াবা এদিন বা কেইবাদিন) আগৰ পৰা ব্রত পালন কৰে। কেতিয়াবা দেৱ-দেৱীৰ প্রতি ভক্তি গাঢ় কৰাৰ উদ্দেশ্যও ব্রত পালন কৰে, আকৌ আগত পূজা নাথাকিলেও কিছুমান ফল লাভৰ বাবে কেতিয়াবা

কেতিয়াবা ব্ৰত আচৰণ কৰে। সেয়ে হ'লেও অসমীয়া মহিলাসকলে সুবচনী ব্ৰতৰ ক্ষেত্ৰখনত ব্ৰত আৰু পূজাৰ মাজত বিশেষ পাৰ্থক্য নাৰাখে যেন লাগে। কাৰণ সুবচনীৰ ব্ৰত বুলি ক'লে যেনেদৰে পূজাকো আগুৰে, সুবচনী পূজা বুলিলে তেনেকৈ ব্ৰতকো সামৰে।

সুবচনী পূজাৰ কেনেকৈ প্ৰচলন হ'ল তাৰ আভাস এই পুথিৰ অন্তৰ্গত দ্বিতীয় সাধুকথাটিত পোৱা যায়। সুবচনী পূজা প্ৰধানকৈ মহিলা সমাজৰ পূজা। এই পূজাৰ পূজাৰী হয় কোনোবা এজনী বিধৱা বামুণীহে। অৱশ্যে পুৰুষ পূজাৰীয়েও সুবচনী পূজাত পূজাৰী হোৱা দেখা যায়। বিভিন্ন জাতিৰ মানুহে এই পূজা পাতিব পাৰে।

সুবচনী ব্ৰত বা পূজাৰ আৰাধ্যা দেৱী হ'ল চণ্ডী। পশ্চিম বঙ্গৰ নাৰী সমাজৰ মাজতো সুবচনী পূজাৰ বহুল প্ৰচলন আছে। দুয়ো ৰাজ্যত চলা এই পূজাৰ ক্ষেত্ৰ দুখনত অলপ পাৰ্থক্যও নথকা নহয়। বঙ্গতো নাৰীসকলহে এই পূজা কৰা দেখা যায়। অৱশ্যে বঙ্গত এই পূজাৰ সময়ত গৃহস্থই কেইজনীমান অকুমাৰী ছোৱালী নিমন্ত্ৰণ কৰি আনি খুৱাই-বুৱাই সন্তুষ্ট কৰাৰ নিয়ম আছে। অসমত সেই নিয়ম দেখা নাযায়। দুয়োটা সম্প্ৰদায়ৰ পূজাত দিয়া নৈবেদ্যৰ ক্ষেত্ৰতো পাৰ্থক্য আছে। বঙ্গৰ পূজাত নৈবেদ্য হিচাপে বহু বিধৰ ফল দিয়া হয়। অসমত মাহ-প্ৰসাদৰ লগত দুই এবিধ ফলহে দিয়ে। অৱশ্যে কোনো কোনোৰ মতে এই পূজাত সাতবিধ ফল দেৱীলৈ আগবঢ়াব লাগে।

সুবচনী ব্ৰত পালন কৰিলে মানুহৰ অপায়-অমঙ্গল দূৰ হয়। ঘৰত শান্তি বিৰাজ কৰে, মন পৱিত্ৰ হয়, নিৰ্ধনীয়ে ধন লাভ কৰে, অপুত্ৰকে পুত্ৰ লাভ কৰে বুলি বিশ্বাস প্ৰচলিত। পূজাত আদিত্যৰ নামত মাহ-প্ৰসাদ এখন আগলতী কলপাততে দিয়া হয়। সেই পাতখন পূজাৰ শেষত ব্ৰতনীজনীয়ে কোচত ভৰাই ঘৰলৈ নিয়াৰ প্ৰথা আছে। সেই কলপাতখনত ব্ৰতনীজনীয়ে গাখীৰ কলেৰে ভাত খাই আৰু তেওঁ যি আশা কৰে সুবচনী দেৱীয়ে সেই আশাই পূৰ্ণ কৰে বুলি বিশ্বাস কৰা হয়। সুবচনী ব্ৰতত কোৱা সাধুকথাত উল্লেখ আছে যে বামুন-বামুণীয়ে এই পূজা কৰি অতি শোচনীয় অৱস্থাৰ পৰা আড়ম্বৰপূৰ্ণ অৱস্থালৈ ঘূৰি আহিছিল। আকৌ হাড়ীৰ পুত্ৰক ৰজাৰ আদেশত কটোৱালে দুছোৱা কৰিলে, কিন্তু হাড়ীৰ ঘৈণীয়েকে সুবচনী পূজা কৰাত দেৱী সন্তুষ্ট হ'ল আৰু দেৱীৰ কৃপাত ল'ৰাকেইটাই পুনৰ জীৱন পালে। এয়াই হ'ল সুবচনী দেৱীৰ মাহাত্ম্য।

বৰ্ষায় ব'হাগ

চ'তৰ সংক্ৰান্তিৰ দিনা গৰু বিহু। গৰু বিহুৰ পৰা সাদিনজুৰি সাত বিহু— গৰু বিহু, মানুহ বিহু, হাত বিহু, চেনেহী বিহু, মাইকী বিহু, ৰঙালী বিহু, ছেৱা বিহু। কোনোৱে বিশেষকৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে এদিন গোসাঁই বিহু পাতে। এয়া বহু দিনৰ আগৰ কথা। একালত বড়ো-কছাৰীসকলৰ মাজতো মাগৌ-গৰু বিহু, মানসই দোমাহী মানুহ বিহু, সাইমা কুকুৰ বিহু, অমা-গাহৰি বিহু, দাউনী-কুকুৰা বিহু, হাঁহ-পাৰ বিহু, মিতিৰ-কুটুম্বৰ বিহু অৰ্থাৎ প্ৰতিটো দিন পোহনীয়া জীৱ-জন্তুবিলাকৰ নামত উৎসৰ্গা কৰা হৈছিল। এনেকৈ পৰ্বতীয়া জনজাতিসকলৰ মাজতো কৃষি উৎসৱৰ সময়ত বিভিন্ন দিনত বিভিন্ন গৃহস্থালি বস্তুৰ নামত উৎসৱৰ আয়োজন কৰা দেখা যায়। দেউৰী, লালুং, ৰাভা, গাৰো জনজাতিয়েও বিহু পালন কৰে। গৰু বিহু পাতিলেও নিজৰ নিজৰ ঐতিহ্য আৰু পৰম্পৰাৰ ভেটিতহে এই বিহু অনুষ্ঠিত হয়। বাথৌ, শিৱৰাই, মহাদেউ, বাঘৰাজা, কুবেৰ, কুণ্ডীমামা, বুঢ়া-বুঢ়ী আদিক স্মৰণ কৰিহে বিহুৰ পাতনি মেলে। লালুং আৰু দেউৰীসকলে ঠিক চ'তৰ সংক্ৰান্তিৰ দিনাই বিহু আৰম্ভ নকৰে, বিহুৰ পিছৰ বুধবাৰৰ পৰাহে আৰম্ভ কৰে। কাৰণ তেওঁবিলাকৰ বাবে বুধবাৰে সবাতোকৈ পবিত্ৰ বাৰ। মঙলে উৰুকা, বুধে গৰু ধুৱায়।

অসমীয়া জাতীয় সংগীত

শিৱনাথ দাস
পঞ্চম ষান্মাষিক



অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণী দেশ।
এনেখন সুৱলা, এনেখন সুফলা
এনেখন মৰমৰ দেশ।
অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদি মাত।
পৃথিৱীৰ ক'তো বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।
অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ তোমাৰ মুখনি এবাৰ
হেঁপাহ মোৰ পলোৱা নাই।

ভূমিকা ঃ

জাতীয় সংগীত এটা জাতিৰ সাম্য, ঐক্য আৰু জাতীয় ভাতৃত্ববোধৰ প্রতীক। জাতীয় সংগীতে এটা পূৰঠ জাতিৰ পৰিচয় বহন কৰে। অসমৰ জাতীয় সংগীতটোৱেও বৃহত্তৰ অসমীয়া জাতিক অনুপ্রাণিত কৰি আহিছে।

'মোৰ দেশ'ৰ পৰা অর্থ আপোনাৰ দেশলৈ

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা 'অ' মোৰ আপোনাৰ দেশ' গীতটো 'মোৰ দেশ' নামেৰে ১৯০৯ চনৰ 'বাঁহী' আলোচনীত প্রথম প্রকাশ হয়। ১৯২৭ চনৰ অক্টোবৰ মাহত তেজপুৰত দেশভক্ত তৰুণৰাম ফুকনৰ পৌৰহিত্যত অনুষ্ঠিত অসম ছাত্র সন্মিলনৰ বার্ষিক অধিৱেশনত গীতটো অসমৰ জাতীয় সংগীতৰূপে গ্রহণ কৰা হয়। গীতটো বেজবৰুৱাৰ কদম 'কদমকলি' (১৯৩০) নামৰ গ্রন্থখনিত সন্নিৱিষ্ট হৈছে। প্রথম অৱস্থাত 'মোৰ দেশ' নামৰ গীতটি ইংৰাজী সুৰত পৰিৱেশন কৰিব পৰাকৈ চাৰিটা স্তৱকত লিখা হৈছিল যদিও গীতটিৰ সুৰবিন্যাস কৰি সুৰত সজাবলৈ যাওঁতে ৰচক বেজবৰুৱাৰ অনুমতি সাপেক্ষে শেষৰ পাঁচটা শাৰী, অর্থাৎ,

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ সুকীয়া দেশ
ৰা তা তা, ৰা তা তা
তা তা তা, ৰা তা তা
ৰা তা তা, মৰমৰ দেশ।

— অংশছোৱা জাতীয় সংগীতটিৰ পৰা বাদ দিয়া হয়। গীতটিৰ স্বকীয় বৈশিষ্ট্য, গভীৰ জাতীয় প্রেম তথা স্বদেশ প্রেম আৰু জাতীয় পর্যায়ত সর্বজনৰ মনোগ্রাহী হ'ব

পৰা গুণসম্পন্ন হোৱা বাবে বিভিন্ন সময়ত ভালে কেইটা সংগীতজ্ঞ সুৰকাৰৰ দৃষ্টি আকর্ষিত হৈ একাধিক সৰকাৰে সুৰা-ৰোপিত কৰি গীতটিক জাতীয় জাতীয় সংগীতৰ স্বীকৃতি পাব পৰা গীতৰূপে উপস্থাপন কৰে। গীতটিৰ ভাবার্থই, অসম মাতৃক প্রতিনিধিত্ব কৰিব পৰা গুণৰ অধিকাৰী ৰূপে বিবেচিত হৈ গীতটিয়ে অসমৰ জাতীয় সংগীতৰূপে স্বীকৃতি লাভ কৰে। তেতিয়াৰে পৰা গীতটিয়ে পূর্বৰ পৰিচয় 'মোৰ দেশ'ৰ ঠাইত 'অ' মোৰ আপোনাৰ দেশ' ৰূপে পৰিচিত হৈ প্রসাৰ লাভ কৰে।

'মোৰ দেশ'ক জাতীয় সংগীতৰূপে গ্রহণ কৰাৰ পাছত বেজবৰুৱাই মনে বিচৰা এই ৰাজহুৱা সিদ্ধান্তক 'বাঁহী'ৰ ১৮৫১ শকৰ আহাৰ মাহৰ সংখ্যাত এনেদৰে স্বাগতম্ জনাইছিল, 'মোৰ ৰচিত এই গীতটি, অর্থাৎ জাতীয় সংগীতৰূপে ৰাজৰাজেশ্বৰ হোৱা দেখি অৱশ্যে মোৰ আনন্দ যে কুলাই পাচিয়ে নধৰা হৈছে তাক নকলেও হ'ব।'

'মোৰ দেশ' গীতটোৰ প্রথমটো পাঠ প্রকাশৰ সময়ত তলত লেখকৰূপে 'শ্রীকৃপাবৰ' নামটো দিয়া হৈছিল। 'বাঁহী'ৰ সংশ্লিষ্ট সংখ্যাত (মে-জুন, ১৯০৯) 'কৃপাবৰ বৰুৱাৰ সামৰণি' শীর্ষক শিৰোনামেৰে প্রকাশিত ব্যগ ৰচনাখনত তিনিটা অংশ আছিল। যথাক্রমে — (১) 'বিদ্যাৰ বিচনী' শীর্ষক কার্টুন, (২) 'চন্দ্রা-ৰাধাৰ নন্দ শীর্ষক কৌতুক গীত আৰু (৩) 'মোৰ দেশ' শীর্ষক ব্যংগ গীতটো। উল্লিখিত দুয়োটা গীতকেই বেজবৰুৱাই 'কদমকলি'ত একেটা ক্রমতে সংকলিত কৰিছে। মন কৰিবলগীয়া যে, লেখক কৃপাবৰে 'মোৰ দেশ' বুলি অসমৰ কথা ক'বলৈ গৈ 'ইংৰাজী সুৰৰ প্রসংগ অৱতাৰণা কৰা আৰু শেষত 'ৰা তা তা' শীর্ষক লঘু আলাপ সংযোগ কৰাৰ জৰিয়তে এইটো যে তেখেতৰ স্বকীয় ব্যংগাত্মক শৈলীৰেই ৰচনা আছিল, সেয়া নিশ্চিত। উল্লেখযোগ্য, 'অ' মোৰ আপোনাৰ দেশ'টো ইতিমধ্যে ইংৰাজী, বাংলা, বড়ো, হিন্দী আদি ডেৰকুৰিতকৈও অধিক ভাষালৈ অনুবাদ কৰি পৰিৱেশন কৰা হৈছে।

'পাঠ' হিচাপে গীত এটিয়ে পাঠকক যিমান আনন্দ প্রদান তুলিব পাৰে, তাতকৈ বেছি আনন্দ প্রদান অথবা অনুভৱী কৰি তুলিব পাৰে তেতিয়া যেতিয়া গীত এটি এক বিশিষ্ট সুৰত পৰিৱেশন কৰা হয়। এই বিচাৰত 'অ' মোৰ আপোনাৰ দেশ' গীতটোৱে নিজ দেশক ভাল পোৱা যিকোনো লোকৰ মনত অনুৰণন তুলিব পাৰে। অন্তৰৰ গভীৰ দেশ প্রেম আৰু মাতৃভাষাক ভালপোৱাৰ। আন্তৰিক অনুভৱৰ তাগিদাতে বোধহয় সাহিত্যৰথীৰ কলমৰ পৰা নিগৰি আহিছিল এই গীতটি। গীতটোৰ সুৰ অতি সুৰুচিপূর্ণভাৱে ৰচিত। অতি সৰল ৰৈখিক সুৰবিন্যাসেৰ অসমৰ জাতীয় সংগীতটিত যি সুৰ মূর্ত হৈছে, সেই সুৰত যেন নদীৰ সিপাৰৰ সুৰৰো ব্যঞ্জনা আছে। ই যেন বিশ্ববাসীৰ অন্তৰতো গুঞ্জন তুলিব খোজে।

২০১৩ চনৰ নৱেম্বৰ মাহত এই গীত সন্দর্ভত এক বিতর্কৰ সৃষ্টি হয়। তথ্য জনা অধিকাৰ আইনৰ অধীনত গোলাঘাটৰ অৰূপ বল্লভ গোস্বামী নামৰ এজন ব্যক্তিয়ে জনোৱা আবেদনৰ ডিঙিত এই তথ্য পোহৰলৈ আহে যে 'অ' মোৰ আপোনাৰ দেশ'ক চৰকাৰীভাৱে জাতীয় সংগীতৰ মর্যাদা প্রদান কৰা হোৱা নাছিল। এই তথ্য প্রকাশ হোৱাৰ পিছত অসম চৰকাৰে ই গীতটিক চৰকাৰীভাৱে 'ৰাজ্যিক সংগীত'ৰ মর্যাদা দিবলৈ কার্যব্যৱস্থা গ্রহণ কৰে। ২০১০ চনৰ ১৫ ডিচেম্বৰত অনুষ্ঠিত অসম চৰকাৰৰ এখন কেবিনেট বৈঠকে 'অ' মোৰ আপোনাৰ দেশ'ক আনুষ্ঠানিকভাৱে অসমৰ জাতীয় সংগীতৰ মর্যাদা প্রদান কৰে।

'অ' মোৰ আপোনাৰ দেশ'ত অন্তর্নিহিত হৈ থকা শক্তিশালী 'আবেগৰ প্রবাহটোৱে যিকোনো লোককে আলোড়িত কৰি যায়। সেই সময়ৰ 'দেশ-জাতি-ভাষা'ৰ নামত মিছাকৈয়ে চিঞৰ-বাখৰ কৰি থকা জাতীয় ঐতিহ্য আৰু পৰম্পৰাৰ ঠাইত সততে বিদেশী সংস্কৃতি তথা পৰাম্পৰাৰ মুখাপেক্ষী হৈ থকা, আত্মবিশ্বাসহীন এচাম অসমীয়াৰ আবেগক সমালোচনা কৰিয়েই গীতটো ৰচনা কৰিলেও ইয়াৰ মাজেদি বেজবৰুৱাৰ সংস্কাৰকামী দৃষ্টিভংগী প্রকাশ হৈছে। কুৰি শতিকাৰ প্রথম দশকত ঔপনিবেশিক শাসনাধীন অসমত অসমীয়াৰ স্বাধীনতাৰ আকাংক্ষাই যিদৰে অন্তঃসলিলা ফল্গুৰ দৰে প্রবাহিত হৈ আছিল সেয়া দেশপ্রেমৰ ৰূপত 'অ' মোৰ আপোনাৰ দেশ'ত পাৰ ভাঙি আহিছে।

বেজবৰুৱাই আজিৰ পৰা এশ বছৰ পূর্বে ৰচনা কৰা এই গীতটিৰ মাজেদি প্রবাহিত হোৱা আবেগিক গুৰুত্ব এতিয়াও সমানে প্রাসংগিক হৈ আছে। এনে পৰিপ্রেক্ষিতত আমি আন্তৰিক উপলব্ধি আৰু জাতীয় ঐতিহ্যক তথা পৰম্পৰাৰ সৈতে নিবিড়ভাৱে জড়িত হৈ যেন গৌৰৱেৰে ক'ব পাৰো।

অ' মোৰ আপোনাৰ দেশ।
অ' মোৰ চিকুণী দেশ।।
এনেখন শুৱলা, এনেখন সুফলা
এনেখন মৰমৰ দেশ।

ইংৰাজী শিক্ষাৰ প্ৰয়োজনীয়তা

সুমিত চৌধুৰী
বি.কম প্ৰথম ষান্মষিক

ইংৰাজী ভাষাটোক পৃথিৱীৰ অন্যতম সমৃদ্ধিশালী ভাষাৰ ভিতৰত ধৰা হয়। পৃথিৱীৰ প্ৰায় ৩০ কোটি মানুহে ইংৰাজী ভাষাৰ ব্যৱহাৰ কৰে। ভাৰততো ইংৰাজী ভাষাই ৰাষ্ট্ৰীয় ভাষাৰ সমানেই গুৰুত্ব পায়। আমেৰিকা, ৰাছিয়া, ইংলেণ্ড, জাপানৰ দৰে দেশত ইংৰাজী শিক্ষাই পৰিগ্ৰহ কৰিছে বৃহৎ ৰূপ।


১৯৩৫ চনৰ পৰা ভাৰতত ইংৰাজী শিক্ষাৰ প্ৰচলন কৰা হয়। প্ৰথম অৱস্থাত ভাৰতত ইংৰাজী শিক্ষাৰ প্ৰচলনৰ আঁৰত আছিল ইংৰাজৰ স্বাৰ্থ। ইংৰাজে ভাৰতত শাসন চলাবৰ বাবে সকলো কৰ্মচাৰী ইংলেণ্ডৰ পৰা অনাতো সম্ভৱ নাছিল, গতিকে ভাৰততে ইয়াৰ ব্যৱস্থা কৰিবলগীয়াত পৰিছিল। তেওঁলোকক প্ৰয়োজন হৈছিল এচাম শিক্ষিত আৰু ইংৰাজী জনা কেৰাণী মহৰীৰ। তেওঁলোকৰ বাবেই ভাৰতত ইংৰাজী শিক্ষাৰ প্ৰয়োজনীয়তা আৱশ্যম্ভাৱী হৈ পৰিল। কিন্তু ইংৰাজী শিক্ষাৰ প্ৰচলন কৰাৰ পৰা আমাৰহে লাভ হ'ল। জৱাহৰলাল নেহৰু, ৰাজা ৰামমোহন ৰায়, ড সৰ্বপল্লী ৰাধাকৃষ্ণণ আদিয়ে ইংৰাজী ভাষাৰ পৃষ্ঠপোষকতা কৰিছিল। ভাৰতীয়সকলে বুজি পাইছিল ইংৰাজ জাতিটো আমাৰ বাবে অপকাৰী হ'লেও ভাষাটো আমাৰ বাবে বৰ উপকাৰী। আব্ৰাহাম লিংকন, কাৰ্লাইল আদি বৰেণ্য ব্যক্তিসকলৰ পৰাও ভাৰতীয়সকলে বুজি পাইছিল যে ব্ৰিটিছ অপকাৰী হ'লেও ইংৰাজী ভাষা শিকাটো অপকাৰী নহয়। কালক্ৰমত যেতিয়া গোটেই পৃথিৱীত ইংৰাজী ভাষাটোৱে আন্তঃৰাষ্ট্ৰীয় ভাষাৰূপে স্বীকৃতি পালে তেতিয়া ভাৰততো ইংৰাজী শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ আৰম্ভ হ'ল।

আজিকালি পৃথিৱীৰ সৰ্বত্ৰ ইংৰাজী ভাষাৰে ৰাজত্ব চলিছে। শিক্ষাৰ মাধ্যম হিচাপে যদিও সকলো ঠাইতে মাতৃভাষাৰ ব্যৱহাৰ হয়, তথাপি ইংৰাজী শিক্ষা আহৰণ কৰাটো অপৰিহাৰ্য হৈ পৰিছে। ইংৰাজে আমাৰ দেশ এৰি গ'লেও আমাক দি গ'ল ইংৰাজীৰ দৰে এটা সমৃদ্ধিশালী ভাষা। তাত্ত্বিক আৰু ব্যৱহাৰিক দিশত আজিৰ পৃথিৱীত স-সন্মানে বাচি থাকিবলৈ ইংৰাজী জনাটো প্ৰয়োজন হৈ পৰিছে। উচ্চ শিক্ষা, কাৰিকৰী শিক্ষা, বৃত্তিমূলক শিক্ষা, বৃত্তিমূলক যিকোনো বিষয়তে ইংৰাজী শিক্ষাৰ জ্ঞান থাকিলে অগ্ৰাধিকাৰ পোৱাৰ নিশ্চয়তা থাকে। ইংৰাজী ভালদৰে শিকাজনে আন একো নকৰাকৈও 'খাই' থাকিব পাৰে। সেইবাবেও আজিকালি ইংৰাজী শিক্ষাৰ গুৰুত্ব বৃদ্ধি পাই আহিছে। আমাৰ ৰাজ্যৰ ল'ৰা-ছোৱালীয়েও আন ৰাজ্যৰ ল'ৰা-ছোৱালীৰ সৈতে সৰ্বভাৰতীয় পৰীক্ষাত ফেৰ মাৰিব পৰা হৈছে। ইংৰাজী জনাৰ বাবে সৰ্বভাৰতীয় উচ্চ পদত অধিষ্ঠিত হৈ আছে বহু অসমীয়া। জিতেন্দ্ৰনাথ গোস্বামীৰ দৰে বিজ্ঞানী, নৱনীতা চক্ৰৱৰ্তীৰ দৰে আই এ এছ বিষয়াক অসমে লাভ কৰিছে গৌৰৱৰ কাৰণ হিচাপে। ইংৰাজী ভাষা হ'ল তেওঁলোকৰ আধাৰ। আনহাতে সাহিত্য, বিজ্ঞান, ৰাজনীতি, সংস্কৃতি আদি সকলো দিশতে আজি ইংৰাজীৰ অপৰিহাৰ্যতাই ইয়াৰ সুফলৰ কথাকে প্ৰমাণ কৰিছে। বিভিন্ন ভাষাৰ সাহিত্যৰ সোৱাদ ইংৰাজীৰ পৰাই আমি ল'ব পাৰো। সকলো দিশৰ পৰা চাবলৈ গ'লে ইংৰাজী অবিহনে আজিৰ জীৱন অচল। আনহাতে আমাৰ দেশৰ বিভিন্ন

বিষয় যেনে ঐতিহ্য, সংস্কৃতিৰ কথাও ইংৰাজীৰ দ্বাৰাই আমি পৃথিৱীত প্ৰচাৰ কৰিব পাৰো।

বৰ্তমান যুগটোক তথ্যৰ যুগ বুলি কোৱা হয়। জ্ঞান অৰ্জনৰ বাবে, সকলো বিষয়ৰ বিষয়ে সম্যক জ্ঞান আহৰণৰ বাবে ইংৰাজীয়ে আমাক প্ৰভূত সহায় কৰিছে। আমাৰ পূৰ্বপুৰুষসকলে ইংৰাজী নিশিকা হ'লে আমি এশবছৰ পিছ পৰি ৰ'লোহেঁতেন। জ্ঞানৰ ভঁৰাল চহকী কৰিবৰ বাবেই আমাক ইংৰাজীৰ প্ৰয়োজন। ইয়াৰ উপৰি জীৱিকাৰ উপায় হিচাপে ইংৰাজী আমাৰ পৰম সহায়ক হ'ব। ভাৰতত হিন্দীক ৰাষ্ট্ৰভাষা হিচাপে স্বীকৃতি দিলেও ইংৰাজীতে কৰা হয় সকলো চৰকাৰী কাম।

ভাৰতত ব্ৰিটিছ শাসনৰ সময়তে ইংৰাজী শিক্ষাই মেলা পুলি-পোখাই আজি বৃহৎ বৃক্ষৰ ৰূপ ধাৰণ কৰিছে, যাৰ ছায়াত জিৰণি আমি আগবাঢ়ি যাব পাৰো। ইংৰাজী অবিহনে আজিৰ আধুনিক জীৱনৰ লগত যে খোজ মিলোৱাতো অসম্ভৱ সেয়া এতিয়া প্ৰমাণিত হৈছে।



অসমীয়া সংস্কৃতিত তামোল-পাণৰ ভূমিকা

ৰিংকী বৰুৱা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

অসমীয়া জনজীৱনৰ লগত তামোল পাণ বিশেষভাৱে জড়িত। অসমীয়া সংস্কৃতিৰ প্ৰতিটো স্তৰতে তামোল-পাণৰ বিশেষ ভূমিকা আছে।

অসমীয়াত এফাকি প্ৰবচন আছে — 'যাৰ নাই পাণ, তাৰ নাই মান।'

অসমীয়া মানুহৰ ঘৰলৈ কোনো আলহী-অতিথি আহিলে প্ৰথমে তামোলখনহে আগবঢ়াই দিয়া হয়। যিকোনো সামাজিক কাম কাজত তামোল-পাণ নহ'লে নহয়। নাঘৰলৈ শৰাই এভাগ আগবঢ়ালেও তামোল পাণযোৰাই প্ৰথমে লাগে। ভকত বান্ধৱক মান ধৰিবলৈ তামোল পান এভাগিৰ প্ৰয়োজন। একাষৰতে ক'বলৈ হ'লে বিহু, বিয়াৰ পৰা আদি কৰি খোৱাৰ অন্তত মুহুদি কৰালৈকে সকলো কামতে তামোল পাণযোৰৰ স্থান প্ৰথমতে। সেয়েহে অসমীয়া বিয়া নামটো তামোল পাণে এনেদৰে ঠাই পাইছে।

"আগফালে শুৱনি কাকিনি তামোল ঐ
পাছফাল শুৱনি পাণ হে
ববঘৰ শুৱনি গাভৰু ছোৱালী
উলিয়াই দিবলৈ টানহে।"

অতীতৰ পৰা আজিলৈকে তামোল পাণৰ স্থান কোনো কাৰণতে অসমীয়া জনজীৱনত নুই কৰিব নোৱাৰি। তামোল গছ ওখ হয়। একেজোপা তামোলৰ গছতে পাণ নামৰ লতা জাতীয় গছডাল বগাই দিয়াও দেখা যায়।

সুধাকণ্ঠ ভূপেন হাজৰিকাৰ সংগীতটো পাণৰ কথা উল্লেখ আছিল — 'মদাৰ গছত বগোৱা পাণ খাবলৈহে ভাল।' এইবোৰেই প্ৰমাণ কৰে যে 'তামোল পাণ' অসমীয়া সংস্কৃতিৰ অপৰিহাৰ্য্য ভূমিকা গ্ৰহণ কৰাৰ লগতে ই পৰিৱেশ বিশুদ্ধ কৰে।



সৰ্বশিক্ষা অভিযান

ধৰিত্ৰী বৈশ্য
বি.কম প্ৰথম ষান্মষিক

শিক্ষা মানৱ জীৱনৰ এক অপৰিহাৰ্য অংগ। সেয়ে হয়তো ফৰাচী নাট্যকাৰ ৰ্ৰেখটে কৈছিল, নিৰক্ষৰ হাতত কিতাপ তুলি দিয়া, তেওঁ হাতেৰে যি হৈ উঠিব, সিয়ে যুদ্ধাস্ত্ৰ। শিক্ষাই মানুহৰ মনৰ অজ্ঞতা দূৰ কৰি বৌদ্ধিক দিগন্ত মুকলি কৰে। জগতৰ সৰ্বতোপ্ৰকাৰ মংগলৰ বাবে নিজকে যোগ্যৱান কৰি তোলাৰ একমাত্ৰ মাধ্যম হ'ল শিক্ষা। শিক্ষাৰ প্ৰভাৱতে মানৱ জাতিয়ে পাশৱিক জীৱনৰ পৰা মুক্তি লাভ কৰি বিশ্বৰ সকলো প্ৰাণীৰ ভিতৰত শ্ৰেষ্ঠ প্ৰাণী হিচাপে পৰিগণিত হৈ সকলো প্ৰাণীৰ ওপৰত কৰ্তৃত্ব বিস্তাৰ কৰিছে। শিক্ষাৰ প্ৰভাৱতেই অগ্ৰগতিৰ পথত খোজ দি বৰ্তমান বিশ্বখনেই এখন গাঁৱলৈ পৰিৱৰ্তন হ'বলৈ ধৰিছে। অন্ধৰ লাখুটিস্বৰূপ শিক্ষা সকলোৰে বাবে অতি আৱশ্যকীয়।

বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ তুলনাত ভাৰতবৰ্ষ এতিয়াও শিক্ষাৰ ক্ষেত্ৰত পিছপৰি আছে। বিশেষকৈ ভিতৰুৱা অঞ্চলবিলাকত এতিয়াও বহু শিশু শিক্ষাৰ প্ৰভাৱৰ পৰা বহু দূৰৈত। এই ক্ষেত্ৰত আমাৰ অসমো পিছপৰি থকা নাই। সেয়ে কেন্দ্ৰীয় চৰকাৰে দেশৰ সকলো শিশুৱে শিক্ষাৰ পোহৰ পাবৰ বাবে ৰাজ্যিক চৰকাৰ তথা কেন্দ্ৰীয়শাসিত অঞ্চলৰ চৰকাৰক অংশীদাৰ হিচাপে লৈ 'সৰ্বশিক্ষা অভিযান' আঁচনিখনৰ ঘোষণা কৰিছিল। এই আঁচনিৰ মূল উদ্দেশ্য হৈছে — প্ৰাথমিক শিক্ষা ব্যৱস্থাক সাৰ্বজনীন কৰা তথা ২০১০ চনৰ ভিতৰত ৬ ৰ ১৪ পৰা বছৰ বয়সৰ সকলো শিশুকে উপযোগী আৰু যুক্তিযুক্ত প্ৰাথমিক শিক্ষা আৰু লিংগ বৈষম্য দূৰ কৰা। এই সৰ্বশিক্ষা আঁচনিখন পৰিচালনা কৰিবলৈ প্ৰত্যেক জিলাত একোখনকৈ

জলা প্ৰাথমিক শিক্ষা আঁচনি (DPEP) গঠন কৰা হৈছে।

সৰ্বশিক্ষা অভিযান আঁচনিখনৰ সফল ৰূপায়ণ হোৱাৰ ক্ষেত্ৰত ভালেকেইটা উদ্দেশ্য আগত ৰখা হৈছে। বিশেষকৈ জনসাধাৰণৰ মাজত শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰোৱা, শিক্ষাদানত শিশুসকলক সুন্দৰভাৱে পৰিচালনা কৰা তথা শিক্ষকসকলক উপযুক্ত কৰি তোলা, লিংগ বৈষম্য দূৰ কৰিবৰ বাবে তথা নাৰী শিক্ষাৰ বিকাশৰ বাবে ছোৱালীবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা, অনুসূচিত জাতি, জনজাতি, দৰিদ্ৰ সীমাৰেখাৰ তলৰ শিশুসকলক শিক্ষাদানৰ ক্ষেত্ৰত গুৰুত্ব দিয়া, সংহত শিক্ষা ব্যৱস্থাৰ মাধ্যমেৰে শাৰীৰিকভাৱে অক্ষম শিশুসকলক গুৰুত্ব দিয়া, জনসাধাৰণ আৰু বিদ্যালয়ৰ মাজত সমন্বয়ৰ ভাবধাৰা গঢ়ি তোলাৰ বাবে সাক্ষৰতা, পুথিভঁৰাল, পৰিপুষ্টি, মহিলা সৱলীকৰণ, খেলা-ধূলা আদি কাৰ্যসূচীৰ ব্যৱস্থা প্ৰদান, শিক্ষা ব্যৱস্থাটোক জীৱনৰ লগত জড়িত কৰি জীৱনধাৰণৰ দক্ষতা আদি বিভিন্ন উদ্দেশ্য শিক্ষা অভিযানে গুৰুত্ব আৰোপ কৰিছে।

শিক্ষাৰ অবিহনে জীৱন অসাৰ। কাৰণ শিক্ষাই হৈছে জীৱন পৰিচালনাৰ মূল ছাবি-কাঠী। শিক্ষাই মানুহক মহান কৰে তথা আদৰ্শবান কৰি তোলে। সৰ্বশিক্ষা অভিযান আঁচনিৰ দ্বাৰা দেশৰ প্ৰতিটো শিশুকে শিক্ষাৰ পোহৰেৰে পোহৰাই তোলাৰ প্ৰয়াস কৰা হৈছে, যাৰ ফলত অতি ভিতৰুৱা অঞ্চলৰ দৰিদ্ৰ শিশুৱেও আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিবলৈ সুবিধা লাভ কৰিছে। সেয়ে ক'ব পাৰি যে শিক্ষাৰ দৰে আঁচনি আমাৰ দৰে উন্নয়নশীল দেশত যথেষ্ট প্ৰয়োজনীয়তা আছে।


শিক্ষাৰ অবিহনে জীৱন অসাৰ। কাৰণ শিক্ষাই হৈছে জীৱন পৰিচালনাৰ মূল ছাবি-কাঠী। শিক্ষাই মানুহক মহান কৰে তথা আদৰ্শবান কৰি তোলে। সৰ্বশিক্ষা অভিযান আঁচনিৰ দ্বাৰা দেশৰ প্ৰতিটো শিশুকে শিক্ষাৰ পোহৰেৰে পোহৰাই তোলাৰ প্ৰয়াস কৰা হৈছে...

সৰ্বশিক্ষা অভিযান আঁচনিখনে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো যথেষ্ট জনপ্ৰিয়তা আৰু প্ৰসাৰতা লাভ কৰিছে। এই আঁচনিৰ সফল ৰূপায়ণৰ উদ্দেশ্যে গুৱাহাটীৰ কাহিলীপাৰাস্থিত মুখ্য কাৰ্যালয়ত শিক্ষাদানৰ বিভিন্ন পৰীক্ষা-নিৰীক্ষা তথা প্ৰশিক্ষণৰ ব্যৱস্থা কৰি শিক্ষক তথা বিষয়াসকলক ৰাজ্যৰ বিভিন্ন ঠাইত নিযুক্তি দিছে। সেইসকলে শিশুৰ মানসিক মানৰ প্ৰতি লক্ষ্য ৰাখি অতি ভিতৰুৱা অঞ্চলত আঁচনিখন সফল ৰূপায়ণৰ প্ৰতি পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰেও বিভিন্ন প্ৰচাৰ মাধ্যমৰ যোগেদি আঁচনিখন সফল কৰি তুলিবলৈ বিজ্ঞাপন প্ৰচাৰৰ ব্যৱস্থা কৰিছে। তদুপৰি ছাত্ৰ-ছাত্ৰী বিদ্যালয়ৰ প্ৰতি আকৰ্ষিত কৰিবলৈ (বিশেষকৈ দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি) বিদ্যালয়ত দুপৰীয়াৰ আহাৰৰ ব্যৱস্থাও কৰিছে। ফলস্বৰূপে সৰ্বশিক্ষা আঁচনিখন ৰূপায়ণত এশ শতাংশ নহ'লেও যথেষ্ট পৰিমাণে সফল হৈছে বুলি ক'ব পাৰি।

ভাৰতীয় সংবিধানমতে শিক্ষা লাভৰ অধিকাৰ হৈছে — মৌলিক অধিকাৰ। এই অধিকাৰৰ পৰা কোনোৱে কাকো বঞ্চিত কৰিব নোৱাৰে। তদুপৰি ৪৫নং ধাৰা মতে ১৪ বছৰ বয়সলৈকে সকলো শিশুৱে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে। এনে নীতি-নিৰ্দেশনা বাধ্যতামূলক কৰা সত্ত্বেও এতিয়াও আমাৰ দেশত নিৰক্ষৰতাৰ সংখ্যা হ্ৰাস হোৱা নাই। উল্লেখযোগ্য যে নিৰক্ষৰতা দূৰীকৰণত সৰ্বশিক্ষা আঁচনিখন যথেষ্ট সহায় কৰাৰ থল আছে। সেয়ে আমি প্ৰত্যেকেই এই আঁচনিখন সফল কৰি তুলিবলৈ চেষ্টা কৰা উচিত। শিক্ষাৰ প্ৰসাৰেহে সমাজলৈ নতুনত্ব আনিব আৰু উপযুক্ত শিক্ষাৰে শিক্ষিত হ'লেহে সমাজ, দেশ তথা জাতিৰ সৰ্বতোপ্ৰকাৰ উত্তৰণ সম্ভৱ হ'ব। শিশুসকল অনাগত ভৱিষ্যতৰ ধৰণীস্বৰূপ, সেয়ে প্ৰতিটো শিশুক উপযুক্ত শিক্ষাৰে বঞ্চিত কৰি তোলাটো দেশৰ প্ৰতিজন নাগৰিকৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য।

অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ

সুভম বনিক
বি.কম পঞ্চম ষান্মষিক



একোটা জাতিৰ শৌর্য, বীর্য, গতি-প্রগতি, উত্থান-পতন সম্পৃক্ত হৈ থাকে জাতিটোৰ সাংস্কৃতিক সত্তাৰ লগত। জাতি একোটাৰ সাংস্কৃতিৰ ভেটি যিমানেই সবল হয়, তাৰ প্রগতিৰ পথো সিমানেই মসৃণ হয়। ত্বৰান্বিত হয় তাৰ গতি। সাংস্কৃতিক প্রমূল্যবোধৰ মাপকাঠিৰেহে এটা জাতিৰ প্রগতিৰ জোখ ল'ব পাৰি।

বিশ্বৰ বিভিন্ন প্রান্তৰ জাতিসত্তাসমূহৰ প্রত্যেকেই একোটাহঁত সাংস্কৃতিক পৰম্পৰাৰ গৰাকী। যুগজোৰা পৰম্পৰাৰ স্তূপীকৃত সম্ভাৰেৰে জাতিৰ সাংস্কৃতিক ইতিহাস ৰচিত হয়। তেতিয়াহে, যেতিয়া জাতিসত্ত্বা একোটা সংস্কাৰ স্পৃহাৰে সার্বজনীনভাৱে উদ্বুদ্ধ হয়। ইলেক্ট্রনিক মিডিয়াৰ আজিৰ যুগতো জনসাধাৰণক আকৃষ্ট কৰিব পৰাকৈ অসমৰ ভ্ৰাম্যমান নাট্যদলে সম্প্রতি যি চমক আৰু জনপ্রিয়তা অর্জন কৰিছে সেয়া নিতান্তই প্রশংসনীয়।

ষাঠীৰ দশকৰ আৰম্ভণীতে পৰীক্ষামূলকভাৱে আৰম্ভ কৰা ভ্ৰাম্যমান থিয়েটাৰ আজি অসমৰ এক স্বয়ংসম্পূর্ণ সাংস্কৃতিক মাধ্যম। সময় আৰু মানসিক পৰিৱর্তনক লক্ষ্য কৰি আজিৰ ভ্ৰাম্যমান থিয়েটাৰে নিজৰ কাম নির্ধাৰণ কৰিছে। আজিৰ যুগৰ দর্শকে ভাল পাব পৰা নাটকৰহে মঞ্চত উপস্থাপন কৰিছে। ভ্ৰাম্যমান থিয়েটাৰ আজি কেৱল গণ সংযোগৰ মাধ্যমেই নহয়, নিবনুৱা সমস্যা, দৰিদ্রতা আদিৰে আক্রান্ত অসমৰ কর্ম সংস্থানৰ আহিলাও। সংস্থানৰ অনিশ্চয়তাৰ এই দুঃসহ সময়ত মানসিক আৰু আর্থিক নিৰাপত্তাৰ প্রত্যয়েৰে ভ্ৰাম্যমান থিয়েটাৰে বহু যুৱকক স্থিৰতা প্রদান কৰাই নহয়, বহু হাজাৰ অসমীয়াকো সাময়িকভাৱে হ'লেও দৰিদ্রতাৰ পৰা নিষ্কৃতি দিছে, বহু অনুষ্ঠানৰ জন্ম আৰু প্রতিপালনত উল্লেখনীয় ৰৰঙণি আগবঢ়াইছে। অসমীয়া সংস্কৃতিৰ প্রচাৰ প্রসাৰ আৰু উত্তৰণৰ গৱেষণা চলিছে ভ্ৰাম্যমানৰ মঞ্চত। প্রভূত জনপ্রিয়তাই ভ্ৰাম্যমানৰ এই মানসিকতাক ফলপ্রসূ হোৱাত সহায় কৰিছে।

যাত্রা পার্টিৰ পৰা ক্রমান্বয়ে উন্নীত হৈয়েই আজিৰ এই ভ্ৰাম্যমান থিয়েটাৰৰ জন্ম হোৱা বুলি ক'ব পাৰি। অসমৰ কথা বাদেই সমগ্র ভাৰতৰ ভিতৰতেই পেছাদাৰী নাট্যদলৰ ভিতৰত ভ্ৰাম্যমান থিয়েটাৰ একক আৰু অনন্য। ভ্ৰাম্যমান থিয়েটাৰৰ জন্ম অবিভক্ত কামৰূপ জিলাৰ পাঠশালাত। ১৯৬৩ চনত অচ্যুত লহকৰে নটৰাজ থিয়েটাৰ নামেৰে প্রথম ভ্ৰাম্যমান নাট্যদলৰ জন্ম দিয়ে। অচ্যুত লহকৰকে ভ্ৰাম্যমান থিয়েটাৰৰ বাটকটীয়া বা জনক বুলিব পাৰি। সু-সজ্জিত ৰংগমঞ্চ, আলোকসম্পাত, সংগীত, মনোমোহা মঞ্চসজ্জা তথা আকর্ষণীয় প্রেক্ষাগৃহৰে অসমৰ গাঁৱে-ভূঞে, চহৰে-

নগৰে দৰ্শকৰ মাজত নাটক উপস্থাপন কৰা একোটা ভ্ৰাম্যমান থিয়েটাৰ দলে এবছৰত চাৰি-পাঁচখন নাটক উপস্থাপন কৰে। একোটি নাট্যদলত আশীৰ পৰা এশ বিশ গৰাকীলৈকে শিল্পী-কুশলী থাকে। অভিনয়ত বিশগৰাকীমান অভিনেতা-অভিনেত্ৰী থাকে। বাৰগৰাকীমান নৃত্যশিল্পীও নৃত্য-নাটিকাত নৃত্য পৰিৱেশন কৰে। বাৰ-পোন্ধৰ গৰাকীমান বাদ্যযন্ত্ৰী শিল্পী থাকে। আহ্বায়ক কমিটিৰ সতে যোগাযোগ স্থাপন কৰে প্ৰতিনিধিয়ে। ভিতৰভাগ পৰিচালনা কৰে সম্পাদক, দল পৰিচালক আদি মুৰব্বীসকলে। সকলোৰে ওপৰত প্ৰযোজক। অৰ্থাৎ, প্ৰত্যেক ভ্ৰাম্যমান নাট্যদলৰে শিল্পী-কলা-কুশলী মিলি বৃহৎ পৰিয়ালটিৰ পিতৃ হ'ল প্ৰযোজকগৰাকী।

মাত্ৰ চাৰিখন নাটক উপস্থাপনেৰে অসমৰ সকলো শ্ৰেণীৰ দৰ্শকৰেই অন্তৰ জয় কৰিবলৈ ভ্ৰাম্যমান থিয়েটাৰে প্ৰয়াস কৰে। সেয়েহে নাটক নিৰ্বাচনৰ সময়ত প্ৰযোজক তথা নাট পৰিচালকৰ গধু�ৰ দায়িত্ব আহি পৰে। সেইবাবেই হয়তো ভ্ৰাম্যমান থিয়েটাৰৰ বাবে নাটক ৰচনা কৰা কেইগৰাকীমান নিৰ্দিষ্ট নাট্যকাৰহে আমাৰ দৃষ্টিলৈ আহে। চাৰিদিনৰ অন্তৰে অন্তৰে এঠাৰ পৰা আন ঠাইলৈকে নাট প্ৰদৰ্শন কৰিবলৈকে যোৱা ভ্ৰাম্যমান থিয়েটাৰৰ নাটকে সাধাৰণ দৰ্শকৰ পৰা বুদ্ধিজীৱীলৈকে সকলোৰে অন্তৰ জয় কৰিব লাগিব। অকল অসমৰ জনসাধাৰণৰ কৃপাত জীয়াই থকা ভ্ৰাম্যমান থিয়েটাৰৰ কিছুমান নিজস্ব বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যসমূহ আন মাধ্যমত দেখিবলৈ পোৱা নাযায়। সাধাৰণতে নাটক বা ছবি চাবলৈ দৰ্শকসকল চহৰলৈ আহিবলগীয়া হয়। কিন্তু ভ্ৰাম্যমান থিয়েটাৰে জনসাধাৰণৰ মাজলৈ সোমাই গৈ নাটক কৰে। ভ্ৰাম্যমান থিয়েটাৰৰ শিল্পী তথা কলাকুশলীসকলে থিয়েটাৰত তেওঁলোকে আগবঢ়োৱা শিল্পকৰ্মৰ বাবদ পৰিতোষিক লাভ কৰাৰ লগতে আহাৰ আৰু থিয়েটাৰত থকা কেইদিন বাসস্থানো লাভ কৰে। খাদ্য আৰু বাসস্থান দি দৰমহা দিয়া ভ্ৰাম্যমান থিয়েটাৰেই হয়তো বিশ্বৰ ভিতৰত অন্যতম কৰ্মস্থলী।

অসমৰ ভ্ৰাম্যমান ঃ আশাৰ বতৰা ঃ

বিশ্বৰ ভিতৰতে অনন্য আৰু একক বৈশিষ্ট্যৰে ভৰা ভ্ৰাম্যমান থিয়েটাৰে অসমৰ নাট্য আন্দোলনক সক্ৰিয় কৰি ৰাখিছে। লগতে অসমত এক সুস্থ সাংস্কৃতিক বাতাবৰণৰো সৃষ্টি কৰিছে। আনহাতে অসমৰ সামাজিক জীৱনত ভ্ৰাম্যমান থিয়েটাৰে বিশেষ বৰঙণি আগবঢ়াই আহিছে। অসমৰ কোনো এক অঞ্চলত ভ্ৰাম্যমান থিয়েটাৰে নাটক উপস্থাপনৰ জৰিয়তে সমগ্ৰ অঞ্চলটোতেই উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। লগতে যিটো অনুষ্ঠানে নাট্যদলটিক আমন্ত্ৰণ কৰি নিয়ে উক্ত অনুষ্ঠানটিয়ে কিছু আৰ্থিক সাহায্য লাভ কৰে। অসমৰ বিভিন্ন অঞ্চলৰ স্কুল-কলেজ, মন্দিৰ-মছজিদ, ক্ৰীড়াংগন, সংঘ আদি নিৰ্মাণৰ ক্ষেত্ৰত ভ্ৰাম্যমান থিয়েটাৰৰ অৱদানৰ কথা সকলোৱে স্বীকাৰ কৰে।

চাৰিটা দশক অতিক্ৰান্ত ভ্ৰাম্যমান থিয়েটাৰে এতিয়ালৈকে বহুকেইখন মননশীল নাটক উপস্থাপন কৰিছে। বিশ্ববিশ্ৰুত নাট্যকাৰসকলৰ নাটকৰ অসমীয়া নাট্যৰূপ দি ভ্ৰাম্যমানৰ মঞ্চত উপস্থাপন কৰিছে। কেবাখনো বিশ্ববিখ্যাত ধৰ্মগ্ৰন্থৰ নাট্যৰূপ দি অসমৰ জনসাধাৰণৰ পৰা বিপুল সমাদৰ লাভ কৰিছে। তেনেদৰে কেবাখনো জনপ্ৰিয় ছবিৰ নাট্যৰূপ দি দৰ্শকৰ পৰা সহাৰি লাভ কৰিছে।

সম্প্ৰতি অসমত সৰু-বৰ মিলি প্ৰায় দুকুৰি ভ্ৰাম্যমান থিয়েটাৰ দল আছে। এই দুকুৰি ভ্ৰাম্যমান থিয়েটাৰত প্ৰত্যক্ষ ভাবেই হওক বা পৰোক্ষভাৱেই হওক প্ৰায় দহ হাজাৰ লোকে কৰ্মসংস্থান লাভ কৰিছে। অনেক শিক্ষিত নিবনুৱাইও আজি ভ্ৰাম্যমান থিয়েটাৰত জীৱন নিৰ্বাহ কৰিবলৈ সুবিধা লাভ কৰিছে।

আজি অসমৰ নাট্য সংস্কৃতিৰ ক্ষেত্ৰখনত ভ্ৰাম্যমান নাট্যদলসমূহ এৰাব নোৱাৰা অংগ। বৰ্তমান এই দলসমূহে বহু শিল্পী-কলা-কুশলী তথা নিবনুৱাৰ অন্ন সংস্থাপনৰ একো একোটা পীঠ হৈ পৰিছে। দ্বিতীয়তে এই ভ্ৰাম্যমান দলসমূহে প্ৰত্যক্ষভাৱে অসমৰ বিভিন্ন অঞ্চলত শিক্ষানুষ্ঠান, ধৰ্মানুষ্ঠান, সংস্কৃতিক অনুষ্ঠান আদি বিভিন্ন দিশৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়াত বিশেষ অৰিহণা যোগাই আহিছে। সংস্কৃতিৰ বিভিন্ন উপাদানসমূহ বিকাশত প্ৰভূত পৰিমাণে বৰঙণি যোগাইছে। ক্ৰমান্বয়ে কাৰিকৰী দিশ উন্নত কৰি অহা, কাহিনীভাগ নিৰ্বাচনৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰা, অসমৰ মাটিৰ গোন্ধ থকা কাহিনীক নাট্যৰূপ দিয়াৰ ক্ষেত্ৰত উৎসাহ যোগোৱা আদি কাৰ্যই ভ্ৰাম্যমান থিয়েটাৰক অকল 'অৱসৰ বিনোদন'ৰ মাধ্যম কৰিয়েই ৰখা নাই। ভ্ৰাম্যমান থিয়েটাৰে অসমত এক নাট্য আন্দোলন গঢ়ি তোলাৰ ইতিবাচক পৰিৱেশ সৃষ্টি কৰিছে। অসমৰ ভ্ৰাম্যমান থিয়েটাৰক জাতীয় উদ্যোগ হিচাপে গঢ়াতো আমাৰ পৰিত্ৰ কৰ্তব্য। চৰকাৰেও ভ্ৰাম্যমান উদ্যোগ গঢ়াত সক্ৰিয় সহযোগ কৰাটো জাতীয় দায়িত্ব আৰু কৰ্তব্য বুলি আগবঢ়া উচিত।

অসমীয়া প্ৰবচন আৰু ফকৰা-যোজনা

চন্দ্ৰানী গোস্বামী
বি.কম পঞ্চম ষান্মষিক

ভূমিকা ঃ

অসমীয়া মৌখিক সাহিত্যৰ উল্লেখযোগ্য ৰচনা হ'ল প্ৰবচন আৰু ফকৰা যোজনাসমূহ। অসমীয়া ভাষাত ডাক পুৰুষৰ নামত চলিত বা জড়িত প্ৰবচনসমূহেই আটাইতকৈ প্ৰাচীন এনেধৰণৰ মৌখিক সাহিত্য।

ডাকৰ বচন ঃ

অসমীয়া মৌখিক সাহিত্যৰ এলানি উল্লেখযোগ্য প্ৰবচন বা নীতিবাক্য হ'ল ডাকৰ বচন। অসমীয়া ভাষাত ডাক পুৰুষৰ নামত চলিত বা জড়িত 'ডাকৰ বচন'ৰূপে প্ৰসিদ্ধ প্ৰচনসমূহকেই আটাইতকৈ প্ৰাচীন এনেধৰণৰ মৌখিক সাহিত্যৰূপে আখ্যা দিয়া হৈছে। ডাকক চতুৰ্থ-ষষ্ঠ শতিকাৰ ৰৰাহ-মিহিৰৰ সমসাময়িক বুলি ভবা হয় আৰু ৰৰপেটা অঞ্চলৰ লোহি বা লোহিডঙৰা নামৰ ঠাইত তেওঁৰ (ডাকৰ) জন্ম বুলি অনুমান কৰা হয়। জনপ্ৰবাদ অনুসৰি এক কুমাৰীৰ ঘৰত ডাকৰ জন্ম হৈছিল। উপজিয়েই মাত (ডাক) দিয়া বাবে তেওঁৰ নাম ডাক হয়। ল'ৰাকালতে ভেঁট ফুল তুলিবলৈ যাওঁতে লগৰ লগৰীয়াই পানীত পেলাই মাৰে। আন এক প্ৰবাদমতে ডাকে হেনো মাত্ৰ 'এদিন এনিশা'লৈ জন্মগ্ৰহণ কৰিছিল। এনে সামঞ্জস্যহীন প্ৰবাদৰ পৰা ডাকক ঐতিহাসিক ব্যক্তি বুলি মানি ল'বলৈ টান। সেয়েহে বহু পণ্ডিতৰ মতে ডাক এটা কাল্পনিক নাম। ডাক শব্দৰ অৰ্থ হ'ল উচ্চাৰণ কৰা সম্বোধন, কৰা বা আহ্বান কৰা, গতিকে যিবোৰ উপদেশে সমাজত কেনেকৈ চলিব লাগে সকীয়াই দিয়ে, সিয়ে হয়তো ডাকৰ বচনৰূপে প্ৰসিদ্ধি লভে বা ক'ব পাৰি, আগৰে পৰা যিবোৰ ৰীতি-নীতিৰ কথা বা জ্ঞানীৰ উপদেশ জনসাধাৰণৰ মাজত ছন্দৰ মাজেদি চলি আহিছিল, সিবোৰকে হয়তো কালক্ৰমত 'ডাক' নামে কাল্পনিক পুৰুষ এজনৰ নামত প্ৰচাৰ কৰা হ'ল। হয়তো চহা জীৱনৰ গুৰুত্বপূৰ্ণ আৰু ব্যৱহাৰিক জ্ঞানৰ কথাবোৰেই ডাকৰ নামত সমাজত প্ৰচলিত হৈছিল। সম্ভৱতঃ এনেও হ'ব পাৰে যে অসমীয়া প্ৰবচনৱলীৰ বাছকবনীয়া ভাগ ডাকৰ বচনৰূপে খ্যাত হৈছে। ডাকৰ বচনবোৰত কৃষি, বতৰ, ভেষজ বিদ্যা, ৰাজনীতি আৰু জীৱনৰ সকলো ধৰণৰ অভিজ্ঞতা, বৰ্হিজগতৰ আৰু মানৰ জীৱনৰ ঘনিষ্ঠ জ্ঞানকে ধৰি সকলো ধৰণৰ বিষয়েই ঠাই পাইছে। পয়াৰ ছন্দত ৰচিত ডাকৰ বচনবোৰৰ ভাষাৰ মনোগ্ৰাহিতা আৰু প্ৰৰেশিকা শক্তি চমকপ্ৰদ। কি মাটিত খেতি কৰিব লাগে, কেনে গৰু কিনিব লাগে, কেনে মাকৰ ছোৱালী অনা যুগুত, কু-নাৰীৰ লক্ষণ, কেনেকৈ ৰন্ধা-বঢ়া কৰিব লাগে, কেতিয়া কোনফালে যাত্ৰা কৰিব লাগে-নালাগে, শৰীৰ ভালে ৰখাৰ নানা উপায়, এনে নানা ধৰণৰ দিহা ডাকৰ বচনবোৰত পোৱা যায়। নাগৰিক জীৱন বা সভ্যতাৰ আঁচোৰ ডাকৰ বচনত নাই। ৰজাৰ উল্লেখ আৰু ৰাজধৰ্মৰ সামান্য আঁচোৰ কোনো গুৰুত্ব ডাকৰ বচনত দিয়া হোৱা নাই। 'ডাক' কথাটি তিব্বতী ভাষাতো প্ৰচলিত, অৰ্থ জ্ঞানী। গতিকে ডাকৰ বচন মানে জ্ঞানীৰ বচন বুলিয়েই ঠাৱৰ কৰিব পাৰি।

বংগদেশত খনাৰা বচনৰ লগতো ডাকৰ কেতবোৰ বচনৰ সাদৃশ্য আছে। জনসাধাৰণৰ মাজত চলা এই বচনবিলাক বিশ্লেষণ কৰিলে অনাখৰি চহা লোকৰো যে সৎ-অসৎ জ্ঞান

আছে, ধনী-ধুনীয়া নাইবা বলী-নির্বলীৰ মাজত থকা পার্থক্যৰ বোধ আছে, তাক উপলব্ধি কৰিব পাৰি।

ফকৰা - যোজনা ঃ

ফকৰা-যোজনাসমূহকো প্রবচনৰ সমার্থক বুলি বহু ক্ষেত্রত ধৰা হয়। দহৰ জ্ঞান এক বাণী (The wisdom of many and the wit of one) এয়ে ফকৰা-যোজনাৰ মূল কথা। চুটি চুটি বাক্যত একোটি সাৰগর্ভ সত্য বা অভিজ্ঞতা প্রকাশ কৰিব পৰা এক অদ্ভুত শক্তি অধিকাৰী ফকৰা-যোজনাবোৰত সাংসাৰিক অভিজ্ঞতালব্ধ জ্ঞানমূলক নীতি, নাৰী-মন, নাৰী-সমাজ, পুৰুষ প্রধান সমাজত নাৰী সম্পর্কে ধাৰণা, বিভিন্ন সময়ত প্রচলিত জীৱনচর্যা আৰু আদর্শবাদ, জাতিৰ মনস্তত্ব, আচাৰ-ব্যৱহাৰ আৰু বহু ক্ষেত্রত সমালোচনাও পোৱা যায়। যেতিয়াই সাদৃশ্যপূর্ণ ঘটনাৰ সন্মুখীন হয়, তেতিয়াই এইবিলাক স্বতঃস্ফূর্তভাৱে উক্ত হয়।

সামৰণি ঃ

ফকৰাবোৰ সাধাৰণতে গূঢ়ার্থক, ছন্দোবদ্ধ আৰু আপাত বক্তব্যৰ অন্তৰালত একোটা নিগূঢ় অর্থ সোমাই থাকে। যেনে — 'সাগৰৰ মৌ, পর্বতৰ ঢৌ, বাপেকৰ তিৰী নাই পুতেকৰ সাত বৌ।' যোজনাবিলাকত এফাঁকি কথা পুৰাবলৈ আন এফাকি কথা যোগ দিয়া হয়। যোগ দিয়া ফাঁকিৰ বহু ক্ষেত্রত অর্থ নাথাকিবও পাৰে। বক্তাৰ কথা কোৱা চমকাৰিত্ব, বুদ্ধিদীপ্ততা, পর্যবেক্ষণ শক্তি, চমু সাৰগর্ভ মন্তব্য, অন্তৰ সৰকি যোৱা ব্যংগ আৰু সাংসাৰিক জ্ঞানৰ স্বাক্ষৰ এই প্রবচন বা প্রবাদ বাক্য আৰু ফকৰা-যোজনাবোৰে বহন কৰে। ফকৰা-যোজনাবিলাকত শব্দৰ স্পষ্টতা আৰু অর্থৰ আধিক্য মন কৰিবলগীয়া। এইবিলাকৰ সহায়েৰে চমু কথাৰেই বহু কথা ক'ব পৰা যায়, এইবিলাক কথাৰ সাগৰ। কেতিয়াবা একোটাহঁত প্রবাদ বচনৰ অন্তৰালত একোটা মনোৰম সাধুৰেও উমলৈ থাকে। ফকৰা-যোজনাসমূহৰ ৰচনাৰ সময় নির্ণয় কৰা টান যদিও বুৰঞ্জীৰ ঘটনাৰ উল্লেখ থকা বৈষ্ণৱ নীতি-সদাচাৰ সম্পর্কীয় বচনসমূহৰ মোটামুটি সময় নির্ণয় কৰিব পৰা যায়। অৱশ্যে এটা কথা ঠিক যে প্রবাদ-প্রবচন, ফকৰা-যোজনা এই সকলোৰে উৎপত্তি হ'ল কৃষিকেন্দ্রিক সমাজ। নাগৰিক জীৱন বা সভ্যতাৰ লগত এইবোৰৰ সম্পর্ক নাই বুলিলেও হয়।

নাগালেণ্ডৰ আও, আঙ্গামী, লঠা, চেমা আদি প্রধান জনজাতিৰ মাজত খ্রীষ্টান ধর্ম আৰু আধুনিক সভ্যতাৰ হেঁচা অধিক পৰিমাণে পৰাত পুৰণি ৰীতি-নীতি আৰু উৎসৱ-অনুষ্ঠান অপ্রচলিত হৈ আহিছে। 'চুংৰেম' আৰু 'মোৱাৎচু' আওসকলৰ দুটা কৃষিমুখী বিহুৰ সমধর্মী উৎসৱ। তাৰে 'মোৱাৎচু' বসন্তৰ পয়োভৰৰ বতৰত অনুষ্ঠিত হয়। আঙ্গামীসকলৰ 'চেক্রেঞি' উৎসৱ আড়ম্বৰ-প্রাৰম্ভ সকলো পিনৰ পৰাই ভৈয়ামৰ ব'হাগ বিহুৰ সমপর্যায়ৰ উৎসৱ। অৱশ্যে খাৱন-বোৱনৰ ফালৰ পৰা এই উৎসৱৰ লগত আমাৰ ভোগালী বিহুৰ লগতহে তুলনা হয়। আঙ্গামীসকলে আহু খেতি কৰিলেও পর্বতৰ গাত খাপ কাটি কাটি মাটি উলিয়াই শালি খেতি কৰে। গতিকে এপ্রিল মাহত কঠিয়া পাৰি 'ঙ্গোঞি' উৎসৱ পাঁচদিনীয়াকৈ পাতে। চেমা নগাসকলৰ আটাইবোৰ গেনাই কৃষিধর্মী। কুলি চৰাইৰ মাত শুনি শস্যৰ গুটি সিচা উৎসৱটো বসন্ত উৎসৱেই।

জি এছ টি দ্রব্য আৰু সেৱা কৰ ব্যৱস্থা

মহিম মণ্ডল
বি.কম পঞ্চম ষান্মষিক

স্বাধীনোত্তৰ কালৰ ভাৰতৰ কৰ ব্যৱস্থা এটা উল্লেখযোগ্য সংযোজন হ'ল দ্রব্য আৰু সেৱা কৰ (Goods and service Tax) বা GST ব্যৱস্থাৰ প্রৱর্তন। ২০১৭ চনৰ জুলাই মাহৰ ১ তাৰিখৰ পৰা সমগ্র দেশতে এই নতুন কৰ ব্যৱস্থা প্রৱর্তন কৰা হৈছে।

খ্রীষ্টপূর্ব প্রায় তিনি হাজাৰ বছৰ পূর্বেই পুৰণি ইজিপ্টত কৰ ব্যৱস্থাৰ প্রচলন থকাৰ কথা পোৱা যায়। সাম্প্রতিক বিশ্ব অর্থনীতিত প্রতিখন ৰাষ্ট্রৰ কাৰণেই কৰ ব্যৱস্থা এক অপৰিহার্য বিষয়। ভাৰতৰ কৰ ব্যৱস্থাত শেহতীয়া মূল্য সংযোজিত কৰ (VAT) ব্যৱস্থা সংযোজন কৰাৰ পাছত দ্রব্য আৰু সেৱা কৰ হ'ল ভাৰতীয় কৰ ব্যৱস্থাৰ সংশোধনৰ আন এক দৃঢ় পদক্ষেপ।

জি এছ টি কি?

জি এছ টি সম্পূর্ণ ৰূপ হ'ল Goods and Service Tax বা দ্রব্য আৰু সেৱা কৰ এবিধ পৰোক্ষ কৰ। ভাৰতৰ সকলোধৰণৰ পৰোক্ষ কৰৰ বিলুপ্তি ঘটাই সমগ্র দেশত কেৱল এবিধ কৰ ব্যৱস্থা কৰিব বিচাৰা হৈছে। ইয়াৰ পূর্বে কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সমূহে অসংখ্য পৰোক্ষ কৰ আৰোপ কৰি আহিছিল। এতিয়া জি এছ টিৰ অধীনত সকলোধৰণৰ পৰোক্ষ কৰ বিলুপ্তি ঘটাই সমগ্র দেশতে কেৱল এবিধ কৰ প্রচলন কৰিব বিচাৰিছে আৰু সেইবিধ কৰেই হ'ল দ্রব্য আৰু সেৱা কৰ বা জি এছ টি। মন কৰিবলগীয়া যে পূর্বে অসংখ্য পৰোক্ষ কৰ প্রচলন থকাৰ কাৰণে একেটা দ্রব্যৰ ওপৰত একাধিকবাৰ কৰ আৰোপ কৰা হৈছিল আৰু ইয়াৰ কাৰণে কৰদাতাসকলৰ কৰৰ বোজা বৃদ্ধি পাইছিল।

বিত্তমন্ত্রী অৰুণ জেটলি অথবা প্রধানমন্ত্রী নৰেন্দ্র মোডীৰ কার্যকালতে জি এছ টি প্রৱর্তনৰ পটভূমি তৈয়াৰ হৈছিল ২০০৩ চনতে। পৰোক্ষ কৰ সম্পর্কে গঠিত কেলকাৰ সমিতিৰ প্রতিবেদনত উল্লেখ থকা মূল্য সংযোজিত কৰ ব্যৱস্থাই প্রকৃততে সমগ্র দেশব্যাপী একেধৰণৰ এবিধ জি এছ টি প্রৱর্তনে ভাৰতৰ কৰ ব্যৱস্থাত আমূল পৰিৱর্তন হ'ব বুলি ভবা হৈছে।


দ্রব্য আৰু কৰ ব্যৱস্থা জি এছ টি ব্যৱস্থাক লক্ষ্যভিত্তিক কৰ (destination based tax) আখ্যা দিয়া হয়। কিয়নো এনে কৰ উৎপাদনৰ সময়ত আৰোপ কৰাৰ সলনি উপভোগৰ সময়ত আৰোপ কৰা হয়। এই জি এছ টি ব্যৱস্থা তিনি প্রকাৰৰ। চি জি এছ টি CGST বা কেন্দ্রীয় দ্রব্য আৰু সেৱা কৰে। কেন্দ্রীয় চৰকাৰে আৰোপ কৰি অহা সকলোধৰণৰ কেন্দ্রীয় শুল্ক, সেৱা কৰ আৰু সকলোধৰণৰ উপ-কৰ ইয়াত অন্তর্ভুক্ত। আনহাতে এছ জি এছ টি SGST বা ৰাজ্যিক দ্রব্য আৰু সেৱা কৰ অন্তর্ভুক্ত হ'বলগীয়া ৰাজ্য চৰকাৰৰ কৰসমূহ হ'ল — মূল্য সংযোজিত কৰ, বিক্রী কৰ, আমোদ কৰ, প্রৱেশ কৰ, বিলাসী কৰ, ষ্টাম্প শুল্ক, গাড়ীৰ ওপৰত আৰোপিত কৰ, বিদ্যুৎ, বেংক আদিৰ ওপৰত আৰোপিত কৰ। ইয়াৰ উপৰি কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰসমূহৰ উভয়ৰে ক্ষেত্রত প্রযোজ্য হোৱাকৈ সংহত দ্রব্য আৰু সেৱা কৰ (Integrated GST) ৰ ব্যৱস্থাও ৰখা হৈছে।

জি এছ টি হ'ল লক্ষ্যভিত্তিক কৰ, অর্থাৎ কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰে বিক্রীৰ সময়তহে এই কৰ সংগ্রহ কৰিব। এই কৰ উৎপাদন ব্যয়ৰ ওপৰত নির্ভৰ কৰি আৰোপ কৰিব কাৰণে দ্রব্য সামগ্রীৰ দাম কিছু পৰিমাণে হ্রাস পাব বুলি অনুমান কৰা হৈছিল যদিও বর্তমানে এই ছবি দেখা পোৱা হোৱা নাই। আনহাতে IGSTৰ প্রয়োগ হ'ব আন্তঃৰাজ্যিক লেনদেনৰ ক্ষেত্রত। আই জি এছ টি হ'ব চি জি এছ টি আৰু এছ জি এছ টিৰ যোগফল। অর্থাৎ কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰে আৰোপ কৰা কৰৰ মুঠ পৰিমাণ। প্রস্তাৱিত ব্যৱস্থাত প্রতিগৰাকী কৰদাতাকে তেওঁলোকৰ 'পেন' নম্বৰৰ লগত সংযুক্ত কৰি কৰদাতাৰ পৰিচয়সূচক ১৩/১৫ অংকৰ এক নম্বৰ প্রদান কৰা হ'ব আৰু নির্দিষ্ট সময়ৰ অন্তৰে অন্তৰে কৰদাতাসকলে তেওঁলোকৰ লেনদেনৰ ৰিটার্ণ কেন্দ্র আৰু

ৰাজ্যিক জি এছ টি কর্তৃপক্ষক প্রদান কৰিব লাগিব।

ভাৰতৰ পৰোক্ষ কৰ সংস্কাৰৰ ক্ষেত্রত দ্রব্য আৰু সেৱা কৰ আৰোপ এটা উল্লেখনীয় পদক্ষেপ। অত্যাধিক পৰিমাণৰ কেন্দ্রীয় আৰু ৰাজ্যিক কৰৰ উপস্থিতি তথা ৰাজ্যভেদে থকা পৃথক কৰ ব্যৱস্থাৰ অৱসান ঘটাই জি এছ টি ব্যৱস্থাই সমগ্র দেশতে এক ধৰণৰ কৰ ব্যৱস্থা প্রৱর্তন কৰিব। তদুপৰি দেশীয়ভাৱে উৎপাদিত দ্রব্যসমূহ জি এছ টি ব্যৱস্থাৰ অধীনত দেশীয় আৰু আন্তঃৰাষ্ট্রীয় পর্যায়ত অধিক প্রতিযোগী হৈ পৰিব। একেদৰে দ্রব্য সামগ্রীৰ দাম হ্রাস পোৱাৰ বিপৰীতে কৰ সংগ্রহ বৃদ্ধি পাব বুলি ভবা হৈছে।

চালুকীয়া অৱস্থাত থকা প্রস্তাৱিত দ্রব্য আৰু সেৱা কৰ ব্যৱস্থাই ভাৰতৰ কৰ ব্যৱস্থালৈ আমূল পৰিৱর্তন কঢ়িয়াই আনিব যদিও কৰদাতাসকলৰ লগত কৰ বিষয়াসকলৰ সততাৰ ওপৰতো এই কৰ ব্যৱস্থাৰ বাস্তৱিক ৰূপায়ণ বহু পৰিমাণে নির্ভৰ কৰিছে।



ভাৰতৰ মিছাইল মেন

ৰুচিকা পোদ্দাৰ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বর্ষ

'মিছাইল মেন' ৰূপে খ্যাত বিজ্ঞানী জনেই হ'ল ভাৰতৰ প্রাক্তন ৰাষ্ট্রপতি ড° এ পি জে আব্দুল কালাম। তেখেতৰ সম্পূর্ণ নাম হ'ল — ড° আবুল পকিৰ জয়নাল আবেদিন আব্দুল কালাম। তেখেতৰ জন্ম হয় ১৯৩১ চনৰ ১৫ অক্টোবৰত তামিলনাড়ুত ৰামেশ্বৰম নামৰ এখন দ্বীপ নগৰীত। তেখেতৰ দেউতাৰ নাম জয়নাল আবেদিন আৰু মাতৃৰ নাম আচিয়াম্মা আছিল।

কালামে সৰুৰে পৰাই আকাশত উৰি ফুৰাৰ স্বপ্ন দেখিছিল। ১৯৫৪ চনত কালামে 'মাদ্রাজ ইনষ্টিটিউট অৱ টেকন'লজি' ত নামভর্তি কৰে। কলেজৰ চৌহদত থকা আকাশীযান দুখনে তেওঁক ইমানে আকর্ষণ কৰিছিল যে প্রায়েই তেওঁ যান দুখনৰ কাষত বহি কটাইছিল। ইঞ্জিনিয়াৰিং কলেজত প্রথম বর্ষৰ শিক্ষা সাং কৰি তেওঁ এৰ'নটিকেল ইঞ্জিনিয়াৰিং শাখাত নামভর্তি কৰে। নিজৰ শ্রম আৰু সাধনাৰ বলত তেওঁ ইঞ্জিনিয়াৰিৰৰং স্নাতক ডিগ্রী লাভ কৰে। ইঞ্জিনিয়াৰিং শিক্ষা সাং কৰি কালামে 'হিন্দুস্তান এৰ'নটিক্ছ লিমিটেডত নবিচ হিচাপে যোগদান কৰে। তাত প্রশিক্ষণ শেষ হোৱাত ১৯৫৮ চনত কালামে এৰ'নটিকেল ইঞ্জিনিয়াৰিং' ডিগ্রী লাভ কৰে। শিশু কালৰ সপোন পূর্ণ কৰি কালামে আকাশীযানত উঠাৰ সুযোগ লাভ কৰে। ৰামেশ্বৰম দ্বীপৰ পৰা আকাশীযানত উঠা কালাম আছিল প্রথম ব্যক্তি।

তাৰ পাছত কালামে চাকৰিৰ সন্ধানত নামে। তেওঁ দিল্লীৰ প্রযুক্তি উন্নয়ন আৰু উৎপাদন সঞ্চাকালয়ত জ্যেষ্ঠ ৰৈজ্ঞানিক সহায়ক পদত নির্বাচিত হয়। এই পদত থাকোতেই তেওঁ শব্দতকৈ বেগী বিমান এখনৰ আর্হি প্রস্তু কৰি সফল হয়। ইয়াৰ পাছত কালামক ৰকেট ইঞ্জিনিয়াৰৰ পদত নিযুক্তি দিয়া হ'ল। তেওঁ নাছাতো ছমাহ প্রশিক্ষণ লৈ আহে। নাছাৰ পৰা ঘূৰি আহি কালামে ১৯৬৩ চনৰ ২১ নৱেম্বৰত ৰকেট উৎক্ষেপন কৰে। ভাৰতৰ প্রথম ৰকেটটোৰ নাম আছিল 'নাইক আপাচী'। ইয়াৰ পাছত কালামে SLV-3 নির্মাণ আঁচনিৰ প্রকল্প মেনেজাৰ হিচাপে পিতৃ-মাতৃৰ বিয়োগ হয়। SLV-3 সফলতাৰে উৎক্ষেপন কৰি তেওঁ সকলোকে মেক খুৱাইছিল। ১৯৮০ চনৰ ১৮ জুলাইত ভাৰতৰ প্রথমটো কৃত্রিম উপগ্রহ 'ৰোহিণী' প্রক্ষেপণ কৰা হয়। এই সফলতাত কালামৰ লগতে সমগ্র ভাৰতবাসী উৎসাহিত হয়।



উত্তৰ-পূৰ্বাঞ্চলৰ বসন্ত উৎসৱ

ডোনা ৰয়
বি.কম. ১ম ষাণ্মাষিক

অসম তথা অসমৰ চুবুৰীয়া ৰাজ্যকেইখন (যাক আমি সাতভনী বুলি কওঁ) বাৰেৰহণীয়া সংস্কৃতিৰ এক বৰ্ণাঢ্য চ'ৰাঘৰ। বছৰৰ বিভিন্ন উপলক্ষ্যত অঞ্চলটোৰ জনগণে বিভিন্ন জনমুখী উৎসৱ পালন কৰে। অসম তথা ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহত পালন কৰা বসন্ত উৎসৱ ঘাইকৈ কৃষিমুখী। এনে বসন্ত উৎসৱৰ ভিতৰত ব'হাগ বিহু বা ৰঙালী বিহু অন্যতম। এই বসন্ত উৎসৱৰ লগত অসমৰ উজনি-নামনি, পৰ্বত-ভৈয়াম, সকলো অঞ্চলৰ ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো লোকৰ সম্বন্ধ নিবিড়।


বসন্তকালত পালন কৰা হয় বাবে বহাগ বিহু আৰু ইয়াৰ সমগোত্ৰীয় সমূহ উৎসৱক বসন্ত উৎসৱ নামেৰে সামূহিকভাৱে সামৰা হয়। বসন্ত কালত এই অঞ্চলত দেখিবলৈ পোৱাৰ দৰে ফুলে-পাতে জাতিষ্কাৰ ৰূপ, কুলি-সখীয়তি আদি চৰাইৰ সুমধুৰ সুৰ, এনে মনোমোহা পৰিৱেশ ভাৰতৰ আন ঠাইত দেখিবলৈ পোৱা নাযায়। প্ৰকৃতিৰ এই মনোমোহা ৰূপত মুগ্ধ হৈ এই অঞ্চলৰ লোকে উলহ-মালহেৰে বসন্ত উৎসৱ পালন কৰে। আগতে অৱশ্যে কোনো নিৰ্ধাৰিত দিনত বিহু আদিৰ দৰে বসন্ত উৎসৱ পালন কৰা হোৱা নাছিল।

নামনি অসমৰ গোৱালপাৰা জিলাৰ কোনো ঠাইত বিহুক 'বিষুৱা' বুলি কয়। উজনি অসমত গৰু বিহুৰ পৰা সাতদিনজুৰি সাতবিহু পালন কৰাৰ দৰে গোৱালপাৰাতো গৰুবিহুৰ পৰা সাতদিনলৈ সাতবিহু বা সাত 'বিষুৱা' পালন কৰা হয়। গোৱালপাৰাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বগৰীবাৰীৰ শ্ৰীশ্ৰী মহামায়া ধামত ব'হাগৰ এক তাৰিখৰ পৰা সাত বিষুৱা উৎসৱ পূজা-পাতল, মেলা আদিৰে পালন কৰা হয়।

অসমৰ স্থান আৰু সম্প্ৰদায় বিশেষে বিহু তথা উৎসৱ পালনৰ পাৰ্থক্য দেখা যায়। তিৱাসকলে ব'হাগৰ প্ৰথম বুধবাৰৰ পৰা এই উৎসৱ আৰম্ভ কৰে। আনহাতে পৰ্বতৰ নামনি অঞ্চলৰ তিৱাসকলে ব'হাগৰ শেষৰফালে বিহু পাতে। এওঁলোকৰ বিহুতো মাহ, হালধি, বেঙেনা-থেকেৰাৰ ব্যৱহাৰ আৰু সৰুৱে

ডাঙৰক সেৱা কৰাৰ নিয়মৰ উপৰি নৃত্য-গীতেৰে হুচৰি গোৱাৰ প্ৰথাও আছে। তিৱাসকলৰ 'ছগ্রা-মি-ছৱা' আমাৰ বিহুৰ দৰেই প্ৰেম আৰু যৌৱনৰ উৎসৱ। সমূহীয়া নৃত্যগীতৰ মাজেৰে এই উৎসৱ পালিত হয়। এই উৎসৱত তিৱা ডেকা-গাভৰুৰে মনৰ হা-হতাশ প্ৰকাশ কৰে মুক্তভাৱে। 'ছগ্রা-মি-ছৱা' এসপ্তাহ ধৰি চলে। সেই সময়ছোৱাত তিৱাসকলে তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা ফা-মহাদেউক উদ্দেশ্য কৰি আগেয়ে কোনেও ননচা সাতোটা নৃত্য কৰে। উৎসৱৰ শেষৰ দিনা পুৰোহিতে নতুন নৃত্যৰে উৎসৰ সামৰণি মাৰে।

বিহু মিচিংসকলৰো প্ৰিয় উৎসৱ যদিও তেওঁলোকৰ বসন্ত উৎসৱ আলি-আই-লৃগাংহে। আহুধান সিচিবৰ বাবে তেওঁলোকৰ এই উৎসৱ পাতে, বৰকাঁহ বজাই মেঘ দেৱতাক মাতে, ঢোল, পেলা, গগনা লৈ ৰং-ধেমালি কৰে। এই উৎসৱত ঘৰে ঘৰে বিহু মৰাৰ আনন্দমুখৰ পৰিৱেশত গোৱা গীতবোৰ লৃগাং নিঃতম বুলি কোৱা হয়। এই গীতবোৰৰ মাজেদি আলি-আই-লৃগাঙৰ তাৎপৰ্য বিবিধ ধৰণে বৰ্ণনা কৰা হয়। গাঁৱৰ ডেকা-গাভৰু, ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী আটায়ে গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ হাতত ঢোল, পেপা, গগনা, টকা আদি বিবিধ বাদ্যযন্ত্ৰ লৈ লৃগাং নিঃতমৰ সুৰে সুৰে গুমৰাগ নৃত্যৰ ছন্দেৰে মুখৰিত কৰি তোলে।



দেউৰীসকলে ঠিক চ'তৰ সংক্ৰান্তিৰ দিনাই বিহু আৰম্ভ নকৰে। বিহুৰ পিছৰ বুধবাৰৰ পৰাহে আৰম্ভ কৰে। তেওঁলোকৰ বাবে বুধবাৰেই আটাইতকৈ পৱিত্ৰ বাৰ। ব'হাগ বিহু বা 'বহাগীয় বিচু' দেউৰীসকলৰ প্ৰধান জাতীয় উৎসৱ। দেউৰী সমাজত বিহুৰ সমাদৰ আৰু বিহু পতাৰ প্ৰয়োভৰ বিশেষ মন কৰিবলগীয়া। বিহুত গোসানী-শালত তেওলোকৰ উপাস্য দেৱতা 'কুন্দিমামা' অৰ্থাৎ হৰ-গৌৰীক পূজাপাতল দিয়া নিয়ম। এওঁলোকৰ বিহু পতা নিয়ম কিছু সুকীয়া, ডেকাসকলৰ বিহু আৰু গাভৰুসকলৰ বিহু একে নহয়, পৃথক পৃথক। বয়সীয়া পুৰুষ আৰু মহিলাৰ বিহুও সুকীয়া। সকলোৱে মিলিজুলি একেলগে বিহুতলীত নানাচে। একেদৰে হুচৰি গোৱাৰ ব্যৱস্থাও বিশেষত্বপূৰ্ণ। এখন গাঁৱৰ মানুহ আন এখন গাঁৱলৈ গৈ হুচৰি গোৱাত বাধা নিষেধ আছে। ডেকাসকলৰ বিহুতলী বা বিহু খোলাত তেওঁকে ঢোল, টকা, পেপা, গগনা আদি লৈ গীত গায় আৰু নাচেও। সেইদৰে গাভৰু বিহু খোলাত গাভৰুৰে নাচে, গীতো গায়। এই গীতবোৰে জাতীয় ঐতিহ্যৰ উপৰি সদা পৰিচিত সমাজখনৰ বিবিধ চিত্ৰৰ সুন্দৰ আভাস দিয়ে।

ৰাভাসকলেও বৰ সমাৰোহেৰে তেওঁলোকৰ 'বৈশাখ', 'দোমাহী' পালন কৰে। ৰাভা ডেকা-গাভৰুৰেও তেওঁলোকৰ জাতীয় বাদ্যযন্ত্ৰ, কাৰা, গমনে, খাম, ব্ৰাছি আদিৰ সহযোগত নাচে আৰু গায়। ডিমাছাসকলে বিহু 'বুচু' বোলে। তেওঁলোকেও বিহুত নানা বাদ্যযন্ত্ৰ বজাই নাচে।

সোণোৱাল কছাৰী সম্প্ৰদায়ে বৰ উলহ-মালহেৰে বিহু পালন কৰে। এওঁলোকে বিহুত হাইদাং গীত, হিলালী গীত গায়। হুঁচৰি গাওঁতে ব্যৱহাৰ কৰা বাঁহৰ টকাটো এই সোণোৱাল কছাৰী সম্প্ৰদায়ৰে বৰঙণি।

অসম বুৰঞ্জীৰ এটা প্ৰসিদ্ধ সম্প্ৰদায় মৰাণসকলৰো

ঘাই উৎসৱ বিহু। তেওঁলোকেও বহাগ মাহৰ কোনো এটা বিশেষ বুধবাৰৰ পৰাহে বিহু পালন কৰে। মৰাণসকলে প্রতি বছৰে বিহুত হুঁচৰি নাগায়। তিনি-চাৰি বছৰৰ মূৰে মূৰেহে এটা বিহুত হুঁচৰি গোৱাৰ দিন স্থিৰ কৰি লয়।

গোৱালপাৰাৰ হাজং সকলেও ব'হাগ বিহু উলাহেৰে পালন কৰে। তেওঁলোকে এই বিহুক 'লেৱাটনা' বিহু বোলে। পশ্চিম অসমৰ কথিত ভাষাত 'লেৱা' মানে লতা। এডালৰ লতাৰ এমূৰে ডেকা আৰু এমূৰে গাভৰুৱে ধৰি টনাটনি কৰি গীত গাই বিহুত নাচে। কোনো অঞ্চলত এই বিহুক 'বিষুৱা' বুলিও কোৱা হয়।

অ-জনজাতিৰ সৈতে মিলি পৰা উৎসৱৰ আনন্দ ঃ

বড়ো-কছাৰীসকলৰ সমাজতো অ-জনজাতীয় অসমীয়া সমাজৰ দৰেই বিহুৰ বিশেষ সমাদৰ দেখা যায়। তিনিটা বিহুৰ ভিতৰত ব'হাগ বিহু আৰু মাঘ বিহু তেওঁলোকে উলহ-মালহেৰে পালন কৰে। বড়োসকলে বহাগ বিহুক 'বাইছাগু' বোলে। বাইছাগু উৎসৱত বড়ো-কছাৰী ডেকা গাভৰুৱে বাইছাগু মেথায় অর্থাৎ বিহুগীত গায়। তেওঁলোকৰ মাজত হুঁচৰিৰ দৰে 'মাগন' প্রথা আছে। গৰু বিহুৰ দিনা পুৱাই তেওঁলোকে গৰু, ম'হক গা ধুৱাবলৈ নিয়াৰ আগতে ধান খাবলৈ দিয়ে। দ্বিতীয় দিনা বড়োসকলে তেওঁলোকৰ উপাস্য দেৱতা 'বাথৌ' বা মহাদেৱক পূজা কৰে আৰু বাঁহী বজাই নতুন বছৰক আদৰণি জনায়। পূর্বৰে পৰা প্রচলিত প্রথা অনুসৰি বড়োসকলে বিহুত কড়ি খেলে। অসমৰ মঙলদৈ অঞ্চলত বিহুত বৈশাখী দৌল উৎসৱ পালন কৰা হয়।

অৰুণাচলৰ মনপা চেৰডুকপেন আদি বৌদ্ধ জনজাতিসকলে বসন্তকালত বুদ্ধৰ জন্মদিন বৌদ্ধ পূর্ণিমা শ্রদ্ধাৰে পালন কৰে। খামতি আৰু চিংফৌসকলেও তেনে উৎসৱৰ আয়োজন কৰে। খামতিসকলে এই উৎসৱত জন্তুৰ মুখৰ আকৃতিৰ মুখা আদি ব্যৱহাৰ কৰি নাচ-গানেৰে ৰং ৰহইচ কৰে। আদিমসকলেও এপ্রিল মাহৰ প্রথম ভাগত ভৈয়ামৰ ব'হাগ বিহুৰ দৰেই মপিন উৎসৱ পাতে।

ভৈয়ামত বাস কৰা বৌদ্ধসকলেও বিহুৰ দৰেই এক বসন্ত উৎসৱৰ আয়োজন কৰে। এই উৎসৱক তেওঁলোকে পয়চাংকেন বোলে। এই উৎসৱতে বুদ্ধদেৱৰ মূর্ত্তিখ গা ধুৱায়। ইয়াৰ পিছতে পিতৃ-মাতৃ আৰু গুৰুজনাৰ গাত পানী ঢালি গা ধুৱায় আৰু শেষত বন্ধু-বান্ধৱৰ গাত পানী ঢালি 'পানী বিহু' পাতি ৰং কৰে। সকলো বৌদ্ধ দেশতে এই প্রথা প্রচলিত।

আমাৰ 'সাতভনী'ৰে এগৰাকী মণিপুৰৰ মণিপুৰী সকলে নৃত্যগীত প্রধান 'চইৰাওৱা' উৎসৱেৰে নতুন বছৰক আদৰণি জনায়।

নগাসকলৰ বিভিন্ন জাতি, উপজাতিৰ মাজতো বসন্ত উৎসৱৰ প্রচলন আছে। 'মাৱাটছু', 'চুংৰেম' আৰু 'ছিংচো' নগাসকলৰ তিনিটা উল্লেখযোগ্য উৎসৱ। ইয়াৰ শেষৰেটো প্রকৃততে বসন্ত উৎসৱ যদিও ইয়াৰ উদ্দেশ্য কৃষিধর্মী।

মিজোসকলৰ প্রধান বসন্ত উৎসৱটিৰ নাম 'ছাৱাছাৰকুট' নৃত্য প্রধান এই উৎসৱত গোটেই মিজোৰাম উৰুলিকৃত হৈ পৰে। ত্রিপুৰীসকলেও আমাৰ ৰঙালী বিহুৰ দৰেই এক উৎসৱৰ আয়োজন কৰে। এই উৎসৱ সাদিনৰ দিনা আয়োজিত বিশেষ উৎসৱক 'গৰিক পূজা' বোলে।

অসম আৰু উত্তৰ পূর্বাঞ্চলৰ আন বহু জাতি-জনজাতিয়েও বিহুৰ সমসাময়িকভাৱে নিজ নিজ বসন্ত উৎসৱ উলহ মালহেৰে পালন কৰে। অসমৰে পর্বত-ভৈয়াম সকলোকে নতুন বছৰক নৃত্যগীতেৰে স্বাগতম জনোৱা হয়। এই উৎসৱসমূহে জনজীৱনৰ জীৱন-যাত্রা আৰু জীৱন-দর্শন স্বৰূপার্থত বহন কৰি আহিছে। উৎসৱসমূহৰ লগত সাঙোৰ খাই থকা নৃত্য গীতসমূহতো অপৰূপ প্রকৃতিৰ ছবি, জনগণৰ জীৱনৰ কল্পনা, উপলব্ধি আৰু হৃদয়ৰ বতৰা তথা সমগ্র সংস্কৃতিৰ ৰং আৰু সুৰভিৰে সুবাসিত হৈ আছে। সেইদৰে ইয়াৰ নৃত্যত ৰূপায়িত হৈছে আদিম বিশ্বাসৰ ৰূপ আৰু জীৱন ছন্দ। আৰু এনেদৰেই এই উৎসৱসমূহে পর্বত-ভৈয়ামৰ সংস্কৃতিৰ এক অপৰূপ সমন্বয় সাধন কৰি আছে আৰু কৰি থাকিব।



আলি আইলৃগাং

বিমান মেধি
উচ্চতৰ মাধ্যমিক দ্বিতীয় বর্ষ

অসম বহু জনগোষ্ঠীৰ মিলনভূমি। নদীমাতৃক অসমৰ সমূহ জনগোষ্ঠীয়েই কৃষিজীৱী। কৃষিজীৱী জনগোষ্ঠীসমূহৰ মাজৰে এটি জনগোষ্ঠী মিচিংসকল। কৃষিজীৱী জনসমাজৰ জীৱন ধাৰণৰ পদ্ধতি আৰু কৃষ্টি সংস্কৃতি মূলতঃ কৃষিভিত্তিক হোৱাই স্বাভাৱিক। অন্যান্য কৃষিজীৱী সমাজৰ দৰে মিচিং সমাজৰ জীৱনৰ চকৰিও প্ৰকৃতিৰ লগে লগে ঘূৰে। ব্যস্ততাভৰা জীৱনৰ অৱসৰৰ সময়তে মানুহে পালন কৰে বিভিন্ন উৎসৱ-অনুষ্ঠান। মিচিং জনগোষ্ঠীয়েও বছৰৰ কৃষিকৰ্ম উদযাপন কৰাৰ আগে আগে নৃত্যগীতৰ সমন্বয়ত এটি উৎসৱ পালন কৰে। এই উৎসৱেই হ'ল আলি-আই-লৃগাং।

আলি-আই-লৃগাং মিচিংসকলৰ প্ৰধান উৎসৱ। মিচিং ভাষাত আলি মানে শস্যৰ বীজ বা কঠীয়া, আয়ে মানে ফল আৰু লৃগাং মানে আৰম্ভণী। অৰ্থাৎ, শস্য ৰোপণৰ আৰম্ভণী উৎসৱ। ইয়াৰ পৰাই বুজা যায় যে আলি-আই-লৃগাং এটা কৃষি উৎসৱ আৰু ই মিচিং কৃষিভিত্তিক জীৱনৰ ওপৰত ভিত্তি কৰিয়েই গঢ় লৈ উঠিছে। আলি-আই-লৃগাং প্ৰত্যেক বছৰে সমগ্ৰ মিছিং সমাজত পালন কৰা হয় অতীত কালত ফাগুন মাহৰ যিকোনো দিনত ইয়াক পালন কৰা হৈছিল। ইয়াৰ কোনো নিৰ্দিষ্ট দিন বাৰ নাছিল কিন্তু আজি কালি ফাগুন মাহৰ প্ৰথমটো বুধবাৰে সামগ্ৰিকভাৱে মিছিং সমাজে এই উৎসৱ পালন কৰে। মিছিংসকলৰ বিশ্বাসমতে বুধবাৰৰ দিনটো কৃষি সম্পৰ্কত এটা শুভ দিন। সেয়েহে এটা নিৰ্দিষ্ট বুধবাৰত আলি-আই-লৃগাং উদযাপন কৰিবলৈ লোৱা হ'ল।

মাংগলিক উৎসৱটিৰ ৰীতি-নীতি ঃ

আলি-আই-লৃগাং উৎসৱ দুভাগত বিভক্ত। এটা ভাগ কৃষি কাৰ্যমূলক আৰু আনটো উৎসৱমূলক অনুষ্ঠান। প্ৰথম

ভাগটো ধর্মীয় বিশ্বাস আৰু সামাজিক পৰম্পৰাৰ সৈতে জড়িত। উৎসৱৰ দিনা পুৱাৰ ভাগতে মুৰব্বীজনে পথাৰ বা বাৰীৰ এচুকত মাংগলিক কার্য সম্পাদন কৰে। দীঘে-পথালিয়ে পাঁচ-ছফুট বহল জোখৰ মাটি এডোখৰ চহ কৰি লোৱা হয় আৰু ইয়াৰ চাৰি চুকত চাৰিজোপা মেগেলা গছ গুজি দি একেলগে জুমুঠিয়াই বন্ধা হয়। তাৰ পাছত কপাহৰ আহ মেগেলাবিলাকত লগাই দিয়া হয়। লৃগাং কার্য সম্পাদন কৰা লোকজনে কাণৰ গুৰিত কপাহ লগাই লয়। তাৰ পাছত চহ কৰা মাটিত কণী এটা ভাঙি দিয়া হয়। ইয়াৰ পাছতেই সৃষ্টি আৰু পালন কর্তাক সম্বোন্ধি বিশেষ বচন মাতে আৰু আলু, আধা, ধান আদি মাটিত ৰুই দিয়ে। ইয়াকে লৃগাং (ৰোপণর আৰম্ভণি) বুলি কোৱা হয়। এই লৃগাং শেষ কৰাৰ পিছত পূর্বপুৰুষ সকলক স্মৰণ কৰে। কৌপাত বা তৰাপাত পাত্রত দেৱতালে আপং আৰু পুৰাং যাচি কৃষিৰ সুফল আৰু মংগলময় জীৱনৰ বাবে প্রার্থনা জনোৱা হয়। সেইদিনা গাঁৱৰ সকলো লোকেই ঘৰে ঘৰে উঠি পুৰাং (পাতত সিজোৱা ভাত), আপং আৰু অন্যান্য বিশেষ বিশেষ খাদ্য খাই ফুৰে। ই মিচিং লোকসকলৰ পৰম্পৰাগত সামাজিৰক ৰীতি। ইয়াৰ যোগেদি সামাজিক আনন্দ উপভোগ কৰাৰ লগতে সমাজৰ লোকসকলৰ মাজত মিলাপ্রীতি আৰু সামাজিক সংহতি সাধনৰ পথ প্রশস্ত হয়। গধূলি সময়ৰ পৰা 'গুমৰাগ ছঝমান' বিহু অনুষ্ঠান আৰম্ভ হয়। গাঁৱৰ ডেকা-গাভৰুসকলে একেলগে হৈ গুমৰাগ বিহু গায়। গাভৰুবিলাকে নতুন সাজ-পাৰ কৰি নাচিবলৈ যায়। ঢোল, পেপা, গগনা, লেঃনং, মার্বা, দেনদেন, তাপুং আদি বাদ্যযন্ত্র লৈ আনন্দেৰে নাচ-গান কৰে। ইয়াত ডেকা-গাভৰুৱে একেলগে ঢোলৰ ছেৱে ছেৱে নৃত্য কৰে। এই নৃত্যবোৰ উর্বৰতা আৰু ঐন্দ্রজালিক ক্রিয়াৰে সমৃদ্ধ। ইয়াত থাকে কৃষি শস্যৰ হালি-জালি বাঢ়ি অহা নৃত্য ভংগীমা। এই নৃত্যৰ যোগেদি কৃষিকার্যৰ সমৃদ্ধি কামনা কৰা হয়।

আলি-আই-লৃগাং সাধাৰণতে পাঁচদিন ধৰি চলাৰ নিয়ম। শস্যৰ গুটি মাটিত পেলোৱাৰ দিন, অর্থাৎ, লৃগাঙৰ দনৰ পৰা শস্য গজালি মেলাৰ 'লঃলেন'ৰ দিনলৈ পাঁচদিন সময় লাগে। এই পাঁচদিন সময় ডেকা-গাভৰুৱে মানুহৰ ঘৰে ঘৰে গৈ গুমৰাগ চঃমান কৰে। শেষৰ দিনা সংগৃহীত টকা-পইচাৰে খাদ্য সামগ্রী আনি ভোজ ভাত খোৱাৰ নিয়ম। অৱশ্যে আজি-কালি লৃগাং উৎসৱ পাঁচদিনীয়া নকৰি দুই-তিনি দিনতেই শেষ কৰাৰ প্রথা চলিবলৈ ধৰিছে।

আলি-আই-লৃগাংৰ প্রথম তিনিদিনত প্রতি ঘৰ মানুহে ভকত-ভকতনী চপাই মাংগলিক সকামৰ যোগেদি পূর্বপুৰুষ আৰু ইষ্ট দেৱতাসকলৰ প্রতি ভকতি যাচে। সেই কেইদিনত ৰাতি ঘৰে ঘৰে গৈ তেওঁলোকৰ 'য়দনাম' অর্থাৎ কর্মবিৰতি। গাঁওবাসী সেইদিনা কাম-কাজৰ পৰা বিৰত থাকে। বিশেষকৈ গছ-বন বা ঘাঁহ-বন কটা, মাছ মৰা, মাটি খন্দা বা চহ কৰা পথাৰত জুই জ্বলোৱা আদি সেইদিনা সম্পূর্ণ নিষিদ্ধ। এনে বহু কাম সেইদিনটোত মিচিংসকলে নকৰে। এই ৰীতি উলংঘা কৰিলে পূর্বপুৰুষ আৰু ইষ্টদেৱতা অসন্তুষ্টি হয় আৰু ফলস্বৰূপে খেতি-বাতি বেয়া হয় বুলি মিচিংসকলে বিশ্বাস কৰে। আলি-আই-লৃগাংৰ পঞ্চমদিনা অর্থাৎ কর্মবিৰতিৰ অৱসান ঘটাই পুনৰ ভোজ আৰু নৃত্যগীতৰ মাজেৰে উৎসৱৰ সামৰিণ অনুষ্ঠান উদযাপিত কৰা হয়।

আলি-আই-লৃগাং উৎসৱ কেতিয়া কেনেকৈ উৎপত্তি কৰি বিকাশৰ পথত অগ্রসৰ হয় তাক নির্দিষ্টকৈ কোৱা টান। মানৱজাতিৰ কৃষি সভ্যতাৰ প্রগতিৰ ক্ষেত্রখন অধ্যয়ন কৰি জনা যায়, নাঙল-যুঁৱলীৰে খেতি কৰাৰ আগতেই আলি-আই-লৃগাং উৎসৱৰ উৎপত্তি। ধানখেতি কৰিবলৈ লোৱাৰ আগতেই ইয়াৰ বিকাশ। অর্থাৎ মিচিংসকলে ভৈয়ামলৈ আহি নাঙল-যুঁৱলীৰে ধান খেতি কৰাৰ আগতেই আলি-আই-লৃগাং পালন কৰিছিল। সেই সময়ৰ পৰা ক্রমবিকাশৰ মাজেদি বর্তমানৰ অৱস্থা পাইছে।

আলি-আই-লৃগাং বসন্তকালীন কৃষি উৎসৱ। কৃষিজীৱী মিচিং জনসমাজৰ জাতীয় উৎসৱ। আলি-আই-লৃগাংৰ উপৰি তেওঁলোকৰ পঃৰাগ, আমৰাগ আদি উৎসৱ আছে। বিহু উৎসৱবোৰ আনুষ্ঠানিক আৰু মঞ্চমুখী হোৱাৰ দৰেই আলি-আই-লৃগাঙৰ দৰে কৃষিজ উৎসৱসমূহো মঞ্চমুখী হৈছে। কিন্তু প্রকৃতিৰ লগত নিবিড়সম্পর্ক থকা কৃষি উৎসৱসমূহত আধুনিকতাৰ পৰশ লাগিলে তাৰ স্বকীয়তা হেৰাই যোৱাৰ সম্ভাৱনা থাকে।

নাৰী মুক্তি আন্দোলন

দীপশিখা দাস
বি.কম. দ্বিতীয় ষান্মাষিক



নাৰী, মাতৃ-ভগ্নী-প্রাণাধিকা প্রিয়া, সৃষ্টি চৰাচৰৰ আধাৰ নাৰী। নাৰীৰ অবিহনে আমাৰ পৃথিৱী হৈ পৰিব শূন্য। জননী মাতৃ, ৰক্ষাকর্তাৰূপে পৃথিৱীৰ জীৱৰ বসতি সম্ভৱ কৰি তুলিছে নাৰীয়ে। নাৰীবিহীন পৃথিৱী মানে জনশূন্য ধৰাতল। নাৰীয়ে ইচ্ছা কৰিলে এই পৃথিৱীত সৃষ্টি আৰু ধ্বংস দুয়োটা সমানে কৰিব পাৰে।

ভাৰতত নাৰীৰ স্থান ঃ

ভাৰতত নাৰীৰ স্থান ক'ত ঘপহকৰে কোৱা টান। ইয়াত যেনেকৈ নাৰীৰূপে দুর্গা, সৰস্বতী, কালীৰ পূজা কৰা হয় তেনেকৈ বছৰত কিমান মহিলা যৌতুকৰ জুইত জাহ যায়, কিমান শিশু কন্যা ভ্রূণতে হত্যা কৰা হয় তাৰ হিচাপ কাৰো হাতত নাই। ইয়াৰ পৰা এটা কথাই স্পষ্ট হয় যে ভাৰতত নাৰী সদায় পুৰুষৰ অধীন। প্রাকৃতিক-শাৰীৰিক কাৰণত নহয়, নাৰী সামাজিক কাৰণত পুৰুষৰ অধীন হৈ আছে। প্রাচীন কালৰে পৰা আজিলৈকে ভাৰততে নহয় পৃথিৱীৰ নানা ঠাইত নাৰী শোষণৰ বলি হৈ আহিছে। নাৰীয়ে মাতৃ হিচাপে ঘৰ-সংসাৰৰ বাঘজৰী চম্ভালি সন্তানক শিক্ষা-দীক্ষা দি মানুহ হিচাপে গঢ়ি তুলিবলৈ এক গধুৰ দায়িত্ব পালন কৰে। ঘৰখনৰ মূল মানুহগৰাকী হ'ল নাৰী। আনকি নাৰীগৰাকীয়ে ঘৰখনৰ পৰা সমাজখনলৈ ভেটি গঢ়াত প্রচুৰ সহায় কৰে। ৰাজনীতি, সমাজ, ধর্ম আদিৰ ক্ষেত্রতো নাৰীগৰাকীয়ে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীৰ ভূমিকা অতি গুৰুত্বপূর্ণ। অথচ ভাৰততে সর্বাধিক নাৰী নির্যাতন হয়। ইয়াত প্রতি বছৰে কিমান নাৰী ঘৰুৱা নির্যাতন, শাৰীৰিক অত্যাচাৰ, যৌতুকৰ বলি হয় তাৰ খবৰ আমি পায়ে থাকো। প্রাগৈতিহাসিক কালৰে পৰা আজিৰ তাৰিখলৈকে কিমান। নাৰী শোষণৰ বলি হৈছে তাৰ হিচাৰ নাই। সীতাৰ দৰে মহিয়সীৰ অগ্নিপৰীক্ষা, দ্রৌপদীৰ বস্ত্রহৰণ, জয়মতীক কৰা অত্যাচাৰ আদি অনেক নির্যাতনৰ কাহিনী আমি জানো। একোখন ভাৰততে ইন্দিৰা গান্ধী, প্রতিভা পাটিল, সুনীতা উইলিয়ামছ, কল্পনা চাওলা, ছানিয়া মির্জা আদিৰ দৰে মহিলা আছে আৰু যৌতুকৰ বাবে বলি হোৱা নাৰী, নিপীড়িত শিশু কন্যা আদিও আছে। ভাৰতেই এনে এখন দেশ য'ত নাৰী একেলগে নির্যাতিত আৰু পূজিত হৈ আহিছে। য'ৰ পৰা আৰম্ভ হৈছে নাৰী মুক্তি আন্দোলন।নাৰীৰ শোচনীয় অৱস্থাই আন্দোলনৰ পথত আগবাঢ়ি যাবলৈ বাধ্য কৰিছে নাৰীক।

ইতিহাসত নাৰী মুক্তি আন্দোলন ঃ

সমাজ পৰিৱর্তনৰ লগে লগে নাৰীৰ অৱস্থাৰো পৰিৱর্তন ঘটিল। ইউৰোপৰ শিল্প বিপ্লৱৰ ফলত গণতান্ত্রিক ধাৰণা সমগ্র বিশ্বতে প্রচাৰ হ'বলৈ ধৰে। সাম্য, মৈত্রী, মুক্তিৰ ধ্বনিৰে ফৰাচী বিপ্লৱেও পৃথিৱীত স্বাধীনতাৰ বীজ সর্বত্র ৰোপণ কৰিছিল। নাৰীৰ মাজতো তেতিয়াই চাৰি বেৰৰ মাজৰ পৰাই ওলাই অহাৰ এক ধাৰণাই পোখা মেলিছিল। সংসাৰৰ বোজা লোৱাৰ পাছতো যে নাৰীৰ কৰিবলগীয়া বহু কাম আছে সেয়া বুজি পাইছিল নাৰীসকলে। নাৰীয়ে পুৰুষৰ সমানে সমানে সামাজিক কাম, উৎপাদন ব্যৱস্থা, কৃষি, সাহিত্য, ৰাজনীতি, সংস্কৃতি আদি সকলো দিশতে আগবাঢ়িব পাৰে, সেই কথা উপলব্ধি কৰিছিল। কালক্রমত সেয়া হৈ উঠিছিল নাৰীমুক্তি

আন্দোলন। নাৰীমুক্তিৰ আন্দোলন আচলতে পশ্চিমৰ দেশবোৰত আৰম্ভ হৈছিল। নাৰীৰ যে এক বেলেগ সত্তা আছে সেই কথা তেওঁলোকে উপলব্ধি কৰিছিল। সম্পত্তিৰ অধিকৰা, বিবাহ আৰু বিবাহোত্তৰ নির্যাতনৰ পৰা মুক্তি, শিক্ষাৰ অধিকাৰ, ব্যক্তিগত জীৱনত পুৰুষৰ সমানে আগবঢ়া আদিৰ বাবে চাৰিবেৰ ভাঙি ওলাই আহিছিল তেওঁলোক। পুৰুষৰ দৰে সকলো বৃত্তি অৱলম্বন কৰি জীৱিকাৰ বাট মোকলোৱা, ভোট দিয়াৰ অধিকাৰ, সমাজত পুৰুষৰ সমানে যি যি অধিকাৰ লাগে সেই সকলো পাবৰ বাবে সংগ্রাম কৰিছিল। যাৰ ফলত পুৰুষৰ সমানে জীৱন ধাৰণ আৰু জীৱিকা উপার্জন কৰিব পাৰিছিল তেওঁলোকে। ঔদ্যোগিক বিকাশ, শিক্ষাৰ প্রসাৰ আদিৰ ফলত কল-কাৰখানাতো কাম কৰাৰ সুবিধা ওলাল। কিন্তু মহিলাসকল শাৰীৰিক শক্তিত পুৰুষতকৈ কম বুলি এটা ধাৰণা প্রচলিত হোৱাৰ ফলত কু প্রভাৱ পৰিছিল। পুৰুষৰ সমানে কাম কৰিলেও সমানে বেতন নাপাইছিল। অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰাৰ ফলত মহিলাসকলে পুৰুষৰ তুলনাত সোনকালে অসুখ আদিত ভুগিছিল। এনে অনেক সমস্যাই যেতিয়া সহ্যৰ সীমা পাৰ কৰিলে তেতিয়া মহিলাসকলে আন্দোলনৰ পথ বাচি ল'লে। প্রথম অৱস্থাত সংগঠন গঢ়ি, মেল-মিটিং কৰি ৰাইজক বিশেষকৈ মহিলাসকলক সজাগ কৰা চেষ্টা কৰা হ'ল। আন্দোলন, অনশন, ধর্মঘট, আদি কৰিও নাৰী মুক্তিৰ বাবে সংগ্রাম চলাই যোৱা হ'ল। এনে বহু ঘটনাৰ সাক্ষী ইতিসাহ। কোনো কষ্টকে কষ্ট নুবুলি তেতিয়াৰ পৰা স্বাধীনতাকামী নাৰীয়ে চলাই গ'ল তেওঁলোকৰ মুক্তি সংগ্রাম। অৱশেষত দুখন মহাসমৰৰ পাছত পৃথিৱীৰ ঠায়ে ঠায়ে নাৰী মুক্তি আন্দোলনে সফলতা লাভ কৰিলে। প্রাপ্য অধিকাৰ পালে নাৰীয়ে।

নাৰীয়েই হ'ব আন্দোলনৰ গুৰি ধৰোঁতা ঃ

এসময়ত নাৰীয়েই আৰম্ভ কৰিছিল নাৰীমুক্তি আন্দোলন। পুৰুষতান্ত্রিক সমাজখনত মহিলাই অর্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক, আইন সকলো দিশতে নিজৰ ক্ষমতা প্রয়াস কৰিছে। ভাৰতৰ দৰে দেশ এখনতো সেই কথা স্পষ্টৰূপত ধৰা পৰিছে। স্বাধীনতা আন্দোলনত অংশ লোৱাৰ পৰা আৰম্ভ কৰি বর্তমানলৈকে ভাৰতৰ নাৰীসকলে সকলো ক্ষেত্রতে পুৰুষৰ সমানে অধিকাৰ সাব্যস্ত কৰিছে। নির্যাতনৰ প্রতিবাদত ৰাজপথলৈ ওলাই আহিছে। নাৰীয়েই গুৰি ধৰিলে নিজৰ মুক্তি আন্দোলনৰ। সম্প্রতি সমগ্র বিশ্বতে নাৰী মুক্তি আন্দোলনৰ জয়জয়কাৰ শুনা গৈছে। হাজাৰ হাজাৰ বছৰ ধৰি চলি থকা বন্ধন ছিণ্ডি নাৰীয়ে আৰম্ভ কৰা মুক্তি আন্দোলনে সূচনা কৰিছে নতুন পথ। কিন্তু এতিয়াও আছে বহু দূৰ যাবলগীয়া, কাৰণ নাৰীয়ে আৰম্ভ কৰা নাৰী মুক্তি নাৰীয়েই কেতিয়াবা বাধা হৈ আন্দোলনত থিয় দিয়া দেখা যায়। ঘৰ এখনত মহিলাসকলৰ সম্পূর্ণ সমর্থন নহ'লে যৌতুকৰ বলি হ'বলগীয়া নহ'লহেঁতেন কোনো নাৰী। এয়াও স্বীকাৰ কৰিব লাগিব, ক'ৰবাত কোনোবা দিনা কোনো নাৰীয়ে কাৰোবাৰ কষ্ট বুজাৰ বাবে সম্ভৰ হ'ল নাৰী মুক্তি আন্দোলনৰ।

সমাজত মহিলাসকলক পৃথিৱীৰ পোহৰ দেখাৰ পৰাই নানা ধৰণে নানা ধৰণে বুজোৱা হয় যে তেওঁলোকৰ সৃষ্টি হৈছে পুৰুষৰ বাবে। পুৰুষৰ মাতৃ, পত্নী, প্রেয়সী হোৱাটোৱেই যেন নাৰীৰ জীৱনৰ মূল-মন্ত্র। সন্তানৰ মাতৃ হোৱা, ঘৰ চম্ভালা আদিৰ বাহিৰেও যে নাৰী স্বতন্ত্র সত্তা সেয়া বুজি উঠাৰ পাছতহে আচলতে নাৰী মুক্তি হ'ব। অভিনয়, মডেলিং আদিৰ দ্বাৰা শৰীৰ প্রদর্শনৰ যি ধূম উঠিছে তাক আন্দোলন কৰিব নহয় নিজৰ উপলব্ধিৰ পৰাহে বুজিব লাগিব এয়া যে এক প্রকাৰৰ শোষণা। বলাৎকাৰ আদিৰ দৰে অপমানজনক, অমানুষিক কার্য সংঘটিত হোৱাটোত নগ্ন নাৰীবো ভূমিকা বহুত। গতিকে এনেবোৰ কথাৰ বিৰোধিতা কৰি গণ আন্দোলন কৰিলেহে আচলতে নাৰী মুক্তি আন্দোলন হ'ব। আন্দোলন কৰাৰ আগত প্রতিগৰাকী নাৰীয়ে জানিব লাগিব 'মুক্তি'ৰ অর্থ।

শিমলুৰ সৌ ৰঙা পাহিত
তুমি আহি মাৰিলা হাঁহি।
হাঁহি নে বাঁহীৰ খলকনিত
উৰি গুচি গ'ল এজোপা তুলা...

—হীৰেন ভট্টাচার্য

ভাৰতীয় বেংক-ব্যৱস্থা

কাকোলি গোস্বামী
বি.কম ৩য় ষান্মাষিক

বেংক হ'ল দেশৰ অর্থনৈতিক উন্নয়নৰ চালিকা শক্তি। সেয়ে বেংকে দেশৰ অর্থনৈতিক উন্নয়নত অতি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। কোনো এখন দেশৰ অর্থনৈতিক উন্নয়নৰ বাবে আৱশ্যকীয় মৌলিক সা-সুবিধাসমূহৰ কেবাটাও বেংকে যোগান ধৰে। উন্নত বেংক ব্যৱস্থাৰ অবিহনে কোনো দেশেই অর্থনৈতিক প্রগতিৰ পথত আগবাঢ়িব নোৱাৰে। গতিকে কোনো এখন দেশৰ অর্থনৈতিক উন্নতি-অৱনতি বেংক ব্যৱস্থাৰ ওপৰত নির্ভৰশীল। যি দেশৰ বেংক ব্যৱস্থা উন্নত সেই দেশৰ অর্থনৈতিক অৱস্থাও উন্নত। প্রত্যেক দেশৰ অর্থনৈতিক অৱস্থাৰ উন্নয়নৰ স্বার্থতে মূলতঃ বেংক ব্যৱস্থাই গঢ় লৈ উঠে।



বেংক ব্যৱসায়িক বিত্তীয় প্রতিষ্ঠান। ধন সংগ্রহ কৰা আৰু ধনৰ যোগান ধৰাই এই প্রতিষ্ঠানৰ ঘাই কাম। বেংকে সংগ্রহ কৰা ধনৰ ওপৰত সুদ দিয়ে আৰু যিসকলক ধনৰ যোগান ধৰে তেওঁলোকৰ পৰাও সুদ গ্রহণ কৰে। এই উভয় প্রকাৰৰ লেন-দেনৰ বাবে বেংকৰ কিছুমান গৃহীত নীতি থাকে। বেংকে এই নীতিবোৰ কঠোৰভাৱে মানি চলে। উভয় প্রকাৰৰ লেন-দেনৰ মাজেদিয়ে বেংকে লভ্যাংশ অর্জন কৰে। বেংকে যিসকলৰ ধন জমা ৰাখে সেইসকলক আমানতকাৰী বোলে। আমানতকাৰীৰ পৰা সংগ্রহ কৰা ধনৰ পৰিমাণৰ ভিত্তিতহে বেংক আনলৈ ধনৰ যোগান ধৰে।

আধুনিক যুগত বেংক ব্যৱস্থা যিদৰে গঢ় লৈ উঠিছে প্রাচীন কালত বেংক ব্যৱস্থা তেনেদৰে গঢ় লৈ উঠা নাছিল যদিও বেংকৰ যি মূল কাম ঋণদান, এই ঋণদান প্রথা প্রাচীন কালতো আছিল। বৈদিক যুগতো ঋণদান প্রথাৰ প্রচলন আছিল। ধনী মহাজন, জমিদাৰ, পুঁজিপতি, ব্যৱসায়ী আদিয়ে প্রাচীন কালত ধনৰ যোগান ধৰি বেংকৰ ভূমিকা পালন কৰিছিল। ঊনৈশ শতিকালৈ বিভিন্ন ৰূপত এনে হোৱা ব্যৱস্থাই প্রচলিত আছিল। আনকি এনে বিত্তীয় লেন-দেনক কেন্দ্র কৰি সমাজত এটা শ্রেণীৰো উদ্ভৱ হৈছিল। শেঠ, শেট্টি, চৰাফ, চাহুকাৰসকল আছিল এই শ্রেণীৰ লোক। এওঁলোকে আছিল সেই সময়ত একো একোটা অনা-আনুষ্ঠানিক বেংক।

ভাৰতত ইংৰাজসকলৰ দিনতহে আধুনিক বেংক ব্যৱস্থাৰ প্রৱর্তন হয়। ভাৰতবর্ষৰ প্রথম আনুষ্ঠানিক বেংক 'বেংক অব হিন্দুস্তান' (Bank of Hindustan) ১৭৭০ চনত স্থাপিত হয়। পিছৰ পর্যায়ত কলিকতা, বোম্বাই (মুম্বাই), মাদ্রাজ (চেন্নাই)ত প্রেছিডেন্সি বেংক স্থাপন হয়। এই প্রেছিডেন্সি বেংক তিনিটা একত্রিত কৰি ১৯১৯ চনত ইম্পেৰিয়েল বেংক অব ইণ্ডিয়া গঠিত হয় যদিও ১৯৫৫ চনত এই বেংকটোৰ ৰাষ্ট্রীয়কৰণ হয় আৰু ইয়াৰ নাম হয় ষ্টেট বেংক অব ইণ্ডিয়া (State Bank of India)।

ভাৰতৰ দৰে বিশাল আয়তনৰ বর্দ্ধিত জনসংখ্যাৰ চাহিদালৈ লক্ষ্য ৰাখি ভাৰতবর্ষত বিভিন্ন প্রকাৰৰ বেংক ব্যৱস্থাই গঢ় লৈ উঠিছে। ইয়াত বিভিন্ন প্রকাৰৰ বেংকে গঢ় লৈ উঠিছে যদিও এই সমূহ বেংকৰ কেন্দ্রীয় বেংক হ'ল ভাৰতীয় ৰিজার্ভ বেংক (Reserve Bank of India) অর্থাৎ

ভাৰতীয় ৰিজাৰ্ভ বেংকেই হ'ল বেংকসমূহৰ মুৰব্বী বেংক। ১৯৩৫ চনত স্থাপিত হোৱা এই বেংকটো ১৯৪৯ চনৰ ১ জানুৱাৰীত ৰাষ্ট্ৰীয়কৰণ হয়। এই বেংকেহে মাথো টকা ছপা কৰিব পাৰে। ন্যূনতম সংৰক্ষিত বিধি মানি এই বেংকে টকা ছপা কৰে। এই বেংকে চৰকাৰৰ বেংক হিচাপে চৰকাৰী আদায় গ্ৰহণ কৰে আৰু দিবলগীয়া ধন পৰিশোধ কৰে আৰু ৰাজহুৱা ঋণ পৰিচালনা কৰে। কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰক ধনৰ যোগান ধৰে। এই বেংকে চৰকাৰী দায়-দায়িত্ব পালন কৰে যদিও ই চৰকাৰী বিভাগ নহয়। চৰকাৰী অধিস্বীকৃত এজেণ্টহে। দেশৰ বৈদেশিক মুদ্ৰাৰ লেন-দেনো এই বেংকৰ জৰিয়তে হয়। এই বেংকেই ঋণ নিয়ন্ত্ৰণ কৰে।

ভাৰতীয় বেংক ব্যৱস্থাৰ ব্যাপক অংশ আগুৰি আছে ব্যৱসায়িক বেংকে। এই ব্যৱসায়িক বেংকৰ ভিতৰত হৈছে অনুসূচীত বেংক, চৰকাৰী বেংক, ব্যক্তিগত খণ্ডৰ বেংক, আঞ্চলিক বেংক, বৈদেশিক বেংক ইত্যাদি। ইয়াৰ বাহিৰেও দেশৰ সমবায় খণ্ডত সমবায় বেংকত গঠিত হৈছে। সমবায় বেংকসমূহ ৰাজ্যিক, জিলা আৰু গাঁও পৰ্যায়ত গঠিত হৈছে। সমবায় খণ্ডত গঠিত আন এটি উল্লেখযোগ্য বেংক হ'ল ভূমি উন্নয়ন বেংক (Lend Development Bank)।

ভাৰতৰ কেন্দ্ৰীয় বেংক হ'ল ৰিজাৰ্ভ বেংক অব ইণ্ডিয়া। এই বেংকটোৱেই হ'ল দেশখনত গঢ় লৈ উঠা সমস্ত ধৰণৰ ব্যৱসায়িক বেংকসমূহৰ মুৰব্বী বেংক। সেয়ে কেন্দ্ৰীয় বেংক, ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ অন্যান্য ব্যৱসায়িক বেংকসমূহৰ সৈতে কিছুমান পাৰ্থক্যও আছে। ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ বাহিৰে আন ব্যৱসায়িক বেংকসমূহৰ মুদ্ৰা চপোৱাৰ অধিকাৰ নাই। মুদ্ৰা ছপোৱাৰ সমস্ত দায়িত্ব ৰিজাৰ্ভ বেংকৰ ওপৰত ন্যস্ত কৰা হৈছে। এই বেংকৰ ব্যৱসায়িক বেংকৰ সৈতে কোনো ধৰণৰ প্ৰতিদ্বন্দ্বিতা নাই। ৰিজাৰ্ভ বেংকে ব্যক্তিগত লোকৰ আমানত গ্ৰহণ নকৰে আৰু ঋণদানো নকৰে। ব্যক্তিগত আমানতকাৰীৰ আমানত গ্ৰহণ কৰা আৰু ব্যক্তিগত ঋণ বিচৰাজনক ঋণদান কৰাই হ'ল ব্যৱসায়িক বেংকসমূহৰ মূল কার্য। ৰিজাৰ্ভ বেংক অব ইণ্ডিয়া ভাৰতৰ ৰাষ্ট্ৰীয়কৃত বেংক। কিন্তু সকলো ব্যৱসায়িক বেংক ৰাষ্ট্ৰীয়কৃত নহয়। ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ আইন অনুযায়ীয়ে ব্যৱসায়িক বেংকসমূহ গঠিত হয় আৰু এই বেংকৰ তদাৰক মতে পৰিচালিত হয়।

ব্যৱসায়িক বেংকসমূহৰ মূল লক্ষ্য হ'ল অধিক মুনাফা উপার্জন কৰা। ইয়াৰ ফলস্বৰূপে এই বেংকসমূহ বৃহৎ ব্যৱসায়ী গোষ্ঠীৰ নিয়ন্ত্ৰণাধীন হৈ পৰিল। বৃহৎ ব্যৱসায়ীসকলেহে এনে বেংকৰ পৰা ঋণ গ্ৰহণ কৰি নিজৰ ব্যক্তিগত ব্যৱসায় যোগে অধিক লাভৱান হোৱাৰ বাট মুকলি হ'ল। আনহাতে ক্ষুদ্ৰ খেতিয়ক, ব্যৱসায়ী, উদ্যোগপতি আদিয়ে এনে বেংকৰ পৰা ঋণ সংগ্ৰহ কৰা ক্ৰমশঃ কঠিন হৈ আহিল। তদুপৰি বৃহৎ ব্যৱসায়ী গোষ্ঠীৰ বেংক ব্যৱস্থাৰ ওপৰত সম্পূৰ্ণ অধিকাৰ স্থাপিত হ'লে ইয়াৰ দ্বাৰা অর্থনৈতিক সম্পদ আৰু ক্ষমতাৰ কেন্দ্ৰীয়কৰণ ঘটি আর্থ-সামাজিক ব্যৱস্থাত অধিক বৈষম্যৰ সৃষ্টি কৰিব। লগতে ক্ষুদ্ৰ ঋণ লওঁতাসকলে মহাজন আৰু বেপাৰীৰ পৰা অধিক সুদৰ হাৰত ঋণ ল'বলৈ বাধ্য হৈ সময়ত সর্বহাৰা হৈ পৰিব। এই ব্যৱসায়িক বেংকসমূহে ভাৰতবর্ষৰ দৰে কৃষিপ্ৰধান দেশ এখনতো কৃষিখণ্ডত ঋণদান দিয়াত অৱহেলা কৰা হেতুকে কৃষিখণ্ডই মূলধনৰ অভাৱত আৱশ্যকীয় উৎপাদন বৃদ্ধি কৰিবলৈ সক্ষম হ'ব পৰা নাছিল। ঘাইকৈ এনেবোৰ কাৰণতে দেশৰ আর্থ-সামাজিক উন্নয়নৰ স্বার্থত ঘাই ব্যৱসায়িক বেংককেইটাৰ ৰাষ্ট্ৰীয়কৰণ কৰা আৱশ্যক হৈ পৰিছিল আৰু ১৯৬১ চনৰ জুলাই মাহত প্ৰথম পদক্ষেপ হিচাপে ১৪টা আৰু ১৯৮০ চনৰ ১৫ এপ্ৰিলত ৬ টা বৃহৎ ব্যৱসায়িক বেংক ৰাষ্ট্ৰীয়কৰণ হয়।

ৰাষ্ট্ৰীয়কৰণে বেংকসমূহৰ কার্যাৱলীলৈ পৰিৱর্তন আনে। বেংকসমূহে পূর্বতকৈ অধিক উন্নয়নমূলক ভূমিকা লয়। অর্থনৈতিকভাৱে পিছপৰা আৰু অগ্ৰাধিকাৰপ্ৰাপ্ত খণ্ডবোৰে গুৰুত্ব লাভ কৰি ঋণ সংগ্ৰহ কৰিব পৰাৰ বাট ওলায়। বেংকসমূহৰ জৰিয়তে আঞ্চলিক অর্থনৈতিক বৈষম্য দূৰ কৰা, কর্মপ্ৰাপ্তিৰ সুযোগ সৃষ্টি কৰা, ঋণদানেৰে শিল্প উদ্যোগ গঢ়ি তোলা, স্ব-নিয়োজনৰ ঋণ আগবঢ়োৱা আদি কার্য সম্প্ৰসাৰিত হয়। ইয়াৰ ফলশ্ৰুতিৰূপে ব্যাপকসংখ্যক লোকৰ মাজত বেংকৰ লেন-দেন প্ৰচলিত হ'বলৈ ধৰাত বেংক সেৱাৰো সম্প্ৰসাৰণ ঘটে। এই আটাইবোৰ কার্যই দেশৰ আর্থ-সামাজিক উন্নয়নৰ সহায়ক হৈ উঠে।

ভাৰত কৃষি প্ৰধান দেশ। এই দেশৰ শতকৰা ৭০ জন লোক কৃষিজীৱী। এই দেশৰ আয়তনো বিশাল আৰু জনসংখ্যাও অধিক। দেশৰ সকলো অঞ্চল আর্থ-সামাজিকভাৱে সমান উন্নত নহয়। নিবনুৱা সমস্যাই এই দেশক অক্টোপছৰ দৰে মেৰাই ধৰিছে। উৎপাদন বৃদ্ধি কৰিবলৈ এই দেশৰ কৃষিখণ্ডত বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰাৰ যথেষ্ট থল আছে। শিল্প উদ্যোগৰ ক্ষেত্ৰতো এই দেশত কৰিব লগা

কাম বহুত বাকী। ব্যৱসায়ীক বেংকসমূহে এই ক্ষেত্রসমূহ ভালদৰে অধ্যয়ন কৰি এই ক্ষেত্রসমূহত ধন বিনিয়োগ কৰি দেশৰ আর্থ-সামাজিক অৱস্থা উন্নত কৰাৰ প্রয়াস কৰিব লাগে। কৃষিখণ্ডত বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰিব পৰাকৈ ব্যৱসায়িক বেংকে কৃষকসকলক যথাসম্ভৱ সহজ ব্যৱস্থাৰে ঋণদান কৰি, কৃষিখণ্ডৰ যথেষ্ট উন্নতি সাধিব পাৰে। এনে ব্যৱস্থাই কৃষিখণ্ডৰ উন্নতি কৰাৰ লগতে কিছুপৰিমাণে নিবনুৱা সমস্যাও সমাধান কৰিব। একে কথা শিল্প উদ্যোগৰ ক্ষেত্রতো খাটে। শিক্ষিত নিবনুৱাসকলক যোগ্যতা অনুসৰি ক্ষুদ্র শিল্প উদ্যোগ গঢ়িবলৈ, ব্যৱসায় বাণিজ্য কৰিবলৈ ধনৰ যোগান ধৰিলেও নিবনুৱা সমস্যা হ্রাস হোৱাৰ লগে লগে দেশৰ উন্নতিৰ সহায়ক হ'ব। অৱশ্যে বেংকে এনেবোৰ ক্ষেত্রত ধন বিনিয়োগ কৰোঁতে সকলো দিশ ভালদৰে চালি-জাৰি চাব পৰা অভিজ্ঞ লোক নিযুক্ত কৰিব লাগিব আৰু উপযুক্ত লোকৰ দ্বাৰা এনে তদাৰকী ব্যৱস্থা কৰিব লাগিব যাতে ঋণ লওঁতাজনো উপকৃত হয় আৰু বেংকো উপকৃত হয়। সামৰণিত এই কথা ক'ব পাৰি যে ব্যৱসায়িক বেংকসমূহে সঠিক পদক্ষেপ ল'লে আমাৰ দেশৰ আর্থ-সামাজিক অৱস্থা ভালেখিনি উন্নত কৰিব পাৰে আৰু আর্থ-সামাজিক ক্ষেত্রৰ আঞ্চলিক বৈষম্যও দূৰ কৰিব পাৰে।

মা, মাতৃভূমি আৰু মাতৃভাষা

ভাস্কৰ বৰুৱা
৫ম ষান্মাষিক, শাখা - খ, নং - ১২৭



মা, পৃথিৱীৰ আটাইতকৈ ধুনীয়া আৰু ভাল লগা এটি শব্দ। প্রকৃতার্থত শব্দৰে বান্ধি ৰাখিব নোৱাৰা এক আৱেগ যি পৰিধি ভাঙি মাথো-বৈ যায় দূৰ সীমালৈ। মাৰ প্রতি থকা ভালপোৱা একক আৰু অন্যান্য। সৰুতে কোচমোচাই মাৰ কোলাত সোমাই কান্দোনৰ পৰা এতিয়া মায়ে নেদেখাকৈ গোপনে চকুলো মচালৈ, মা চোন সকলোতেই বিৰাজমান।

মাৰ দৰে মাতৃভূমিখনো আমাৰ নিচেই আপোন। নিজ ঠাইখনৰ, নিজ ঘৰখনৰ কথাই যেন সুকীয়া। নিজ ঠাইখনৰ গছ লতিকাবোৰৰ লগত, নদীখনৰ লগত,মানুহবোৰৰ লগত থাকে এক আত্মিক সম্পর্ক, যি সম্পর্কই সাত সাগৰ তেৰ নদীৰ সিপাৰেও যেন ৰিঙিয়াই মাতে আপোন ঠাইখনলৈ আকৌ এবাৰ জীৱন জীয়াবলৈ।

ঠিক একেদৰে মাতৃভাষাৰ লগত জড়িত থাকে আমাৰ স্বভিমান আমাৰ সত্বা আৰু আমাৰ জীৱন যৌৱনৰ চানেকী। মাতৃভাষাই আমাক পৰিচয় দিয়ে, আনতকৈ পৃথক কৰে। মাতৃভাষাই সোঁৱৰাই দিয়ে আমি কিমান চহকী বিশ্বৰ মানসপতত। মাতৃভাষা মানুহে মগজুৰে কম আৰু হৃদয়ৰে বেছি বুজে।

প্রত্যেকজন মানুহৰ জীৱনতে এই তিনিটা বস্তুৰ প্রভাৱ প্রত্যক্ষভাৱে পৰে আৰু ইয়াৰ প্রতি থাকে মানুহৰ অপৰিসীম ভালপোৱা আৰু গভীৰ শ্রদ্ধা। শিফা অবিহনে যিদৰে গছ এজোপা জীয়াই থাকিব নোৱাৰে ঠিক সেইদৰে মা, মাতৃভাষা আৰু মাতৃভূমি অবিহনে জীৱন অকল্পনীয়।

কি আধুনিকতাৰ ধামখুমীয়াতনিজৰ আপোনবোৰ পাহৰি যোৱাৰ অভ্যাস আমাৰ পুৰণি। নতুনক আদৰাৰ হেঁপাহৰ আমি প্রায়েই এলাগী কৰো আমাৰ নিজস্বতা আৰু সেয়ে হয়তো শেষত উচুপি ৰওঁ হেৰুওৱাৰ বেদনাত।

সকলোবোৰ শেষ হৈ যোৱাৰ আগতেই আহক মন বান্ধি থিয় হওঁ, আপুনি মই সকলোৱে। পৃথিৱীৰ কোনো বিভেদকামী শক্তিয়ে যাতে কোনোকালে কোনোদিনে উভালিব নোৱাৰে আমাৰ হৃদয়ে হৃদয়ে শিপাই থকা মা, মাতৃভূমি আৰু মাতৃভাষা শিপাডাল যি শিপাই খামুচি আছে আমাক চিৰদিন চিৰকাল, আহক সেই শিপাজোপাক আমি অলপ পানী দিও, আহক শিপাজোপাক মুকলিকৈ উশাহ ল'ব দিও।

বিস্ফোৰণৰ প্ৰয়োজনীয়তা

বাপন অধিকাৰী
বি.বি.এ, ১ম ষান্মাষিক

"শান্তিকামী দেশ হিচাপে ভাৰতে পৃথিৱীৰ বুকুৰ পৰা সমস্ত ধৰণৰ পাৰমাণৱিক অস্ত্ৰ অপসাৰণ হোৱাটো বিচাৰে" — এই উক্তি হ'ল ভাৰতবৰ্ষৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ। সন্দেহ নাই, এই উক্তিৰ মাজেদি প্ৰকাশিত হৈছে ভাৰতীয় শান্তিকামী জনগণৰ একান্ত মনৰ বাসনা। তত্ৰাচ, এই গৰাকী প্ৰথিতযশা প্ৰধানমন্ত্ৰী কাৰ্যকালতে ভাৰতবৰ্ষই পৰমাণু শক্তি কমিচন গঠন কৰি পৰমাণু শক্তি আহৰণ প্ৰচেষ্টা হাতত ল'ব লগা হৈছিল। নেহৰুৰ দৰে গভীৰ চিন্তাশীল আৰু বিচক্ষণ ৰাজনৈতিক নেতা এগৰাকীয়ে বাৰুকৈয়ে উপলব্ধি কৰিছিল যে ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰ চীন আৰু পাকিস্তানৰ পৰা কেতিয়াবা কোনো কাৰণবশতঃ ভাৰতবৰ্ষৰ নিৰাপত্তা বিঘ্নিত হ'ব পাৰে। বিশেষকৈ পাকিস্তানক লৈ এই চিন্তা সৰ্বাধিক আছিল। কাৰণ পাকিস্তান আৰু চীনৰ সৈতে সুসম্পৰ্ক গঢ়ি তুলিবলৈ চেষ্টা কৰিও ইপ্সিত সুফল লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। আনহাতে ভাৰতে পাকিস্তানৰ সৈতে ১৯৬১, ১৯৬৫ আৰু ১৯৭১ চনত তিনিখন যুদ্ধত লিপ্ত হ'ব লগাত পৰিছিল। ১৯৬২ চনত চীনে ভাৰতবৰ্ষ আক্ৰমণ কৰা দিন ধৰি চীনৰ সৈতে ভাৰতবৰ্ষৰ সম্পৰ্ক আহি নকুল সদৃশ হৈ পৰে। গতিকে এই দুই চুবুৰীয়া ৰাষ্ট্ৰৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতবৰ্ষই আত্মৰক্ষা আৰু দেশৰ নিৰাপত্তা অক্ষুণ্ণ স্বাৰ্থত নিজকে শক্তিশালী ৰূপত অৱতীৰ্ণ কৰিব লগা পৰিস্থিতিৰ উদ্ভৱ হয়। তাতে আকৌ, পাকিস্তান আৰু চীন এই দুয়োখন দেশৰ ক্ষেপণাস্ত্ৰৰ আয়ত্তৰ মাজত ভাৰতবৰ্ষৰ অৱস্থান বিৰাজমান হেতু ভাৰতৰ পক্ষে এই দুখন দেশৰ ফালৰ পৰা নিৰাপত্তা বিঘ্নিত হোৱাৰ আশংকা কোনোপধ্যে নুই কৰিব নোৱাৰি। এনে পৰিস্থিতিত ভাৰতে হাত সাৱটি বহি থাকিলেই ই দেশৰ নিৰাপত্তাৰ পক্ষে অহিতকৰ হ'ব। তদুপৰি প্ৰত্যেক দেশৰে আত্মৰক্ষা আৰু নিৰাপত্তা ৰক্ষাৰ সম্পূৰ্ণ অধিকাৰ আছে। এনে অধিকাৰৰ সু-প্ৰয়োগ ঘটাই বিশ্বৰ বুকুত নিজক শক্তিশালী ৰূপত অৱতীৰ্ণ কৰাব পাৰিলেহে ভাৰতে বিচৰা বিশ্বশান্তি প্ৰতিষ্ঠাৰ বাট মুকলি হ'ব। কাৰণ সজ কথা হ'লেও দুৰ্বলজনৰ কথালৈ কাণ নিদিয়াটোৱে বাস্তৱ ৰীতি। এই প্ৰসংগত ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ ১৯৯৮ চনৰ ১৬ মে'ত কৰা ঘোষণা বিশেষ প্ৰণিধানযোগ্য। বাজপেয়ীৰ ঘোষণাটি হ'ল ঃ "আমি যুদ্ধ নিবিচাৰো। শান্তিহে বিচাৰো। আনৰ সৈতে সংঘাতত জড়িত হ'বলৈও নিবিচাৰোঁ। নিজৰ সুৰক্ষাৰ বাবেই আমি পাৰমাণৱিক শক্তি ব্যৱহাৰ কৰিব লগা হ'ব পাৰে। তাৰ বাবে আমি সাজু। গতিকে, ভাৰতৰ পৰমাণু বিস্ফোৰণ হ'ল পৃথিৱীৰ বুকুৰ পৰা চিৰদিনৰ বাবে পৰমাণু অস্ত্ৰৰ অপসাৰণ প্ৰস্তুতি মাথোঁ।"

ভাৰতবৰ্ষই পৰমাণু শক্তিৰ বিস্ফোৰণ ঘটোৱাৰ লগে লগে সমগ্ৰ বিশ্বত শক্তিশালী দেশকেইখনৰ নেতৃত্বত এটা বৈষম্যমূলক হৈ চৈৰ সৃষ্টি কৰা হয়। ইয়াৰ অৰ্থ হ'ল এই শক্তিশালী দেশসমূহে ভাৰতবৰ্ষক দুৰ্বল কৰি ৰাখি নিজৰ শক্তিশালী ভূমিকাৰে বিশ্বৰ বুকুত নিজৰ নিজৰ আধিপত্য বজাই ৰখা। কিয়নো ভাৰতবৰ্ষই মাত্ৰ টা বিস্ফোৰণ ঘটোৱা কাৰ্যত চৰম বিতুষ্টি প্ৰকাশ কৰা আমেৰিকা যুক্তৰাষ্ট্ৰই এতিয়ালৈতে ১০৩২ টা, ৰাছিয়াই ৭১৫ টা, ফ্ৰান্সে ২১০ টা

আৰু ব্ৰিটেইনে ৪৫টা বিস্ফোৰণ ঘটাইছে। শক্তিশালী দেশসমূহৰ এনে বৈষম্যমূলক দৃষ্টিভংগীয়েই হ'ল বিশ্বশান্তিৰ পক্ষে প্ৰধান আৰু অন্তৰায়স্বৰূপ। পৰমাণু শক্তিধৰ সকলো দেশৰ পৰা সকলো ধৰণৰ পৰমাণু অস্ত্ৰ এনে সময়তে অপসাৰণ কৰাৰ নীতি সকলোৱে মানি ল'লেহে বিশ্ব শান্তিৰ বাট মুকলি হ'ব। ভাৰতবৰ্ষই এই মতৰ অত্যন্ত দৃঢ় সমৰ্থক।

পৰমাণু শক্তি আৰু ভাৰতবৰ্ষ ঃ

আদিম মানৱ-সমাজত শ্ৰেণী বিভাজন নাছিল। সকলোৱে মিলি জুলি সাম্যবাদী ভাৱধাৰাৰে জীৱন-যাপন কৰিছিল। ফলত তেওঁলোকৰ মাজত ভেদাভেদৰ সৃষ্টি হোৱা নাছিল। কিন্তু মানৱসভ্যতা যিহেতু শ্ৰেণীদ্বন্দ্ব আৰু শ্ৰেণী সংগ্ৰামৰ ইতিহাসক লৈয়ে ধাৱমান, সেয়ে শ্ৰেণী বিভক্ত সমাজৰ উৎপত্তিৰ লগে গে মানৱ সমাজত উচ্চ-নীচৰ ভেদাভেদ, জাতিগত হিংসা-দ্বেষ, যুদ্ধ-বিগ্ৰহ আদিৰ উদ্ভৱ হ'বলৈ ধৰে। মানৱ সভ্যতাই প্ৰথম ভুমুকি মৰা দিনৰে পৰা আজিলৈকে মানৱ সভ্যতাৰ ইতিহাস খুঁচৰি গ'লে আমি দেখিবলৈ পাম যে বিভিন্ন অজুহাতৰ সুযোগ লৈ যুদ্ধ, সংঘাত আৰু ৰক্তপাতৰ মাজেদিয়েই মানৱ সভ্যতাই অহৰহ গতি কৰি আছে। আধুনিক বিজ্ঞান প্ৰযুক্তিৰ যুগত মানৱ সভ্যতাৰ এই প্ৰক্ৰিয়া ইমান সুকৌশলেৰে চালিত হয় যে সৰ্বসাধাৰণ লোকৰ পক্ষে ইয়াক অনুধাৱন কৰা সহজ নহয়। প্ৰাচীন কালৰে পৰা যুদ্ধই শৌৰ্য-বীৰ্যৰ প্ৰতীক ৰূপে মানৱৰ মনত যি খোপনি পুতি লৈছিল তাক আজিও মানৱমনে মনৰ পৰা আঁতৰ কৰিব পৰা নাই। ইয়াৰ ফলস্বৰূপেই এজনৰ বিনাশেৰে অন্য এজনে নিজক সুৰক্ষিত কৰাৰ প্ৰচেষ্টা মানজ সভ্যতাত অব্যাহত ৰাখিছে। মানৱ সভ্যতা দ্ৰুত গতিত আগবঢ়াৰ লগে লগে মানুহেও হিংস্ৰতৰ নতুন নতুন অস্ত্ৰ আৱিষ্কাৰ কৰি মানৱ সভ্যতাৰ ধ্বংস যজ্ঞ সৃষ্টি কৰাৰ উন্মাদনাত ইচ্ছা অনিচ্ছা সত্বেও জড়িত হৈ পৰিবলগীয়া হৈছে।

ভাৰত এখনি শান্তিকামী দেশ। সেয়ে ভাৰতে নিজস্বভাৱে আৰু ৰাষ্ট্ৰসংঘৰ জৰিয়তে সমগ্ৰ বিশ্বক শান্তিৰ আলয় ৰূপে গঢ়ি তুলিবলৈ অহৰহ প্ৰচেষ্টা চলাই আছে যদিও ভাৰতবৰ্ষ বা ৰাষ্ট্ৰসংঘৰ শান্তি প্ৰচেষ্টাই পৃথিৱীৰ বুকুৰ পৰা আজিও যুদ্ধ-বিগ্ৰহক দূৰলৈ আঁতৰাই পঠিয়াবলৈ সক্ষম হোৱা নাই। কাৰণ যিমান দিনলৈকে ৰণ-উন্মাদ, শক্তি-দুৰ্মদ জাতিসমূহৰ মনৰ পৰা যুদ্ধ স্পৃহা আঁতৰি নাযাব সিমান দিনলৈকে শান্তি স্থাপন হোৱাৰ আকাংক্ষাও দূৰাকাংক্ষা হৈয়েই থাকিব। যদিও পৃথিৱীত সম্পূৰ্ণ শান্তি প্ৰতিষ্ঠা কৰা সহয় নহয় তথাপি শান্তিকামী দেশসমূহৰ মিলিত প্ৰচেষ্টাই পৃথিৱীৰ বুকুৰ পৰা যুদ্ধ-বিগ্ৰহৰ প্ৰৱণতাৰ তীব্ৰতা ভালেখিনি উপশম কৰিবলৈ সক্ষম নোহোৱাকৈ থকা নাই। সাম্প্ৰতিক বিজ্ঞান প্ৰযুক্তিৰ যুগত শক্তিশালী দেশ এখনে যে সন্মিলিত ৰাষ্ট্ৰসংঘত বৃহত্তৰ ভূমিকা পালন কৰা দেখা যায়। এনে পটভূমিত বিশ্বত শান্তি প্ৰতিষ্ঠা কৰিবলৈ সততে আগ্ৰহী ভাৰতবৰ্ষই বিশ্বৰ বুকুত নিজক শক্তিশালী ৰূপে উপস্থাপন কৰিব পাৰিলেহে বিশ্বৰ বুকুত শান্তি প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিব পাৰিব। তদুপৰি প্ৰত্যেক দেশৰে বহিঃআক্ৰমণৰ পৰা নিজক ৰক্ষা কৰাৰ অধিকাৰ আছে। শক্তিশালী জনেহে আত্মৰক্ষা কৰিব পাৰে। এনেবোৰ কথাৰ প্ৰতি লক্ষ্য ৰাখিয়েই ভাৰতবৰ্ষই পৰমাণু শক্তি আহৰণৰ প্ৰচেষ্টা হাতত ল'ব লগা হয়।

বিশ্বৰ বুকুত নিজৰ অস্তিত্ব বজাই ৰখাৰ স্বাৰ্থত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ এবছৰৰ পিছতে অৰ্থাৎ ১৯৪৮ চনত ভাৰতবৰ্ষত পৰমাণু শক্তি কমিচন গঠন কৰা হয়। পৰমাণু শক্তি আহৰণৰ প্ৰচেষ্টা অব্যাহতভাৱে চলাই ৰাখিবৰ নিমিত্তেই এই কমিচনৰ সৃষ্টি কৰি ১৯৫৫ চনত এই কমিচনে ভাবা এটমিক ৰিছার্চ চেণ্টাৰ স্থাপন কৰে। ইয়াৰ অংগ হিচাপে ১৯৬২ চনত 'নাংগল হেভী ওৱাটাৰ প্লাণ্ট' আৰু ১৯৬৭ চনত 'ইউৰেনিয়াম কৰ্পোৰেচন অব ইণ্ডিয়া লিমিটেড' নামে দুটা প্ৰতিষ্ঠানৰ জন্ম হয়। ভাবা গৱেষণা কেন্দ্ৰই ১৯৭২ চনত পূৰ্ণিমা ৰিয়েক্টৰ নিৰ্মাণ কৰি উলিয়ায়। এনেদৰে ভাৰতবৰ্ষৰ পৰমাণু গৱেষণা কাৰ্যই অগ্ৰগতি লাভ কৰাৰ পাছত, ১৯৭৪ চনত ইন্দিৰা গান্ধীৰ প্ৰধানমন্ত্ৰীত্বৰ কালত ভাৰতবৰ্ষই পোখৰাণত প্ৰথম পৰমাণু বোমা বিস্ফোৰণ ঘটাবলৈ সক্ষম হয়। এই প্ৰসংগতে উল্লেখ কৰা প্ৰয়োজন যে দেশে স্বাধীনতা লাভ কৰাৰ পাছত, পঞ্চাশৰ দশকৰ মাজ ভাগৰ পৰা ভাৰতবৰ্ষই পৰমাণু শক্তি আহৰণৰ প্ৰচেষ্টা চলাই থকা অৱস্থাতে আন্তৰ্জাতিক বাধা নিষেধৰ প্ৰতি সন্মান জনাই এই প্ৰচেষ্টা শিথিল কৰি তোলে যদিও ১৯৬২ চনত চীনদেশে ভাৰতবৰ্ষ আক্ৰমণ কৰাৰ পিছৰে পৰা ভাৰতবৰ্ষই পৰমাণু শক্তি আহৰণ কাৰ্যসূচীত অধিক মনোযোগ দিবলৈ বাধ্য হৈ পৰে।

১৮৭৪ চনৰ পৰা ভাৰতবৰ্ষৰ পৰমাণু শক্তি আহৰণৰ

প্রচেষ্টাই দ্রুত গতি লাভ কৰে। এই কার্যসূচীক অধিক গতি সম্পন্ন কৰি তুলিবলৈ ১৯৭৭ চনত বৰোদাত আৰু ১৯৭৮ চনত টুটি কোৰণত অন্য দুটা হেভী ওৱাটাৰ প্লান্ট নির্মাণ কৰা হয়। ১৯৭২ চনত ভাবা গৱেষণা কেন্দ্রত প্রথম পূর্ণিমা ৰিয়েক্টৰ নির্মাণ কৰি উলিওৱাৰ পিছত চনত 'পূর্ণিমা-২ ৰিয়েক্টৰ' নির্মিত হয়। প্রয়োজন অনুযায়ী ১৯৮৫ চনত তালচেৰ আৰু কোটাত অন্য দুটা হেভী ওৱাটাৰ প্লান্ট নির্মাণ কৰা লগতে ১৯৮৭ চনত থানেত আন এটা হেজী ওৱাটাৰ প্লান্ট নির্মিত হয়। অগ্রগতিৰ পথেদি আগবঢ়া এই কার্যসূচীৰ অনুৰূপ কার্য হিচাপে ১৯৮৯ চনত ভাবা পৰমাণু গৱেষণা কেন্দ্রত কোল্ড ফিউচনে ঘটোৱা কার্য সম্পন্ন কৰা হয়। ১৯৯১ আৰু ৯২ চনত নৰোৰা এটমিক পাৱাৰ ষ্টেচনৰ ১নং আৰু ২নং গোট কার্যক্ষম কৰি গঢ়ি তোলা হয় আৰু ১৯৯৬ চনত 'কামিনী ৰিয়েক্টৰ' প্রচলিত হয়।

১৯৯৮ চনৰ ১১ আৰু ১৩ মে' তাৰিখ দুটাত অটল বিহাৰী বাজপেয়ীৰ প্রধামন্ত্রীত্বৰ কালত ৰাজস্থানৰ পোখৰাণ অঞ্চলত মাটিৰ তলত প্রথম দিনা আবেলি ৩-৪৫ মিনিটত এটা হাইড্রোজেন বোমা আৰু দুটা কম ক্ষমতাসম্পন্ন প্লুটোনিয়াম বোমা বিস্ফোৰণ আৰু দ্বিতীয়দিনা পোখৰাণতে অন্য দুটি পৰমাণু বোমাৰ বিস্ফোৰণ কার্য সম্পন্ন কৰাৰ লগে লগে ভাৰতবর্ষ বিশ্বৰ পাঁচখন পৰমাণু শক্তিৰ অধিকাৰী দেশ মার্কিন যুক্তৰাষ্ট, ফ্লান্স, ৰাছিয়া, চীন আৰু বৃটেনৰ সৈতে এক শাৰীত অৱস্থান গ্রহণ কৰিবলৈ সক্ষম হয়। সেই একে তাৰিখতে অর্থাৎ ১১ মে'ত প্রতিৰক্ষা দপ্তৰৰ উদ্যোগত উৰিষ্যাৰ চাঁদিপুৰৰ পৰা ভূ-পৃষ্ঠত তীব্রগতিৰে গতি কৰিব পৰা ত্রিশূল ক্ষেপণাস্ত্রৰ পৰীক্ষামূলক বিস্ফোৰণ কার্যসূচী সফলতাৰে সমাধান কৰাৰ লগে লগে ভাৰত চৰকাৰে বিশ্ববাসীৰ আগত এই কথা স্পষ্ট কৈ ঘোষণা কৰি কয় যে ভাৰতে কোনো নির্দিষ্ট দেশৰ বিৰুদ্ধে প্রয়োগ কৰাৰ উদ্দেশ্যে পৰমাণু কার্যসূচী ৰূপায়ণ কৰা নাই। ভাৰতবর্ষও যে এখনি শক্তিশালী দেশ এই কথা বিশ্ববাসীক অৱগত কৰাবলৈহে এই কার্যসূচী ৰূপায়ণ কৰা হৈছে।

পৰমাণু শক্তিৰ অধিকাৰী হিচাপে ভাৰতবর্ষই দেশ-বিদেশত নানা প্রতিক্রিয়াৰ খলকনি তোলে। শক্তিশালী লোক এজনে আন এজনক তেওঁৰ সমকক্ষ হোৱা কেতিয়াও নিবিচাৰে। শক্তিশালী দেশসমূহৰ ক্ষেত্রতো কথাষাৰ সমনেই প্রযোজ্য। সেয়ে বিশ্বৰ শক্তিশালী দেশ আমেৰিকা, জার্মান, ব্রিটেইন, জাপান আদি দেশে ভাৰতবর্ষই পৰমাণু শক্তি বিস্ফোৰণ ঘটোৱা কার্যত বিৰূপ প্রতিক্রিয়া প্রকাশ কৰাৰ লগতে ভাৰতবর্ষক সচৰাচৰ দি অহা নানা ধৰণৰ উন্নয়নমূলক প্রকল্পসমূহত দিব লগা আর্থিক সাহায্যৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰাৰ ভাবুকি দিয়ে যদিও ভাৰতবর্ষৰ বিশাল বজাৰখনৰ লোভ এইবোৰ দেশে ত্যাগ কৰাটো সহজসাধ্য নহয় বাবে এন অর্থনৈতিক নিষেধাজ্ঞাই কোনোপধ্যে ভাৰতবর্ষক বিচলিত কৰিব নোৱাৰে। এই ক্ষেত্রত ৰাষ্ট্রসংঘৰ সচিব প্রধানেও নিজৰ প্রতিক্রিয়া প্রকাশ কৰিছে। তেওঁৰ ভাষ্য হ'ল 'পৰমাণু পৰীক্ষাৰ ওপৰত বহুদিন ধৰি এক আওপকীয়া নিষেধাজ্ঞা জাৰীকৰণ প্রক্রিয়া চলি আছিল। সেয়ে ভাৰতবর্ষৰ এই কার্য আন্তর্জাতিক ঐক্যমতৰ সৈতে সংগতিপূর্ণ নহয়।" মার্কিন যুক্তৰাষ্ট্রই ভাৰতক চর্তবিহীনভাৱে চি.টি.বি.টি.ত চহী কৰাৰ বাবে আহ্বান জনাই যদিও চি.টি.বি.টিৰ সাম্প্রতিক গাঁথনিত সন্মতি-জনানে ভাৰতবর্ষৰ নিৰাপত্তা বিঘ্নিত হোৱাৰ আশংকা বিদ্যমান হেতু ভাৰতে এই চুক্তিত চহী কৰাৰ পৰা বিৰত থকা সিদ্ধান্ত গ্রহণ কৰি কার্যতঃ এই চুক্তিখনক অকার্যকৰী কৰি তুলিবলৈ সক্ষম হৈছে।

ভাৰতৰ এই পৰমাণু শক্তি বিস্ফোৰণত সবাতোকৈ অধিক প্রতিক্রিয়া প্রকাশ কৰিছে চুবুৰীয়া দেশ পাকিস্তানে। পাকিস্তানেও ভাৰতবর্ষৰ বিস্ফোৰণৰ উত্তৰস্বৰূপে ২৮মে, ১৯৯৮ চনৰ দিনাখন বেলুচিস্তানৰ চাঘাই অঞ্চলত এটা এটাকৈ পাঁচটা আৰু ৩০ মে'ত আন এটা বিস্ফোৰণ ঘটাই নিজ প্রতিক্রিয়া প্রকাশ কৰে।

ওপৰত বিস্ফোৰণজনিত বিদেশৰ প্রতিক্রিয়াৰ এটি চমু আভাস দিয়া হ'লেও ভাৰতৰ আভ্যন্তৰতো এই বিস্ফোৰণে নানা ধৰণৰ প্রতিক্রিয়া সৃষ্টি নকৰাকৈ থকা নাই। সৰহসংখ্যক জনসাধাৰণ আৰু অধিক সংখ্যক ৰাজনৈতিক দল আৰু কমসংখ্যক লোকেহে এই বিস্ফোৰণৰ বিৰুদ্ধে নিজ-নিজ প্রতিক্রিয়া প্রকাশ কৰিছে। ভাৰতবর্ষৰ দৰে বিভিন্ন ভাষা-ভাষী, বিভিন্ন জাতি-গোষ্ঠী থকা বিশাল আয়তনৰ বৃহৎ জনসংখ্যাৰ দেশ এখনৰ বাবে এনে মিশ্র প্রতিক্রিয়া কোনো অস্বাভাৱিক ঘটনা নহয়। থোৰতে ক'বলৈ হ'লে এই বিস্ফোৰণে বিশ্ববাসীৰ সন্মুখত ভাৰতবর্ষকো এখনি শক্তিশালী দেশত পৰিগণিত কৰাত সর্বসাধাৰণ নাগৰিকে ইয়াক আনন্দ প্রকাশেৰে আদৰণি জনাইছে।

হোমি জাহাংগীৰ ভাবা

চন্দ্রানী গোস্বামী
স্নাতক তৃতীয় ষান্মাষিক



শৈশৱ কালত সাধাৰণতে শিশুসকলৰ টোপনি গভীৰ হয়। টোপনি পাতল শিশুও আছে; কিন্তু এনে স্বভাৱৰ শিশু সাধাৰণতে কম দেখা যায়। সৰু কালত এন টোপনি পাতল ল'ৰা। এজনক লৈ মাক-দেউতাক বৰ চিন্তিত হৈছিল। বহু বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা ল'ৰাজনৰ পৰীক্ষা-নিৰীক্ষা কৰোৱা হৈছিল। চিকিৎসকসকলেও বহুদিনলৈ সেই নিদ্রাহীনতাৰ কাৰণ বিচাৰি পোৱা নাছিল। অৱশেষত চিকিৎসকসকলে মাক-দেউতাকক আশ্বাস দি কৈছিল যে প্রকৃততে ল'ৰাজনৰ স্বাস্থ্যৰ কোনো বিসংগতি নাই। ল'ৰাজন ইমানেই তীক্ষ্ণ বুদ্ধিৰ যে তেওঁৰ চিন্তা শক্তিৰ প্রবাহ মস্তিষ্কৰ নিৰৱচ্ছিভাৱে বৈ থাকে। সেইবাবেই তেওঁৰ টোপনি পাতল।

চিকিৎসকৰ পৰা এই কথা জানিব পাৰি মাক-দেউতাকে ল'ৰাজনৰ মনোযোগ বিজ্ঞানৰ প্রতি আকর্ষিত কৰিবলৈ সিদ্ধান্ত ল'লে। সেই অনুসৰি তেখেতসকলে বিজ্ঞানৰ কিতাপ-পত্রৰে এটা গ্রন্থাগাৰৰ ব্যৱস্থা কৰি শিশুজনক পঢ়াশুনাৰ সকলো সা-সজুলি প্রদান কৰিলে। শিশুটিয়ে এই কিতাপ-পত্রবোৰৰ সদ্ব্যৱহাৰ কৰিবলৈ ল'লে আৰু লাহে লাহে কিতাপবোৰ ল'ৰাজনৰ সংগী হৈ পৰিল। পাছত এই ল'ৰাজনেই এজন সফল বিজ্ঞানী হৈ পৃথিৱীত ভাৰতৰ নাম জিলিকাই তুলিলে। সেইজন মহান বিজ্ঞানীয়ে হ'ল হোমি জাহাংগীৰ ভাবা।

হোমি জাহাংগীৰ ভাবাৰ জন্ম হৈছিল এটি খ্যাতিসম্পন্ন পার্চী পৰিয়ালত। ভৌতিক শাস্ত্র আৰু গণিথ শাস্ত্রৰ উপৰি হোমি জাহাংগীৰ ভাবাৰ সংগীত আৰু চিত্রাংকনৰ প্রতিও ৰুচি আছিল। কিন্তু মাক-দেউতাকৰ ইচ্ছা পূর্ণ কৰি তেখেত হৈছিল এজন মেকানিকেল ইঞ্জিনিয়াৰ। মুম্বাইত স্কুল-কলেজৰ শিক্ষা শেষ কৰি তেখেতে ইঞ্জিনিয়াৰিং পঢ়িবলৈ লণ্ডনলৈ গৈছিল। তাত তেখেতে কেমব্রিজ বিশ্ববিদ্যালয়ত ইঞ্জিনিয়াৰিং পঢ়ি থকাৰ সময়ত প্রখ্যাত গণিতজ্ঞ, পদার্থবিদসকলৰ সংস্পর্শলৈ অহাৰ সুবিধা পাইছিল। হোমি জাহাংগীৰ ভাবা মেকানিকেল ইঞ্জিনিয়াৰ হৈছিল সঁচা, কিন্তু তেখেতৰ ধাউতি আছিল ভৌতিক শাস্ত্রৰ অন্তর্গত পৰমাণু বিজ্ঞান অধ্যয়নতহে। এই ধাউতি বৃদ্ধি পাইছিল ন'বেল বঁটা বিজয়ী পল এড্রিয়েন মৌৰিচ ডিৰাকক লগ পোৱাৰ পাছত। তেখেতে পৰম নিষ্ঠাৰে পৰমাণু বিজ্ঞান অধ্যয়ন কৰি মহাজাগতিক ৰশ্মিৰ 'কাচকেড সূত্র' আৱিষ্কাৰ কৰিছিল। এই সূত্রৰ আৱিষ্কাৰৰ ফলতেই তেখেত এজন

বিশ্ব-বিশ্রুত বিজ্ঞানী হিচাপে পৰিগণিত হয়। কস্মিক কিৰণ সম্পর্কে গৱেষণা কৰি তেখেতে নতুন নতুন তথ্য আৱিষ্কাৰ কৰিছিল। এই আৱিষ্কাৰকে আছিল বিজ্ঞান জগতৰ বাবে বহুমূলীয়া অৱদান।

হোমি জাহাংগীৰ ভাবাই বিদেশত থাকিয়েই সুখেৰে দিন কটাব পাৰিলেহেঁতেন; কিন্তু নিজৰ দেশৰ প্রতি থকা কর্তব্য আৰু দায়বদ্ধতাৰ বাবে তেখেত ১৯৪০চনত ভাৰতলৈ ঘূৰি আহে। তেতিয়াৰে পৰা এই মহান বিজ্ঞানীজনাই নিজৰ দেশৰ উন্নতিৰ বাবে অহোপুৰুষার্থ কৰিছিল। তেখেতে ডোৰাবাজী টাটা ট্রাষ্টৰ সহায়ত 'টাটা ইনষ্টিটিউটঅৱ ফাণ্ডামেণ্টেল ৰিছার্চ প্রতিষ্ঠা কৰিছিল।

ভাৰতবর্ষই স্বাধীনতা পোৱাৰ পিছত হোমি জাহাংগীৰ ভাবা পৰমাণু শক্তি আয়োগৰ মুৰব্বী হিচাপে নিযুক্ত হৈছিল। পাৰমাণৱিক শক্তিৰ ক্ষেত্রত তেখেতে ভাৰতক এখন জাকত-জিলিকা দেশত পৰিণত কৰাৰ ৰঙীণ সপোন দেখিছিল। তাৰ বাবে তেখেতে পৰিকল্পনাও কৰিছিল। তেখেতৰ সপোন বাস্তৱত পৰিণত হোৱাৰ আগতে এক বিমান দুর্ঘটনাত পতিত হৈ তেখেতৰ মৃত্যু হৈছিল। তেখেতৰ অৱদানৰ প্রতি শ্রদ্ধা জ্ঞাপন কৰি মুম্বাই (বম্বে)ত ভাবা পাৰমাণৱিক গৱেষণা কেন্দ্র প্রতিষ্ঠা কৰা হয়।

তেখেত আছিল এজন বিশ্ব-বিশ্রুত বিজ্ঞানী। অহৰহ বিজ্ঞানৰ নতুন নতুন তথ্য উদঘাটনতেই তেখেতব্যস্ত আছিল। তাৰ মাজতেই তেখেতে সুকুমাৰ কলা সাধনাৰ বাবে সময় উলিয়াই লৈছিল। তেখেতে আঁকি থৈ যোৱা বিখ্যাত বিখ্যাত চিত্র কেইখনমান আজিও লণ্ডনৰ ব্রিটিছ গেলাৰিত সংৰক্ষিত হৈ আছে।

এশ এবিধ শাক

মৃত্যুঞ্জয় দুর্গ
স্নাতক তৃতীয় ষান্মাষিক

লাই, লফা, পালেং, ধনিয়া, চুকা, বাবৰি, টেঙামৰা, মিঠামৰা, দোৰোণ, বেঁতগাজ, নলটেঙা, মানিমুনি, মছন্দৰী, নৰসিংহ, কলমৌ, ব্রাহ্মী, ভেদাইলতা, পদিনা, খুতৰা, পনৌনুৰা, মাটিকাদুৰী, ঢেঁকীয়া, তিতামৰা, হেলচি, টেঙেচি, জিলমিল, মিথি, মেটেকা, শতফুল, শতমূল, পচতীয়া, কেহেৰাজ, ধেতাইতিতা, শুকলতি, মাখিলতি, গন্ধক, ভেকুৰী, মধুসোলেং, বাহকতিতা, দহিকচু, চজিনা পাত, বিহলঙনী, পুৰৈ, তুলসী, দূৱৰি, আমপাত, বগৰীপাত, জলফাইৰ পাত, আদাৰ পাত, নেফাফু, তৰাগজালি, ভেটফুল, পদুমফুল, শেৱালিৰ পাত, শিলিখাৰ পাত, ৰঙালাউৰ আগ, জাতিলাউৰ আগ, কোমোৰাৰ আগ, ভেন্দিৰ আগ, জিকাৰ আগ, হালধিপাত, ভাতকেৰেলাৰ আগ, তিতাকেৰেলাৰ আগ, আলুৰ আগ, মিঠাআলুৰ আগ, মোৱাআলুৰ আগ, কাঠআলুৰ আগ, নহৰুৰ আগ, পিঁয়াজৰ পাত, লাইজাবৰি, বনজালুক, মানধনিয়া, বনতিয়ঁহ, হাতীখুতৰা, তৰাগজালি, চুতীয়ালতা, কলডিলৰ আগ, কণবিলাহিৰ আগ, ৰঙা মৰিছা, বগা মৰিছা, অমিতাৰ আগ, কেঞাবন, জেতুলিপকা, থেৰেজুৰ পাত, জলকীয়া আগ, পটলৰ আগ, জিলমিল, লাচকচি, নিলাজী বন, কচু শিৰলি, কণাশিমলু, কাচিদৰিয়া, জাতিকণা, শিমলু, কুকুৰাঠেঙীয়া, শাক, গন্ধ নাগ, পদিনা, মাটিজালুক, মেজেঙা, ভূই আমলখি আৰু মৰলি শাক।





মামাথেৰ গাঁৱত চোৰৰ বিলে

ধৃতিমান জ্যোতি কলিতা
বি.কম, পঞ্চম ষান্মাষিক



মট্‌ফ্যাল চোৰৰ কথা শুনি আৰু আগদিন মাইক ধোইল্লু টানি। আৰু এটা ক'চোন মাই, মামাথেৰ গাঁওৰ চোৰৰ কাহিনী। মাই ক'লাক শুন তেইতাহ'লি আৰু এটা কাহিনী। আমাৰ গাঁওৰ চোৰৰ কাহিনী এটাতকে এটা জমনী মামাথেৰ গাঁওৰ বৰনামঘৰটোৰ কাষত যিখান পথাৰ আছে সেই পথাৰে লাগা-লাগিকে এটা ৰাইজৰ আছিল পুখুৰী। এনাই পুখুৰীৰ মাছ কায়ো নাখে, বছোৰ মূৰত সেই মাঘ বিহুৰ দিনাই ভাগে-পাতে খায়। হ'লিও বোলে নামঘৰৰ কান্ধ্যাৰ সেই পুখুৰীটোত কুনবা মানুহে ৰাতি মাছ মাৰা শুনে। কিহে বা ৰাতি মাছ মাৰে, ইতাহে লাগিল লেঠা। গাঁওৰ পুখুৰীত ঘূৰাপাক অলচি বুলি মানুহে কৰে গুণা-গাঁথা। দুই-এটাৰটো ভয়তে কইলজা কপ্পা ধৰলাক। বাকী মানুহগিলাও কি কৰবো আৰ ঘৰাপাকৰ ভয়তে কাইন সইন্ধাতে ভাত খাই কানি-কাঁথা লৈ ঘুমে থাকে।

গাঁওতে আছিল আৰু চাইট্টামান মহাধুৰন্ধৰ ছ'লি। আকদিন ৰাতি চোপা দি থাকিল ঘূৰাপাক চাম বুলি নামঘৰটোৰ কাষতে থাকা কেইডালমান জোপোহনা সইফ্‌ৰামৰ পাছফালে। অলপ পাছোতে আহিল ঘূৰাপাক কান্ধোত জাল লৈ। এনথে তাৰ পিছ ধইল্লাক হাতত দা লৈ। ই....য়া...ই বধ্‌ধিছ ঘূৰাপাক দুখুন জালখান থৈ বিড়ি টানবা ধচ্ছি। ঘূৰাপাকেও জানে নিকি বিড়িৰ টেষ্ট। সেই ঘূৰাপাকে মাইল্লাক জাল এন্থে ধোল্লাক তাক গৰৰা মাৰি। ল'ৰৰা নৰাকে বাইন্ধলাক পাঘাইদি পেৰি পেৰি। গটাই ৰাতি এনকে কুলেটিখান কৰি থাকাতে ৰাতিও পহৰ হ'ল।

পুৰা ছ'লিকেইটাৰ ঘূৰাপাকক দেখি মুখোৰ মাত নোলা হ'ল। ঘূৰাপাক আৰু কোনো নহয়, গাঁওৰে মদন। ৰাইজ আহিল, বিচাৰ কৰলাক। মদনৰো চোৰ কৰা প্ৰমাণ হ'ল। মাছোৰ খখোত তাৰো পিঠি বহল হ'বো হান পাইছু। গাঁওবুঢ়াইও বিচাৰ কইলাক। ইয়াক মাৰা মাৰি কৰি লাভ নাই। সেইকাৰণে এটা বেলেগ শাস্তিৰ কথাহে ভাইবলাক। ৰাইজেও হৰিবোল দিলাক। মদন চোৰোক আগত লৈ গটাই গাঁওতে এঠা মস্ত প্ৰচেচন হ'ল। কপলোত চূণৰ ফটা দি বথথউগাকে মেকআপো কৰি দিলাক আৰু ডালত প ডাঙাৰ ভাঙনা মাছটো গ'লত আলে দিলাক। ছ'লি মখাই টিন-টেমা বাজে তাক লৈ গেল গাঁওৰ ফালে। ঘৰোৰ পাই তিৰি গিলাও ওলে আহি চালাক আৰু দুই এটাই মান্নাইমাৰা, শগনে খ' বুলি গালিও পাল্লাক। ছ'লিমখাইও ছান্স পাই টানি ধুহি মাইল্লাক মদনক। চেৰেং বেৰেং ৰ'দত প্ৰচেচন কৰি ঘৰাপাক পইল্লাক বাগাৰ খাই। আৰ কিত্তেও চোৰ নকৰো বুলি সইত সইত তিনি সইত খালাক।

এই হল চোৰৰ বিলে মাই ক'লাক আমাক।
হাঁহি হাঁহি আমাৰো চকুৰ পানী অল্লাক।।

শব্দার্থ ঃ

মট্‌ফ্যাল - অমিতা, ধোইল্লু - ধৰিলোঁষ তেইতাহ'লি - তেনেহ'লে, পথোৰ - পথাৰৰ, কাইন্ধ্যাত - কাষত, বছোৰ - বছৰৰ, কায়ো- কোনেওষ কুন বা - কোনোবা, ইতাহে - এতিয়াহে, ঘূৰাপাক - বাক, অলচি-ওলাইচে, মানহগিলাও - মানুহবোৰেও, কইলজা - কলিজা, কাইন সন্ধ্যাতে - ফুট গধূলিতে, ঘুমে থাকে - শুই থাকে, চাইট্টামান - চাৰিজনমান, আকদিন - এদিন, এন্থন- ইহঁতে, সইফৰাম - মধুৰিআম, পাচ ধইল্লাক - পাচ ল'লে, আক্কাবাৰে - একেবাৰে, এন্ধে - ইহঁতে, মাত নল'হল - মাত নোলোৱা হ'ল, মাইল্লাক - মাৰিলে, ক'ইল্লাক - কৰিলাক, কপলোত - কপালত, ফ'টা - ফোটা, বথথউগাকে - বৰ ধুনীয়াকৈ, ছ'লিমখাই - ল'ৰা-ছোৱালীবোৰে, ভাঙনা মাছ- ভাঙোন মাছষ পইল্লাক - পৰিলে, আৰ কিত্তেও - আৰু কেতিয়াও, অল্লাক - ওলালে, ই...য়া....ই বধ্‌ধিছু - নামনি অঞ্চলৰ মহিলাৰ মাজত প্ৰচলিত অতিকৈ জনপ্ৰিয় বাক্যাংশ।

আয়োজন

নিকিতা কলিতা
বি.কম (২০১৯ বর্ষ)

বৰুৱা ঃ হেৱা, চাহকাপ দিয়া বোলো। চাহ বনাব গৈছানে বাগানৰ পৰা চাহপাত তুলিব গৈছে?

মালতী ঃ মই আপোনাক পুৱাই কৈছো আজি চাহৰ অর্ডাৰ লোৱা নহয়। মন গৈছে যদি নিজে বনাই খালে হ'ল।

বৰুৱা ঃ আও, আজি চাহ একাপ দিব নোৱাৰো বুলি ক'লা। বাৰু দেখা যাব।

এইখনেই হৈছে দিলীপ বৰুৱা আৰু মালতীৰ সংসাৰ। ঘৰখনত দুটাই প্ৰাণী। দুয়ো-দুয়োৰে লগত এনেদৰে মুখ চুপতি মাৰি থাকোঁতে দিনটোৰ ২৪ ঘণ্টা কেতিয়া কোনফালে লৰ পাৰে দুয়ো তলকিবই নোৱাৰে। কিন্তু আজি মালতীৰ গাতত তত নাই। পুৱা উঠাৰ পৰা টাকুৰি ঘূৰাদি ইটোৰ পিছত সিটো কাম কৰি গৈছে। ত'ত থাকিবও বা কিয় সিহঁতৰ একমাত্ৰ পুতেক বিক্ৰম আজি অতদিনৰ মূৰত ঘৰলৈ আহিব। কিমান দিন যে হ'ল পুতেকক নেদেখা মালতীয়ে মনতে এবাৰ জুকিয়াবলৈ চেষ্টা কৰিলে। কিন্তু নাই, মনলৈ নাহিল। এটা সময়ত মালতীয়ে পুতেকক লগ নোপোৱাৰ কিমান দিন হ'ল খুব হিচাপ ৰাখিছিল, পুতেক আহিলেই যাতে দিনৰ সংখ্যাটো কৈ অভিযোগ দিব পাৰে কিন্তু পুতেক নাহেহে নাহে। শেষত বছৰ বাগৰাৰ লগে লগে মালতীয়েও গণিবলৈ বাদ দিলে। এইফালে নাতিটো বা কিমান ডাঙৰ হৈছে। দেখিবলৈ বা কাৰ দৰে হৈছে। কি বা খাই ভালপায়। নাতিৰ পছন্দ নাজানিলেহে মালতীৰ কিন্তু পুতেকৰ পছন্দ ভালদৰে মনত আছে। কিমান দিন যে মালতীয়ে পুতেকক পছন্দৰ বস্তু বনাই খোৱাব পৰা নাই। কামৰ মাজতে এই কথাবোৰ ভাবি মালতীৰ দুচকু সেমেকি উঠিল। চৌকাৰ ধোঁৱাৰ আঁৰ লৈ চকুপানী মচি গিৰিয়েকক উদ্দেশ্যি ক'লে —

মালতী ঃ হেৰি, পাৰে যদি পঠা মাংস অলপকে আনক। ইমান দিনৰ মূৰত ল'ৰাটো আহিব আপোনাৰ বাৰু বেয়া নালাগেনে শুদা ভাত খুৱাব?

বৰুৱা ঃ কি কথা কোৱা তুমি। আমি দিন হাজিৰা কৰি দিনৰ উপার্জন দিনে খোৱা মানুহ। যেতিয়াৰ পৰা এই কৰুনা ভাইৰাছ....

মালতী ঃ কৰুনা নহয় কৰ'না (corona)

বৰুৱা ঃ এহ্ হ'ব, মোতকৈ দুশ্ৰেণী বেছি পঢ়িলা বুলি প্ৰতিটো শব্দতে ভুল ধৰিব নালাগে। কামৰ বোজাতহে আধাতে পঢ়া এৰিলো। সেই তাকেই কৈছো... এই ভাইৰাছটোৰ বাবে যেতিয়াৰ পৰাই বন্ধ (লকডাউন) হ'ল, সাঁচতীয়াখিনিৰে চলিছো। এতিয়া প্ৰায় তলি উদং। ফটো উঠিবৰ কাৰণে হ'লেও দুই এঘৰে দুখীয়া বুলি সহায় কৰে বাবেহে। মই ক'ৰ পৰা ৬০০ টকা কেজিৰ মাংস আনি খুৱাম।

মালতী ঃ ল'ৰাটোক ইমান দিনৰ মূৰত মোৰ হাতেৰে পছন্দৰ এসাঁজ খুৱাম বুলিহে কৈছিলো। লগত নাতিটোও আহিব ছাগে।

বৰুৱা ঃ হ'ব। তোমাৰ ল'ৰাই চহৰত এইসোপা খায়ে থাকে দিয়া। এই বন্ধত কেনেকৈ চলিছো এবাৰো খবৰ নকৰে যেতিয়া শুদা ভাত হ'লেও খাব লাগিব। তথাপিও যতন কৰি ইমানটোন বনাইছাই তুমি।

মালতী ঃ আপোনাৰ লগত আৰু কথাৰে বলে পাৰিম নে...

... এই বুলি উছাত মাৰি গৈ মালতী আকৌ পাকঘৰত সোমাল। তেনেত পদুলিমুখত গাড়ীৰ শব্দ শুনি মালতীৰ কলিজাটো চিৰিঙকৈ গ'ল। বৰুৱাৰো বুকুখন ধপধপাই দিলে।

